# মিচিং লুজন

## (মিচিং ভাষাৰ লগৰী)

407
NOR

পূৰ্বোত্তৰ ভাষা সমিতি
বি, বৰুৱা কলেজ, গুৱাহাটী- ৭৮১০০৭

পু. ভা. স. -১

# মিচিং লুজন (প্ৰথম ভাগ)

## ( মিচিং ভাষাৰ লগৰী )

27

Assam Institute of Research for Tribals and Sch. Caste Lib.
Jawahar Nagar,
Guwahati-781022.
DATE ......

Assam Institute of Research for Tribals And Scheduled Castes Library
SOUL
GUWAHATI-22

Acc. No. 2798
Date 20/2/90
P. Phukan

AIRTSC, LIBRARY
CLASS NO A07
BOOK NO NOR
ACC. NO. 2798
DATE 17/2/97

পূৰ্বোত্তৰ ভাষা সমিতি
পঞ্জীয়ন সংখ্যা-৮২৭, ১৯৮০
বি. বৰুৱা কলেজ, গুৱাহাটী-৭৮১০০৭

পূ. ভা.স-৯

**MISING LUJAN** — *A Mising self-teacher, published by the North Eastern Language Society, B. Borooah College, Guwahati-781007 (Assam).*

প্ৰকাশক—ভৱানী কান্ত শৰ্মা,
সম্পাদক, পূৰ্বোত্তৰ ভাষা সমিতি,
বি, বৰুৱা কলেজ, গুৱাহাটী—৭

⊙ অসম জনজাতি গৱেষণা প্ৰতিষ্ঠানৰ আৰ্থিক সাহায্যত প্ৰকাশিত।

প্ৰথম প্ৰকাশ—জানুৱাৰী, ১৯৮৯

মূল্য—১০.০০ টকা

ছপাশাল—সাবিত্ৰী প্ৰিণ্টাৰ্চ, পিয়লী ফুকন নগৰ, গুৱাহাটী-২১

Institute of Research for Tribals and Sch. Castes, Jawahar Nagar, Guwahati-781022. DATE ......

# আগ কথা

পূৰ্ব্বোত্তৰ ভাষা সমিতিয়ে মিচিং ভাষাৰ শিক্ষা অৰিন্তনীৰেপৰাই প্ৰদান কৰি অহাটো সুখৰ কথা। অৱশ্যে এই সুবিধা গুৱাহাটীত বাস কৰা লোকৰ বাবে মুকলি। কিন্তু মিচিং ভাষা শিকাৰ বাবে আগ্ৰহ থকা ব্যক্তিয়ে ঘৰতে থাকি এই ভাষাৰ সম্যক জ্ঞান আহৰণ কৰাৰ বাবে প্ৰয়োজনীয় পাঠ্য পুথিৰ অভাৱ শ্ৰীভৃগুমুনি কাগ্যুঙৰ এই পুথিখনিয়ে কিছু পৰিমাণে হলেও দূৰ কৰিব বুলি মোৰ বিশ্বাস। তাৰোপৰি এই কিতাপখন মিচিং ভাষাত পাঠ লৈ থকা বা লবলৈ ইচ্ছা কৰা ব্যক্তি সকলৰো কামত আহিব।

পূৰ্ব্বোত্তৰ ভাষা সমিতিয়ে আমাৰ প্ৰতিষ্ঠানৰ আৰ্থিক সাহায্যত এই কিতাপখন প্ৰকাশ কৰি জনজাতীয় ভাষা শিক্ষাৰ ক্ষেত্ৰত এটা নতুন পদক্ষেপ আগবঢ়োৱা বাবে সমিতিৰ কৰ্মকৰ্ত্তা সকলৰ শলাগ লৈছো। আশা কৰো ভবিষ্যতে অন্যান্য জনজাতীয় ভাষাতো এনেকুৱা কিতাপ লিখি জনজাতীয় ভাষা শিকিবৰ বাবে অসমৰ ৰাইজক এই সমিতিয়ে সুবিধা আগ বঢ়াব।

১ জানুৱাৰী ১৯৮৯

শ্ৰীবুদ্ধীন্দ্ৰ নাথ বৰদলৈ,
সঞ্চালক,
অসম জনজাতি গৱেষণা প্ৰতিষ্ঠান,
বেলতলা, গুৱাহাটী-২৮

AIRTSC, LIBRARY
CLASS NO. 407
BOOK NO. NOK
ACC. NO. 2998
DATE 17/2/97

# পাতনি

'মিচিং ভাষা' তিব্বত-বৰ্মী ভাষা গোষ্ঠীৰ 'উত্তৰ অসম শাখা'ৰ অন্যতম ভাষা। ১৯৮৬ চনৰপৰা আনুষ্ঠানিকভাবে মিচিং ভাষাক পৰীক্ষামূলক ভিত্তিত প্ৰাথমিক স্তৰত দ্বি-ভাষাৰ মাধ্যমেৰে ৩য় আৰু ৪ৰ্থ শ্ৰেণীত প্ৰৱৰ্ত্তন কৰা হৈছে যদিও অনা-আনুষ্ঠানিক ক্ষেত্ৰত যিমানখিনি প্ৰচাৰ আৰু প্ৰসাৰ হব লাগিছিল সিমানখিনি হোৱাটো পৰিলক্ষিত হোৱা নাই। আনুষ্ঠানিক পাঠ্যপুথিৰ বাহিৰেও অনা-আনুষ্ঠানিকভাবে মিচিং ভাষা শিকাৰ আগ্ৰহ থকা লোকৰ কাৰণে পৰিবেশ ৰচনা কৰা আৰু যিসকল বিভাগীয় চৰকাৰী চাকৰিয়াল আদিয়ে মিচিং ভাষাৰ পৰীক্ষা দিয়াৰ বাবে ইচ্ছুক তেনে প্ৰাৰ্থীয়ে নিজে নিজে মিচিং ভাষা শিকিব পৰা পুথিৰ নিতান্ত প্ৰয়োজন অনুভৱ কৰা হৈছে। এই প্ৰয়োজন আংশিকভাবে হলেও পূৰণ কৰাৰ উদ্দেশ্যে পূৰ্ব্বোত্তৰ ভাষা সমিতিয়ে অভিজ্ঞ লোকৰ দ্বাৰা "মিচিং লুজন—১ম ভাগ" (মিচিং ভাষাৰ লগৰী) যুগুত কৰি উলিয়াইছে।

আক্ষৰিক জ্ঞান থকা আৰু নিৰক্ষৰ বয়স্ক লোকৰ কাৰণে বা নিৰক্ষৰৰ কাৰণে ভাষা শিকাৰ পুথি যুগুত কৰোঁতে সুকীয়া সুকীয়া পদ্ধতি গ্ৰহণ কৰি বিভিন্ন ধৰণৰ মিচিং ভাষাৰ পুথি যুগুতাই উলিয়াই দিব পাৰিলে অতীব উত্তম কাম হব; কিন্তু তেনে পুথিৰ চাহিদা আৰু প্ৰয়োজনৰ প্ৰতি লক্ষ্য কৰিলে এনে পুথি প্ৰকাশৰ ক্ষেত্ৰত ব্যয় বহুল পন্থা গ্ৰহণ কৰাও সম্ভৱ নহয়। আক্ষৰিক জ্ঞান থকা লোকৰ কাৰণে যি কোনো পদ্ধতিৰে লিখা পুথিৰপৰা সাধাৰণ ভাষা জ্ঞান আয়ত্ত কৰাটো সহজসাধ্য। আনহাতে ভাষা আয়ত্বৰ কাৰণে আনুষঙ্গিক ব্যাকৰণ, অভিধান আৰু পৰিভাষা আদি পুথিও অপৰিহাৰ্য্য। কিন্তু মিচিং ভাষাত বৰ্তমান তেনে পুথি সহজলভ্য নহয়। গতিকে, একেখন পুথিৰ যোগেদি সম্যকভাৱে—শব্দৰ জ্ঞান, বাক্য প্ৰয়োগত বৈয়াকৰণিক জ্ঞান আদি দিয়াৰ প্ৰতিও ইয়াত লক্ষ্য ৰখা হৈছে। ভাষা শিক্ষাৰ আধুনিক আৰু সহজ পদ্ধতি গ্ৰহণ কৰি ভাষা শিকাৰ পুথি যুগুতাই উলিয়াব পাৰি যদিও আমাৰ পৰিবেশ আৰু মজ্জাগত পৰম্পৰাৰ প্ৰতিও লক্ষ্য ৰাখিব লগা হোৱাত ই সম্ভৱ হোৱা নাই। তথাপি সম্ভৱপৰখিনি প্ৰাথমিক পৰ্য্যায়ৰ মূল ভাষা শিকা পাঠ্যপুথিৰ লগতো সম্পৰ্ক ৰক্ষা কৰিবলৈ যত্ন কৰা হৈছে।

মিচিং ভাষাত স্বৰধ্বনি—৭ টা 'অ, আ, আ̈, অ়, ই, এ, উ' আৰু ব্যঞ্জনধ্বনি ১৬ টা 'ক, গ, ঙ, চ, জ, ঞ, ত, দ, ন, প, ব, ম, ৰ, ল, ৱ, য়,' পোৱা যায়। মিচিং ভাষাৰ বিশিষ্ট 'মধ্য কেন্দ্ৰীয় ধ্বনিৰ কাৰণে আ̈ = ৗ, উচ্চ কেন্দ্ৰীয় ধ্বনিৰ কাৰণে 'অ় = ়'; দীৰ্ঘস্বৰৰ কাৰণে "ঃ" এই প্ৰতীক গ্ৰহণ কৰা হৈছে আৰু হলন্ত বা হসন্ত '্' চিন নথকা প্ৰত্যেকটো ব্যঞ্জন ধ্বনিৰ মিচিং ভাষাৰ শব্দত 'অ' ধ্বনি আছে বুলি ধৰি মিচিং বিশিষ্ট উচ্চাৰণেৰে পঢ়িলেহে মিচিং ভাষাৰ স্বকীয়তা ৰক্ষা কৰা সম্ভৱ হ'ব।

প্ৰত্যেক ভাষাৰে সুকীয়া সুকীয়া বৈশিষ্ট্য, স্বকীয় সুৰধ্বনি চিৰ বিদ্যমান। সেই স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি মিচিং ভাষাৰপৰা অসমীয়ালৈ প্ৰতি শব্দেৰে সঠিকভাৱে অনুবাদ কৰা সম্ভৱপৰ নহয় যদিও সম্ভৱপৰ অনুৰূপ শব্দেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে আৰু অপ্ৰত্যাশিতভাৱে ৰৈ যোৱা ভুলখিনি সদাশয় লোকে দেখুৱাই দিলে পৰৱৰ্তী সংস্কৰণত শুদ্ধ কৰা হব। এই প্ৰচেষ্টাৰদ্বাৰা মিচিং ভাষা নিজে নিজে শিকাৰ আগ্ৰহীসকল উপকৃত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব।

গুৱাহাটী
৮ নবেম্বৰ, ১৯৮৮

ভৃগুমুনি কাগ্‌য়ুং

# সম্পাদকৰ একাষাৰ

১৯৮০ চনত পূৰ্বোত্তৰ ভাষা সমিতিয়ে গুৱাহাটীৰ বি, বৰুৱা কলেজত পূৰ্বোত্তৰ ভাষা শিক্ষা কেন্দ্ৰ নামৰ শিক্ষানুষ্ঠান এটা অস্থায়ীকৈ আৰম্ভ কৰে। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অসমীয়া, বড়ো, মিচিং, কাৰ্বি, খাছী আদি থলুৱা ভাষাসমূহ শিকাবৰ বাবে এই কেন্দ্ৰত প্ৰমাণ পত্ৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰটোৰ বৰ্ত্তমান অবৈতনিক উপসঞ্চালক শ্ৰীটাবু টাইদ আৰু সমিতিৰ কাৰ্য্যকৰী সদস্য শ্ৰীভৃগুমুনি কাগ্য়ুঙে আৰম্ভনীৰেপৰা মিচিং ভাষাৰ পাঠদান কৰি আহিছে। শ্ৰীটাইদে প্ৰদান কৰা পাঠসমূহ সমিতিয়ে প্ৰকাশ কৰা **মিচিং ভাষাৰ চমু পৰিচয়** নামৰ কিতাপখনত সন্নিৱিষ্ট কৰা হৈছে। সমিতিৰ অনুৰোধত শ্ৰীকাগ্য়ুঙে প্ৰাপ্তবয়স্ক মিচিং অথবা অমিচিং লোকে মিচিং ভাষা শিকিব পৰাকৈ **মিচিং লুজন** নামৰ কিতাপখন লিখি উলিয়াইছে। অভিজ্ঞলোকৰদ্বাৰা পৰিৱৰ্ত্তন তথা পৰিবৰ্দ্ধন কৰাৰ পিচত সেই কিতাপখন প্ৰকাশ কৰি উলিওৱা হ'ল।

**মিচিং লুজন** প্ৰকাশৰ বাবে আমি জনজাতীয় গৱেষণা প্ৰতিষ্ঠানৰপৰা আৰ্থিক অনুদান লাভ কৰিছো। এই অনুদানৰ বাবে আমি প্ৰতিষ্ঠানটোৰ ওচৰত অতি কৃতজ্ঞ। প্ৰতিষ্ঠানটোৰ সঞ্চালক তথা এগৰাকী লব্ধ প্ৰতিস্থ গৱেষক পণ্ডিত শ্ৰীবুদ্ধীন্দ্ৰ নাথ বৰদলৈয়ে **মিচিং লুজনৰ** বাবে **আগ কথা** লিখি দি আমাক বাধিত কৰিছে; তেখেতলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। পূৰ্বোত্তৰ ভাষা সমিতিৰ আজীৱন সদস্য তথা অসমৰ এগৰাকী আগশাৰীৰ সাহিত্যিক শ্ৰীভৃগুমুনি কাগ্য়ুঙে **মিচিং লুজনৰ** পাতনি তথা পাণ্ডুলিপিটো প্ৰস্তুত কৰি দিয়া কাৰণে তেখেতলৈ সমিতিৰ তৰফৰপৰা ধন্যবাদ জ্ঞাপন কৰিলো।

আশাকৰো মিচিং ভাষাৰ উন্নতি কল্পে পূৰ্বোত্তৰ ভাষা সমিতিয়ে আগবঢ়োৱা এই সামান্য অৱদান ৰাইজে গ্ৰহণ কৰিব।

৭-১-৮৯

ভৱানী কান্ত শৰ্মা
সম্পাদক,
পূৰ্বোত্তৰ ভাষা সমিতি,
বি, বৰুৱা কলেজ, গুৱাহাটী-৭

## পনাম্-১ / প্ৰথম পাঠ

[ আৰ্গ্ কাংকিন্ / আখৰ চিনাকি ]

### ব ৱ ৰ ক

ব+অ=ব ৱ+অ=ৱ ৰ+অ=ৰ ক+অ=ক

গমুগ্ / শব্দ

ব=তাত (পশ্চিম ফালে বা তল ফালে) ৱ=পৰহি ক=লৰা

| | |
|---|---|
| বক=কোলাত লোৱা স্থল | ৱব=বৈ থকা/বাট চোৱা |
| ৱৰ=পুৱাহে | ৱক=পুৱা এবেলা |
| কব=খকন্দ গছ | কক=খোজাৰ বা বেচাৰ স্থল |
| কৰ=লৰা | কৰক=লৰাহে |
| বকক=কোলাত লোৱা স্থল | ৱবৰ=ববৰ |
| ৱৰক=পুৱা এবেলাহে | ৱকক=পুৱাৰ এবেলাহে |
| ৱবক=বৈ থকা ঠাই | ককক=খোজাৰ বা বেচাৰ স্থল |

বক-বক=কোলাত লোৱাৰ / স্থানে স্থানে
ৱক-ৱক=পুৱাৰ এবেলা—এবেলা / জোপ লোৱাৰ স্থানে স্থানে
কক-কক=খোজাৰ স্থানে—স্থানে / বেচাৰ স্থানে – স্থানে
ৱব-ৱবক=বৈ বৈ যোৱাৰ স্থান
বক=বকক=কোলাত লোৱাৰ স্থানে—স্থানে
ৱক-ৱকক=পুৱাৰ এবেলা—এবেলাহে

আগম্/বাক্য

| | |
|---|---|
| ক ক | =লৰা এজন |
| ৱ বক | =পৰহিলৈ পুৱা এবেলা |
| ক বক | =কেঁচুৱা কোলাত লোৱাৰ স্থল |
| ব ক ক | =তাত লৰা এজনক |
| ৱ ক ক | =পৰহিলৈ লৰা এজনক |
| ৱক ক ক | =পুৱা—বেলা লৰা এজনক |
| ৱ ৱক ক ক | =পৰহিলৈ পুৱা এবেলা লৰা এজনক |

# পনাম্ —২ / দ্বিতীয় পাঠ

## ( আব্ৰ্গ্ কাংকিন্ / আখৰ চিনাকি )

## ত অ

ত+অ=ত      অ+— =অ

গমুগ্ / শব্দ

ত=তাত (পূব ফালে বা ওপৰ ফালে)   অ=অ' (ভাৱ বোধক)

তত=পানী তুলিলে / পানী তোল
তব=পানী তোলাত সহায় কৰা / বাট চোৱাত সহায় কৰা
তক=পানী তোলা স্থান / বাট চোৱা স্থান
অত=জন্ম দিলে / শাক তুলিলে
অব=পিয়ন / পৰন (জন্মৰ ব্যৱধান)
অৰ=খালি হোৱা / খালি কৰ
অক=কি ? / শাক তোলা ঠাই

বত=কোলাত ললে / কোলাত লোৱা
ৰৰ=জোপ ললে
ৰত=খুজিলে / বেচিলে

তবত=পানী তোলাত সহায় কৰ. লগে ভাগে চেপা পাতিলে, একে লগে বাট চালে
তকত=চেপা পাতা স্থানত / বাট চোৱা স্থানত / পানী তোলা স্থানত
ৰকত=কোলাত লোৱা স্থানত
ৰবত=কেঁচুৱা কোলাত লৈ সহায় কৰ
কবত=লগে-ভাগে খুজিলে/
    বেচাত সহায় কৰিলে
অবত=শাক তোলাত সহায় কৰিলে
অবক=এপিয়ন
অকত=শাক তোলা স্থলত
তবকত=বাটচোৱা স্থানত/
    সহায়ত পানী তোলা ঠাইত
ববক=এবাৰে কোলাত লোৱা

ৰকত=জোপ লোৱা স্থানত
ৰবত=ৰৈ থাকা/
    জোপ লোৱাত সহায় কৰিলে
ককত=বেচাৰ স্থালত/
    খোজাৰ স্থলত
অৰত=শাক তুলি মুকলি কৰিলে
অকক=কি ?/কিহক ?
তৰবক=এবাৰে পানী অনা/
    এবাৰে বাটচোৱা



ববকত=কোলাত লৈ সহায় কৰা স্থলত
কবকত=বেচি সহায় কৰা স্থানত/
    খুজি সহায় কৰা স্থানত
অববক=এপিয়নে মাত্ৰ/
    এবাৰে শাক তোলা
বক-বকত=কোলাত লোৱা স্থানে-স্থানে
তক-তকত=চেপাপতা স্থানে-স্থানে/
    বাটচোৱা স্থানে-স্থানে
অক-অকক=কি কি ? (কিহক কিহক)
অৰব-অৰবক=এপিয়ন-এপিয়ন মাথোন/
    এবাৰ-এবাৰ শাক তোলা মাথোন

ৰবকত=ৰৈ যোৱা স্থানত
কৰবক=এবাৰে খোজা/
    এবাৰে বেচা
অক-অক=কি কি ?
ৰক-ৰক=পুৰা এবেলা-এবেলা
ৰক-ৰকত=জোপ লোৱা স্থানে স্থানে
কক-ককত=খোজৰ স্থানে-স্থানে/
    বেচাৰ স্থানে-স্থানে
ৰব-ৰবকত=ৰৈ-ৰৈ যোৱা স্থানে-স্থানে

আগম্ / বাক্য

ক বত=কেঁচুৱা লোৱা বা ল (লৰা)
ব ক বত=তাত কেঁচুৱা ল (পশ্চিম-ফালে)
ক ত বত=লৰা তাত ল (লৰা পূব-ফালে ল)
ত তকত তত=সৌ-তাত চেপা পতা স্থানত চেপা পাত, সৌ বাটচোৱা স্থানত বাট চা

ক বকত বত=কেঁচুৱা লোৱা ঠাইত কেঁচুৱা ল
ত ৰবকত ৰবত=তাত ৰৈ থকা ঠাইত ৰৈ থাক
অকক অত ?=কি জন্ম দিলে ?

অকক কত ?=কি খুজিলে ? (কিহক খুজিলে ?)
অক কত ?=কি বেচিলে ?/
    কি খুজিলে ?
অৰবক অত=এবাৰে শাক তুলিলে মাথোন
তৰবক তত = এবাৰে চেপা পাতিলে মাথোন
ব ককব কত = সৌ বেচা ঠাইত বেচাগৈ (পশ্চিমত)

ত ক বত=তাত কেঁচুৱা ল (পূব-ফালে)
ক ক বত=লৰা এটাক কোলাত ল
ক ব বত=লৰা তাত ল (লৰা পশ্চিমফালে ল)

ত ৰকত ৰত=তাত জোপ লোৱা ঠাইত জোপ ল
অৰবক অত=এপিয়ন দিলে মাথোন (জন্ম)
ক ক অত=লৰা জন্ম দিলে

ক ক কত=লৰা খুজিলে/
    লৰাক খুজিলে
ৰবৰ কত=ৰবৰ খুজিলে/
    ৰবৰ বেচিলে
ত ককত কত = সৌ বেচা ঠাইত বেচাগৈ (পূবত)
ত ককত কবত= সৌ বেচা ঠাইত লগে-ভাগে বেচাগৈ
ব ককব কবত = সৌ বেচা ঠাইত লগে ভাগে বেচাগৈ

ত অকত অবত=সৌ শাক তোলা ঠাইত লগে ভাগে শাক তোলগৈ

ব কক-ককব কত=সৌ বেচা ঠাইত বেচাগৈ

ব ৰব-ৰবকব ৰবত=সৌ ৰোৱা-ৰোৱা অৱস্থানত ৰোৱাগৈ

অ কক কত ?=কি খুজিলে বা বিচাৰিলে ?

ক্ ! অক কবত ?=লৰা ! কি লগে-ভাগে বেচিলা ?

ব অক-অক অবত ?=তাত কি কি লগে-ভাগে তুলিলা ?

অ ! ত অক বকা ?=অ' তাত কি কেঁচুৰা লৈছিলা ?

অ ! অকক অত ?=অ' কি জন্ম দিলে ?

ব বকব বত = সৌ কেঁচুৱা লোৱা ঠাইত লগে ভাগে কেচুৱা লৈ থাকাগৈ

ত ক বক-বকত বত=সৌ কেঁচুৱা লোৱা ঠাইত কেঁচুৱা লোৱা

ত তক-তকত তত=সৌ বাটচোৱা ঠাইবোৰত বাট চোৱা

ৰক ক ক কত=পুৱাবেলাৰ কাৰণে লৰা এজন বিচাৰিলে/খুজিলে

ৰবৰক ত কবত=ৰবৰ তাত লগে-ভাগে বেচিলো

ব ৰক-ৰক অবত=তাত এবেলা-এবেলা লগে-ভাগে তুলিলো

ত ক ক বকা=তাত লৰা কেচুৱা লৈছিলো

কৱক অত=লৰা এটিহে জন্ম দিলে

—+—



# পনাম্ ৩ / তৃতীয় পাঠ

[ আজ্ৃগ্. কাংকিন্ / চিনব চিনাকি ]

## আ=া

ব+া=বা ৰ+া=ৰা ৱ+া=ৱা ক+া=কা ত+া=তা অ+া=আ

গমুগ / শব্দ

বা=ভাববোধক

বাব = কাম কৰোৱা
বাবা = পিতা
বাৰ = দিন বাৰ
বাক = বছা ঠাই
বাকা = বাছিছিল
বাত = বাছিলে
ৰাব = লগত ভুকুৱা
ৰাক = কমনীয় ঠাই
ৰাত = ভুকিলে
ৰাকা = ভুকিলে
ৱাব = ওহাৰ উঠা

বাবত = কাম কৰোৱালে
বাবকা = কাম কৰাইছিল
বাকৱ = ৰাখৰ
বাকব = বছা ঠাইত
ৰাকত = কমনিয়া ঠাইত
ৰাবত = লগত ভুকালে
কবকা = লগে ভাগে বেচিছিল /

ৱা=ভাববোধক

আ=ভাববোধক

কাব = মিলা / ঠিক
কাত = জন্ম দিলে
কাকা = জন্মালে
তাত = ককা দেউতা
তাকা = কেৰ্কেটুৱা
আব = পিতা
আবা = সৰহ / ভাৱবোধক
আৰ = সচা
আৱ = পুত্ৰ
আক = এটা / এজন
আত = ককা / ভক্ত

তাবাব = ফনি
তাৱৰ = ভূত / প্ৰেত
তাকৰ= বেৰি / খাৰু
তাকাৰ = তৰা / নাহৰ ফুটুকী বাঘ
আৱক = বাপেক এজন
আবত = লগে-ভাগে ধান ভাজিলে
আতক = ককাক এজন

লগে ভাগে খু্জিছিল

কতকা = খোজা / বেচা

ৰাবকত = কাম কৰোৱা ঠাইত

তাবাবক = কেৱল ফণি মাত্র

তাকাৰক = কেৱল নাহৰফুটু্কী মাথোন

আববক = এখনে মাত্র

আবাৰক = এটকাহে মাথোন

অব-আৱ = বাপেক-পুতেক

আৱ-আব = পুতেক-বাপেক

বাক-বাকত = বহা ঠাই্বোৰত

আৱক = পুতেক এজন

আবাক = সবহ

বাৱবক = এবাৰ মাত বহা

তাৱবক = ভূত প্ৰেতে মাথোন

তাকবক = কেৱল বেৰি মাথোন

আববক = এবাৰে ভজা

আকবক = আখৰহে মাথোন

আক-আক = এটা-এটা

ৰাক-ৰাকত = কমনিয়া ঠাইবোৰত

কক-ককত = বেচা ঠাইৰোৰত

## আগম্ / বাক্য

ব অকক ককা ? = তাত কি বিক্রী কৰিছিলা ?

ত অক-অক ককা ? = তাত কি কি বেচিছিলা

তাকাব অকক অত ? = নাহৰ ফুটুকীয়ে কি জগিলে ?

কৱা ! অকক বাকা ? = হেৰা লৰা ! কি বাছিছিলা ?

তাকাৰ আক ৰকা = নাহৰ ফুটু্কী এটা জোপ লৈছিলো।

ক ক বাবত = লৰা এজনক কাম কৰালে ।

আত ! ত ৰবৰ আক ৰাকা = ককা, তাত ৰবৰ এটা বাচিছিলো ।

ব ৰবৰক কবকা=তাত ববৰ খুজিছিলো ?

ত বাকৰ বাকা=তাত বাখৰ বাছিছিলো।

ৰক আৱক ককা=এবেলাৰ কাৰণে লৰা খুজিছিলো

আত ! ত আৰ বাকব বাকা=ককাদেউতা ! তাত সচা বাখৰ বাছিছিলো।

আত ! আৰ বাকৰ আবাক বাতাক।

ব তাবাব ককা = তাত ফণি বিক্রী কৰিছিলো ।

ত তাবাব-তাকৰ ককা = তাত ফণি আৰু বেৰি বিক্রী কৰিছিলো ।

আৱক অত = মতা পোৱালী এটা জগিলে ।

তাবাব আক বাকা = ফণি এখন বাছিছিলো

আব্ ! অক ৰকা ?=দেউতা ! কি জোপ লৈছিলা ?

আত ! অকক বাবত ? = ককা ! কাক কাম কৰালে ?

কৱা ! ত অকক বাকা ? = হেৰা লৰা ! তাত কি বাছিছিলা ?

ব অকক কবকা ? = তাত কি খুজিছিলা ?

ত অক ৰাকা ?=তাত কি বাছিছিলা ?

বক অকক ককা ?=এবেলাৰ কাৰণে কি খুজিছিলা ?

কৱা ! অক বাকব বাকা ?=হেৰা লৰা ! কি বাখব বাছিছিলা ?

কৱা ! আৰ বাকৰ আবাক বাতকা=হেৰা লৰা ! সচা বাখৰ সবহকৈ বাছা ।

—+—

# পনাম্ ৪ চতুৰ্থ পাঠ

(আজৃগ্ কাংকিন্ / চিনৰ চিনাকি)

## অৃ ৃ

ব+ৃ=বৃ ৰ+ৃ=ৰৃ ৱ+ৃ=ৱৃ ক+ৃ=কৃ ত+ৃ=তৃ অ+ৃ=অৃ

বৃ=তেওঁ/সি/তাই

বৃব=ভাই

বৃৰ্=বোকোচা লোৱাত বাধা সৃষ্টি কৰা

বৃত=বোকোচা বান্ধিলে

বৃআ=সিনে/তেওঁনে/তাইনে

বৃৰক=ভাই এজন

ৰৃকৃত=বোকোচা ৰান্ধি চা/ বোকোচা বান্ধি চালে

বৃকৃকা=কেঁচুৱা বোকোচাত বান্ধি চালো

বৃতৃত=কেঁচুৱা বান্ধিয়ে থাকা

বৃবতকা=বোকোচা বন্ধাত সহায় কৰা

বৃতৃতকা=বোকোচাত বান্ধিয়ে থাকা

বৃকৃ-বৃকৃ=লেবেজান হৈ অহা

ৰৃআ=মাজু

ৰাতৃ=ভুকি থকা

ৰাকৃকা=ভুকি চাওঁক

ৰৃবৃক=ৰচী এডাল

কৃব=কুঠাৰেৰে কটাত সহায় কৰা/ কাহিনী কোৱাৰ লগ-ভাগ হোৱা

কৃবৃ=কুঠাৰেৰে মাজত কাটা

কৃবত=কুঠাৰেৰে কটাত সহায় কৰা

বৃব=কেঁচুৱা বোকোচা বন্ধাত সহায় কৰা

বৃক=বোকোচা বন্ধা ঠাই

বৃকৃ=বোকোচা লৈ চোৱা

বৃতৃ=বোকোচা লৈয়েই থকা

বৃবত=বোকোচা বন্ধাত সহায় কৰা

বৃকত=কেচুৱা বোকোচা বন্ধা স্থলত

বৃৰৃত=কেঁচুৱা বোকোচা বান্ধোতে বাধা প্ৰদান কৰিলে

বৃতৃকা=কেঁচুৱা সদায় বান্ধিছিলো

তাবৃক=সাপ এটা

বৃকৃতকা=বোকোচা বান্ধি চা

বৃৰৃ-বৃকৃ=বোকোচা বন্ধাত হকা-বধা কৰা

ৰৃবৃ=ৰছী/জৰী

ৰাকৃ=ভুকি চোৱা

ৰাকৃত=ভুকি চা

ৰাতৃত=ভুকি থাক

বাৰৃক=ৰাইজক জাননী দিয়া লোক

কৃৰ=কুঠাৰেৰে কাটি মুকলি কৰা

কৃত=কুঠাৰেৰে কাট/কাটা

কৃকা=কুঠাৰেৰে কাটিছিলো

কৃকৃত=কুঠাৰেৰে কাটি চা

কৃৰ্ত=মাজতে কুঠাৰেৰে কাটা

কৃতৃত=কুঠাৰেৰে কাটি থাকা

ককৃকা=খুজি চাইছিলো/বেচি চাইছিলো

বকৃত=কোলাত লৈ চা/কোলাত লৈ চালো

কৃআত=কুঠাৰেৰে কাটিবলৈ আৰম্ভ কৰ

তাকৃক=কেৰ্ কেটুৰা এটা

আকৃক্ত=মোমায়েক এজন

কৃকৃত=গননা কৰি চা/হিচাপ কৰি চালো

কৃবতকা=লগে-ভাগে কাহিনী সহায় হোৱা/
কুঠাৰ কটাত সহায় কৰা

ককৃবত=লগে-ভাগে বেচি চা/
লগে-ভাগে খুজি চা

অ্=হয়/ওঁ

অ্ৰ=ধান এবাৰ খুন্দা

অ্ৱ=ভাগিন

অ্ত=ধান খুন্দ/
তমাল্ তোল
তমাল তুলিলে
ধান খুন্দিলে

আবৃ=বয়সত ডাঙৰ

আঅ্=নিজৰ

অ্বকা=খুন্দাত সহায় কৰিছিলো/
তমাল্ তোলাত সহায় কৰিছিলো

অ্কৃকা=খুন্দি চালো/
তমাল্ তুলি চালো

অ্ৰ্ত=খুন্দাত বাধা প্ৰদান কৰা

অ্কত=খুন্দা বা তমাল্ তোলা ঠাইত

কৃকত=কুঠাৰ কটা ঠাইত

কৃকাত=কুঠাৰেৰে কাটি চাওঁক

ককৃত=খুজি চা/বেচি চা

ৰকৃত=চিকাৰৰ জোপ লৈ চা/চালো

কৃকাত=কাহিনী কৈ চোৱা/
কুঠাৰেৰে কাটি চোৱা

বাকৃত=বাছি চা/বাছি চালো

বৃকৃতকা=বোকোচাত বান্ধি চা/চাওঁক

কৃতৃতকা=কুঠাৰেৰে কাটি থাকা/
কহিনী কৈ থাকা

কৃআতকা=কাহিনী কবলৈ আৰম্ভ কৰা/
কুঠাৰেৰে কাটিবলৈ আৰম্ভ কৰা

অ্ব=ধান খুন্দাত সহায় কৰা

অ্ৰ্=ধান খুন্দাত বাধা প্ৰদান কৰা

অ্কৃ=ধান খুন্দি চা/
তমাল্ বা বেত তুলি চা

অ্কা=ধান খুন্দিছিলো/
তমাল্ তুলিছিলো

অ্আ=বাহ

আকৃ=মোমায়েক

অ্বত=খুন্দাত সহায় কৰ/
সহায় কৰিলো

অ্কৃত=খুন্দি চা/
তমাল্ তুলি চা

অ্ৰক=এবাৰ খুন্দা

অ্ৱক=ভাগিন এজন

অ্আত=খুন্দিবলৈ বা তমাল্ তুলিবলৈ আৰম্ভ কৰা



অ্বতকা=খুন্দাত বা তমাল্ তোলাত
সহায় কৰা

অ্কৃতকা=খুন্দি বা তমাল্ তুলি চা

অ্কৃ-বকৃত=খুন্দাত বা তমাল্ তোলাত
সহায় কৰিও চালো

অ্ৱ-আকৃ=ভাগিন–মোমাই

অ্ৰ্–অ্কৃ=খুন্দাত বাধা প্ৰদান কৰা

আৱ–আব=পুতেকে-বাপেকে

তৃত=বোটল/বুটলিলো

তৃকা=বুটলিছিলো

তৃবত=লগে-ভাগে বোটল/বুটলিলো

তৃকৰ=অকবা/অভং

তৃৰাত=ছিঙিবলৈ বা ভাঙিবলৈ আৰম্ভ কৰ

তৃকাত=গুটি খেলি চা/বুটলি চা

বতৃত=জোপ লৈয়েই থাকা

তাকৃক=কেকেঁটুৱা এটা

বাতৃত=বাছি থাকা

তৃবতকা=বোটলাত সহায় কৰা

তৃৰ্তকা=মাজতে দাং দিয়া/
দাং দি বাধা দিয়া

তৃআতকা=বুটলি আনি সোমাই ৰাখা

তৃৰ্-তৃকৃত=আথালিয়ে পথালিয়ে দাং
দি বাধা দিলে

তৃবৃ-তৃৰ্ত=গুটি হিচাপত খেলি মেলি লগালে

অ্বকৃত=খুন্দাত বা তমাল্ তোলাত সহায় কৰি চালো

অ্আতকা=খুন্দিবলৈ বা তমাল্ তুলিবলৈ আৰম্ভ
কৰা/ মূৰটো সোমোৱা

অ্ব–অ্বকত=খুন্দি সহায় কৰা ঠায়ে-ঠায়ে

অ্ক-অ্কত=খুন্দাৰ ঠাইবোৰত

আকৃ–আৱ=মোমাইৰ পুতেক

আব-আৱ=বাপেক–পুতেক

তৃৰ্=দাং মৰা/মাজত বাধা দিয়া

তৃৰ্ত=দাং দিলে/মাজতে বাধা দিলে

তৃকত=বোটলা ঠাইত

তৃতৃত=বুটলিয়েই থাকা

কৃতৃত=কুঠাৰেৰে কাটিয়ে থাকা/
হিচাপ কৰিয়েই থাকা

আতৃক=একো এটা

তৃআত=বুটলি আনি থ

তৃকৃতকা=বুটলি চা/গুটি খেলি চা

তৃতৃতকা=বুটলিয়েই থাক

তৃকাতকা=গুটি খেলি চা

তৃৰাতকা=ভাঙি বা ছিঙিবলৈ আৰম্ভ কৰ

তৃক-তৃকত=বোটলা ঠায়ে-ঠায়ে

তৃৰ্-তৃৰ্কত=দাং দি বাধা দিয়া স্থানে স্থানে

## আগম/বাক্য

বৃৰ আক=ভাই এজন

ৰৃবৃ আক=ৰছী এডাল

তাব্ আক=সাপ এডাল
অ্আ আক=বাহ এডাল
আৱ আক=পুতেক এজন
আত আক=ককা এজন

ব্ বৃক বৃৱক=সি তাৰ ভায়েক
ব্ ৱ্আ বৃৱক=সি মাজু ভাই
ব্ বৃক আঅ্ আকৃক=তেওঁ তাৰ
নিজা মোমাই
অ ! আবু-আৱ অক ৱকা ? =অ'
বাপেক পুতেকে কিখাপ লৈছিল ?
অ্আ আক ককা=বাহ এডাল
খুজিছিল
ব্ বৃক আঅ্ আক্ক=তেওঁ তাৰ
নিজা মোমায়েক
ত্কৱ অ্ৱ ব্আং ? =সিয়েনে অকৱা
ভাগিনজন ?

ব্ ত অক অ্ত ?=তাই তাত কি
খুন্দিলে ?
বৃত অ্আ অ্কা=সি তাত বাহৰ
তমাল তুলিছিলে
ব বৃ অকক বৃবকা ?=তাই তাত কি
বোকোচা বান্ধি সহায় কৰিছিল ?
বৃ অক বৃৱ্-বৃক্কা ?=তাই তাত
কি বান্ধি হকা-বধা কৰিছিল ?
বৃ অকক ককা ?=সি কি খুজিছিলে ?
বৃ অকক ক্কা ?=সি কি কুঠাৰেৰে

তাকৃ তাক=কেকেঁটুৱা এট্টা
ৱবৱ আক=ৱবৱ এডাল
আকৃ আক=মোমায়েক এজন
আব আক=বাপেক এজন

ব্ বৃক বৃৱ আক=সি তেওঁৰ এজন ভাই
ব্ আব্ বৃৱক=তেওঁ ডাঙৰ ভাই
ব্ বৃক আঅ্ আবক=তেওঁ তাৰ নিজা দেউতাক
ত্ৱ ! ব অ্আত=ভাগিন; ! তাত ডিঙিটো সোমোৱা
তাকাদ্ৰৱক ৱকা=নাহৰ ফুটুকী এটা খাপ লৈছিল
অ ! আক্-অ্ৱ অক ককা ?=অ' মামা-ভাগিনে কি
খুজিছিল ?
ব্ বৃক অকক ?=সি তেওঁৰ কি হয় ?
ব্ বৃক অক আৱক ?=সি তেওঁৰ কি লৰা ?
ব্ বৃক ৱ্আ আৱক=সি তেওঁৰ মাজু লৰা
অ্, ব্আ=হয়, সিয়েই

ব্ ত অ্বক অ্ত=তাই তাত এবাৰে খুন্দিলে
ত ব্ অক অ্কা ?=তাত সি কি তুলিছিলে ?
ব বৃ অক বৃকা ?=তাই তাত কি বোকোচা বান্ধিছিল ?
বৃ ব কৱক বৃকা=তাই তাত লৰা কেঁচুৱা বান্ধিছিল
বৃব ক আক বৃবকা=তাই তাত কেঁচুৱা লৰা এটা
বোকোচা বান্ধি সহায় কৰিছিল
বৃ আঅ্ আক্ কৱক বৃৱ্-বৃক্কা=তাই নিজৰ
মোমায়েকৰ কেঁচুৱা বান্ধোতে হকা-বধা কৰিছিল
বৃ ৱৃবৃ আক ককা=সি ৱছী এডাল খুজিছিল
কবক বৃ ক্কা=খকন্দ গছ সি কাটিছিল



বৃ অক কৃৱ্ কৃকৃত ?=সি কি কি
গণনা কৰোতে হকা-বধা কৰিছিল ?
আত-আৱ অক বাকা ?=ককা আৰু
পুতেকে কি বাছিলে ?
ত বৃ অক ক্বকা ?=সি তাত
কি গণনাত সহায় কৰিলে ?
বৃ অকক তৃৱ্ত ?=সি কি দাং দিলে ?
বৃ অক তৃৱ্-তৃকৃত ?=সি কি দাং
দি বাধা প্ৰদান কৰিলে ?
অকক বৃ ত্ৱাত ?=কি সি ভাঙি
আনিলে ?
বাকৰ বৃ ত্কা=বাখৰ সি বুটলিলে
ত বৃ বাকৰ ত্বকা=তাত সি বাখৰ
বোটলাত সহায় কৰিলে
আকৃবৃ অক কবকা ?=মোমাই কি
খোজাত সহায় কৰিলে ?
বৃ ব অক ককা ?=সি তাত কি
বেচিছিল ?
বৃ ব অক ক বৃকা ?=তাই তাত
কাৰ লৰা বোকোচাত বান্ধিছিলে ?
ত অকক ৱকা ?=সি তাত কি
খাপ লৈছিল ?
বৃ আঅ্ অ্ৱক বাবকা=সি নিজৰ
ভাগিনকে বিনা মূল্যত কাম কৰালে।

তাকাৰ কৃকত বৃ কৃৱ্-কৃকৃত=তৰা হিচাপ কৰোতে
সি হকা-বধা কৰিছিল
আত-আৱ অ্আ বাকা=ককা আৰু পুতেকে বাহ
বাছিলে
বৃত অ্আ কৃকত ক্বকা ?=সি তাত বাহ হিচাপ
কৰোতে সহায় কৰিছিলে
ত বৃ অ্আক তৃৱ্ত=সি তাত বাহ দাং দিলে
বৃ ব অ্আক তৃৱ্-ত্কৃত=সি তাত বাহ দাং দি
বাধা প্ৰদান কৰিলে
বৃ অ্আক ত্ৱাত=সি বাহ ভাঙি আনিলে
বৃ অক ত্কা ?=সি কি বুটলিলে ?
বৃত অক ত্বকা ?=সি তাত কি বোটলাত সহায় কৰিলে
আত বৃ অক অ্বকা ?=ককাই কি তোলাত সহায় কৰিলে
আত বৃ অ্আ অ্কত অ্বকা=ককাই বাহৰ তমাল
তোলাত সহায় কৰিলে
আকৃবৃ বৃম অ্অহা কবকা=মোমাই তাক বাহ
খোজাত সহায় কৰি বাহ খুজি দিলে
ব বৃ তাবাব ককা=তাত সি ফণি বেচিছিলে
ব বৃ আঅ্ বৃৱ কৱক বৃকা=তাই তাত নিজৰ ককা-
য়েকৰ লৰা এটা বোকোচা বান্ধিছিল
বৃ ত তাবৃক ৱকা=সি তাত সাপ খাপ লৈছিল
বৃ অক ক ক বাবকা ?=সি কাৰ লৰাক বিনা মূল্যত
কাম কৰালে ?

2998

# পনাম–৫/ পঞ্চম পাঠ

[ আৱগ. কাংকিন্ / চিনৰ চিনাকি ]

## ব+ী=বী ৰ+ী=ৰী ক+ী=কী ত+ী=তী অ+ী=অী

গমুগ্ / শব্দ ব+ী=বী

বী=পশ্চিম/পশ্চিম দিশত

আবী=সময়ৰ ব্যৱধান/এতিয়ালৈকে

বীবী=ইফালৰ পৰা সিফালে বস্তু তোলা

বীবাত্=ভিতৰলৈ দৃষ্টিপাত কৰিলে

বীৰী=দৃষ্টিপাত কৰা

বীকা=কঁকালত বন্ধা ক'লা কাপোৰৰ টুকুৰা

বীৰা=দৃষ্টি সুমুৱা

## ৰ+ী=ৰী

ৰীত=কিনিলে/চাং সাজিলে

ৰীক্=কিনি চা/সাজি চা

ৰীত্=সদায় কিনা/চাং সাজি থকা

কাৰী=মুকলি চাং/টঙি

ৰীবত=বস্তু কিনাত সহায় কৰা/
চাং সজাত সহায় কৰা

ৰীকত=কিনা ঠাইত/চাং সজা ঠাইত

ৰীআত=এফালৰ পৰা কিনা/
চাং সাজি আহ, চাং সজা

আবুৰী=মিতা/অন্তৰঙ্গ বন্ধু

ৰীক-ৰীকত=কিনা-কিনা বা চাং
সজা-সজা ঠাইত

ৰীক্বতকা=কিনাত সহায় কৰি চা

ৰীৱক্তকা=কিনাত সহায় কৰি চা

ৰীকা=কিনি আনিলে/চাং সাজিলে

তাৰী=ঘা

আৰী=মূল্য/গা-ধন

ৰীকক=কিনাৰ ঠাই

ৰীকৃত=কিনি চা/চাং সাজি চা

ৰীত্ত=কিনিয়েই থাক/চাং সাজিয়েই থাক

ৰীৱত=আধা কিনা কৰিলে/চাং আধা সজা কৰিলে

আৰীক=মূল্য/গা-ধন

ৰীক-ৰীকক=কিনা-কিনাৰ ঠাইত

ৰীবতকা=বস্তু কিনাত সহায় কৰা/
চাং সজাত সহায় কৰা

ৰীত্তকা=সিয়েই থাকা/সাজিয়েই থকা



## ক+ী=কী

কী=ভাৱবোধক

কীত=যতৰত ফুৰা/ফুৰুৱা

কীক্=যতৰত ফুৰাই চা

কীতৃ=যতৰত ফুৰাই থাক

কীৰী=নদীৰ পাক

কীবত=লগে-ভাগে ফুৰুৱা

কীকত=যতৰ ফুৰুৱা ঠাইত

কীবকা=লগত যতৰ ফুৰাইছিলো

আক্কী=মোমাই–দেউৰ

কীতীৰ=শেষত যতৰ ফুৰুৱা

আতকী=ককা–দেউতাৰ

আতৃক=কিবা এটা

কীবকৃতকা=যতৰ ফুৰুৱাত সহায়
কৰি চা

কীকা=যতৰত ফুৰালো

কীব=যতৰত ফুৰাওঁতে সহায় কৰা

কীক=যতৰ ফুৰুৱা ঠাই

কীৰা=কাষ/কাটি অনা

কীক্ত=যতৰত ফুৰাই চা

কীতৃত=যতৰ ফুৰাই থাকা

কীক্কা=যতৰত ফুৰাইছিলো

আৱকী=পুত্ৰৰ

বৃৰকী=ভাইৰ/ককাইৰ

কীবতকা=যতৰ ফুৰুৱাত সহায় কৰা

আঅ্কী=নিজৰ

কীক-কীকত=যতৰ ফুৰুৱা ঠায়ে ঠায়ে

কীতৃবতকা=যতৰ ফুৰুৱাত সহায় কৰিয়েই থাকা

## ত+ী=তী

তী=সৌ/পূবত

তীব=দঁতাল হাতী (মৰ্তা)

তীত=পানী বঢ়া

তীতৃ=পানী বাঢ়িয়ে থকা

তীবক=দঁতাল হাতী এটা

তীকত=পানী বঢ়া ঠাইত

তীক্ত=পানী বাঢ়ী চালে

তীআত=পানী বাঢ়িবলৈ আৰম্ভ কৰা

অতীৰ=শেষ পিয়ন

তীকা=পানী বাঢ়িছিল

তীক্=পানী বঢ়া

তীআ=বাঢ়ি অহা

তীৱকী=দঁতালটোৰ

তীবত=পানী বঢ়াত সহায়

তীতৃত=পানী বাঢ়ি থকা

তীতৃকা=পানী বাঢ়িয়ে আছিল

তীবাত=বেছিকৈ পানী বঢ়া

তত্তীৰ=শেষ পানী তোলা
ৰীতীৰ=শেষ কিনা
বাতীৰী=শেষ বছা
তীবতকা=পানী বঢ়াত সহায়ক হোৱা
আতীৰী-আতীৰী=অকলে অকলে
কত্তীৰ=শেষ খোজা

আতীৰী=অকলে/এজনে
বাতীৰ=শেষ বছা
আতীৰী=অকলে
কত্তীৰী=শেষ খোজা/বেচা
তীক-তীকত=পানী বঢ়া ঠায়ে ঠায়ে
ৰীতীৰী=শেষ কিনা

# অ+ ী=অী

অী=হয়/হব
অীক=কি/কিহক
অীৰা=দলিয়াই সুমুৱা

অীকক=কি/কিহক
অীতৱ=চাংঘৰৰ ধৰণী
অীবৰ=ওলমা/ওলমি যোৱা
অীক-অীকক=কি কি/কিহক কিহক

অীকা=হয়তো/হয়
অীক্=তেনে হলেও/হলেও
অীৰাত=দলিয়াই সুমুৱা
অীকৃকা=হলেও

অক্ক=কিবা/কিবা এটা
অীতীৰ=চাংঘৰৰ সঁজুলি
আঅ্ অী=নিজে-নিজে
অীক-অীক=কি কি

## আগম্ / বাক্য

ৰী তীব আক=সৌটো দঁতাল এটা
ব্ বুৰ আক=সি ভাই এজন।
ব্ তীব আৰী ককা=তেওঁ দঁতালৰ মূল্য খুজিছিল।
ত ব্ অ্ আ ককা=তাত সি বাহ বেচিছিল
তী অকক ?=সৌটো কি ?
ৰী অক আৰক ?=সৌটো কিহৰ পোৱালি ?
ব্ ব্ৰক=সি (মোৰ) ভাই এজন
ব্ অ্ আ আক ৰীকা=সি বাহ

ৰী তীব আৰক=সৌটো দঁতাল পোৱালি এটা।
ব্ অ্ আ আক ৰীকা=তেওঁ বাহ এডাল কিনিলে।
ব্ বুৰ আবুৰী=সি ভাইৰ মিতা।
ব্ কাৰী ৰীকা=সি মুকলিৰ চাং বাছিছিল।
ব্ ব অ্ আ বাকা=সি তাত বাহ সাজিছিল।
তী-তীবক=সৌটো দঁতাল এটা।
ৰী তীব আৰক=সৌটো দঁতালৰ পোৱালি।
ব্ অকক ?=সি (তোমাৰ) কি হয় ?
ব্ অক ৰীকা ?=সি কি কিনিলে ?
ব্ অক আৰী ককা=সি কিহৰ দাম খুজিলে ?



এডাল কিনিলে।
ব ব্ অক ৰীকা ?=সি তাত কি সাজিলে ?
ব্ ত অক ককা ?=সি তাত কি বিক্ৰী কৰিছিল ?
ব ব্ অ্ আ বাকা=সি তাত বাহ বাছিছিল।
অী, ব্ কাৰী ৰীবকা=হয়, সি চাং সজাত সহায় কৰিছিলে।
অী, তীব আৰক অত=হয়, দঁতাল (মতা) পোৱালি জগিলে।
ব্ আতক=তেওঁ (মোৰ) ককা।
ব্ আৰক=সি পুতেক।
ব্ আক্ আক্ক=তেওঁ মোমাই হয়।
ব্ আঅ্ অ্ৰক=সি নিজৰ ভাগিন।
তী অ্ আ কাৰীক=সৌটো বাহৰ চাং
ৰী তাৰীক=সৌটো ঘা।
ব্ ৰবৰ অীৰাত=সি ৰবৰ দলিয়াই ভৰালে।
তী তাক্ক=সৌটো কেৰ্কেটুৱা এটা।

ব্ অকক ?=তেওঁ (তোমাৰ) কি হয় ?
ব্ আঅ্ কী আতক=তেওঁ নিজৰ ককাদেউতা।
ব্ ব্ৰকী আৰক=সি ভাইৰ পুতেক।
অী ! ব্ আঅ্ আক্ অ্ৰক=হয় নিজৰ মামাৰ ফালৰ ভাগিন।
তী অ্ আ অীতীৰী=সৌটো বাহৰ ধৰণী।
অী ! তীলী অ্ আ কাৰীক=হয়, সৌটো বাহৰ চাং।

ব্ তীব আৰী ককা ?=সি দঁতালৰ দাম খুজিলে।
ব্ ব অ্ আ কাৰী ৰীকা=সি তাত বাহৰ চাং সাজিলে।
তব্ অ্ আ ককা=সি তাত বাহ বিক্ৰী কৰিছিল।
ব্ ব অক বাকা ?=সি তাত কি বাছিছিল ?
ব্ কাৰী ৰীবকা ?=সি চাং সজাত সহায় কৰিছিল ?
আবী ! তীব আৰ অত ?=বা ! দঁতাল পোৱালি জগিলে ?
ব্ অক বাকৰ ৰীকা ?=সি কি বাথৰ কিনিলে ?
ব্ আৰ ৰাকৰ ৰীকা=সি সচা (প্ৰকৃত) বাথৰ কিনিলে।
ব্ ব্ৰক=সি ভাই
ব্ ব্ৰ আৰক=সি ভাইৰ পুতেক।
তী অীতীৰক=সৌটো চাঙৰ ধৰণী।
ব্ ৰবৰক ৰীবকা=সি ৰবৰ কিনাত সহায় কৰিলে।
ব্ তাব্ক ৰকা=সি সাপ (মাৰিবলৈ) থাগ লৈছিল।
ব্ তীব আৰক ৰীকা=সি দঁতাল পোৱালি এটা কিনিলে।

ব্ অক ব্ৰক ?=সি (কোন ফালৰ) কি ভাই হয় ?
ব্ আঅ্ কী ব্ৰক=সি সহোদৰ ভাই।
ব্ অক আৰক ?=সি (কোন ফালৰ) কাৰ পুতেক ?
ব্ অ্ৰক ?=সি কি ভাগিন হয় ?
তী অক অীতীৰী ?=সৌটো কিহৰ ধৰণী ?
তী অক কাৰীক ?=সৌটো কিহৰ চাং ?
ব্ অকক ৰীবকা ?=সি কি কিনাত সহায় কৰিলে ?
ব্ ৰবৰক ৰীবকা=সি ৰবৰ কিনাত সহায় কৰিলে।

| | |
|---|---|
| বী ব় অকক ?=সৌটো কি ? | বীব় তাৰীক=সৌটো ঘা। |
| ব় অক ৰকা ?=সি কি খাপ লৈছিল ? | ব় তাব়ক ৰকা=সি সাপ ( মাৰিবলৈ ) খাপ লৈছিল। |
| ব় অকক অীৰাত ?=সি কি দলিয়াই সুমুৱালে ? | ব় ৰবৰক অীৰাত=সি ৰবৰ দলিয়াই সুমুৱালে। |
| | ব় অক আৱক ৰীকা ?=সি কি পোৱালি কিনিলে ? |
| ব় তীব আৱক ৰীকা=সি দ'তাল পোৱালি এটা কিনিলে। | বী অকক ?=সৌটো কি ? |
| | বী তাক়ক=সৌটো কেকে'টুৱা এটা। |
| ব় অক ব়ৰক ?=সি কি ( কোনফালৰ ) ভাই ? | ব় আঅ় আক় ব়ৰক=সি নিজৰ মামাৰ ভাই |
| | ব় আতীৰী অক ৰীকা ?=সি অকলে কি সাজিলে ? |
| ব় আতীৰী অ়আ কাৰী ৰীকা=সি অকলে বাহৰ চাং সাজি সাজিলে। | ব় অক কীত ?=সি কি বাটিলে/যতৰত ফুৰালে ? |
| | ব় ৰ়ব় আক কীকা=সি ৰছী এডাল পকালে। |
| কী ! অক ৰীত ?=হা ! কি কিনিলা ? | অী ! ব়ব়ক ৰীত=হয় ! ৰছী এডাল কিনিলো। |
| বী কৱাক=সৌটো কেঁচুৱা লৰা এটা। | আবা ! ক বক়ত=হা ! লৰাটো কোলাত লৈ চা। |
| কী ! অক ককা ?=কি ! কি বেচিছিলা ? | অী ! বাকৰ ককা=হয়, বাখৰ বেচিছিলো। |
| আবা ! ব় অক ক়কা ?=হা ! সি কি হিচাব কৰিছিল ? | অী ! ব় তাকাৰ ক়কা=হয় ! সি তৰা হিচাপ কৰিছিল। |
| ব় অীক-অীক ৰকা ?=সি কি কি খাপ লৈছিল ? | ব় তাব়, তাকা, তাকাৰ ৰকা=সি, সাপ, কেকে'টুৱা, নাহৰফুটুকী খাপ লৈছিল। |
| ব় অীক়-অীক়ক ৰীকা ?=সি কি কি কিনিছিলে। | ব় বাকৰ, ৰবৰ অ়আ ৰীকা=সি বাখৰ, ৰবৰ, বাহ কিনিছিলে। |
| কী ! ব় অক ৰত ?=বা/কি ! কি কোলাত ললে সি ? | অী ! ব় ক বত = হয় ! সি কেঁচুৱা ললে। |

—×—

# পনাম্–৬ / ষষ্ঠ পাঠ

( ৱগ্‌তুম্ আজ়গ্ কাংকিন্ / হলন্তৰ চিনাকি )

ব+ ্ = ব্ ৰ+ ্ = ৰ্ ক+ ্ = ক্ ত+ ্ = ত্

ৱ– অ– অ়– অী–

মিচিং ভাষাৰ কিছুমান শব্দত বিভক্তি সংযোগ হলে বৰ্গৰ প্ৰথম বৰ্ণটো একে বৰ্গৰ তৃতীয় বৰ্ণলৈ ৰূপান্তৰিত হয়, যেনে—ক>গ, ত>দ, প>ব ইত্যাদি।

এইদৰে—কত্=ছিৰা, কদ্ত=ছিৰা, কদ্কা=ছিৰিলো, কদ্তক্=ছিৰা (নিৰ্দ্দেশ), কদ্-তাক্=ছিৰিছো, কদ্কৃতক=ছিৰি চা, কদ্কৃতাক্ ছিৰি চাইছো ।

এই পাঠৰ সীমিত পদ্ধতিত প্ৰযোজ্য নহয় কাৰণে বহুত শব্দ দেখুৱাব পৰা নগল আৰু ইয়াত ৭ টা কৈ শব্দৰ ৰূপ দেখুৱাৰ লগত সাদৃশ্য থকা এই পদ্ধতিৰ অপৰিসীম শব্দবাজিৰো কিছু মাথোন ৩ টাকৈ সাদৃশ্য থকা শব্দৰ ৰূপ দেখুৱা হৈছে।

## ব্

কাব্=চাল চোৱা/কন্দা
কাব্কা=চাল চালো
কাব্তাক্=চাল চাইছো
কাব্কৃতাক্=চাল চাই পাইছো

কাব্ত=চাল চালে/চা
কাব্তক্=চাল চা (নিৰ্দ্দেশ)
কব্কৃতক্=চাল চাই চা

## ৰ্

আৰ্=জোকাৰা
আৰ্কা=জোকাৰিছিলো
আৰ্তাক্=জোকাৰিছো
আৰ্কৃতাক্=জোকাৰি চাইছো

আৰ্ত=জোকাৰা/জোকাৰ
আৰ্তক=জোকাৰা/জোকাৰ (নিৰ্দ্দেশ)
আৰ্কৃতক্=জোকাৰি চা

## ক্

কক্=কুকুৰাই ডাক্ দিয়া
কক্কা=ডাক্ দিছিল
কক্কৃকা=ডাক দি চাইছো
কক্কৃতাক=ডাক দি চাইছো

ককৃত=ডাক্ দিলে/ডাক দে
কক্ত=ডাক দিয়া/দে (নির্দ্দেশ)
কক্কৃতক্=ডাক দি চাছোন

## ত্

বত্=ডাঙৰ
বত্তাকা=ডাঙৰ হৈছিলো
বত্তাতাক্=ডাঙৰ হৈছো
বত্তাকৃতাক্=ডাঙৰ হৈ চাইছো

বত্তা=ডাঙৰ
বত্তাতক্=ডাঙৰ হোৱা/হ (নির্দ্দেশ)
বত্তাকৃতক্=ডাঙৰ হৈ চা

## ব্

বৰব্=কেঁচুৱা তুলি ধৰা/তোলা
বৰব্কা=তুলিলে
বাৰব্ক=এবাৰ বছা
কবতাক্=কাটিছো
কৰব্=এবাৰ বেচা/খোজা
কৃব্ত=লুকুৱা/গোপন কৰা
কৃৰব্ক=এবাৰ কটা
তৃব্কা=ফনিয়াইছিলো

বৰব্ত=তোলা
বাৰব্=এবাৰ বছা
কব্ত=কাটিলে/কাট
কব্তক্=কাট
কৰব্ক=এবাৰহে বেচা/খোজা
কৃৰব্=কুঠাৰেৰে এবাৰ কটা
তৃব্ত=চুলি ফনিয়ালে/খুছিলে

### আগ্ম / বাক্য

বৃ ক বৰব্ত=তাই কেঁচুৱাটো তুলিলে ।
বৃ বাকব্ বাৰব্ক বাকা=তেওঁ এবাব বাথৰ বাছিছিলে ।
ক ক বৃ বৰব্কা=কেঁচুৱা এটা তেওঁ বিছনাৰ পৰা তুলিছিল ।
বৃ কবক কব্ত=সি খকন্দ গছ কাটিলে ।



কৱা ! কব কব্তক্=হেৰ লৰা, খকন্দ গছ কাটা
বৃ অ্আ আৰী কৰব্ক কবকা=সি বাহৰ মূল্য এবাৰ লগত গৈ খুজিলে ।
বৃ তাবাব তৃব্ত=তাই ফনিৰে ফনিয়ালে ।
বৃ তাবাব তৃব্কা=তাই ফনি ফনিয়ালে ।
বৃ অ্আ কৰব্ক ককা=তেওঁ এবাৰ বাহ বেচিলে ।
বৃ আঅ্ঐ কৃব্ত=সি নিজেই কথাটো গোপন কৰিলে
বৃ কব কৃৰব্ক কৃত=সি খকন্দ গছ এবাৰ কুঠাৰেৰে কাটিলে ।

## ৰ্

বৰক=এচটা/চেপেটা বস্তুত
বৰ্তা=ডাঙৰ চটা
বাৰ্ব=লগত লৈ উঠা
কৰ্ত=খোজ দিয়া
কৰ্তক্=খোজ দে
কাৰ্ত=চাল বখলিয়া
কাৰ্তক্=চাল বখলিয়া
কাৰ্ত=বাহ কটা,গছ কটা
বৃৰ্ত=দবুৰ্ সকাম কৰা,মিতা পতা
বৃৰ্তাক্=দবুৰ্ কৰিছো,মিতা পাতিছো
ব্ৰ্ৰা=হেৰা ভাই
বীৰ্বক='বীৰ্ব' এজন,প্ৰতিদ্বন্দী এজন
বীৰ্ক=দৃষ্টিপাত কৰা ঠাই
বীৰ্কৃকা=দৃষ্টিপাত কৰিছিলো
কীৰ্কা=গছ কাটিছিলো
তৃৰ্ক=খৰি লোৱা ঠাই/টুকুৰা
তৃৰ্বত=টুকুৰা কৰাত সহায় কৰা
অৃৰ্কা=ধুৱালো
আৰ্ত=দলিয়া/দলি মাৰ
ঔৰ্তক্=দলিয়া, দলি মাৰ

আবৰ্ক=এচটা
বাৰ্ত=গছত উঠা/উঠিলে
বাৰ্কা=গছত বগাইছিলো
কৰ্কা=খোজ দিছিলো/খোজ দিছিলে
কৰ্ক-কৰ্কব=খোজত খোজ মিলাই
কাৰ্কা=চাল বখলিয়ালো/তৰা উদিত হৈছিল
কাৰ্কৃতাক্=বখলিয়াই চাইছো
কীৰ্কা=কাটিলো
বৃৰ্কা=সকাম কৰিলো,মিতা পাতিলো
ব্ৰ্ব=ভাই
বীৰ্ব=প্ৰতিদ্বন্দী একেটাকে পাবলৈ আশা কৰা দুজনৰ ইজনক সিজনৰ 'বীৰ্ব' বোলে
বীৰ্ত=দৃষ্টিপাত কৰ,কৰিলে
কীৰ্ত=গছ কাটিলো,কাট
কীৰ্বত=গছ কটাত সহায় কৰা,কৰ
তৃৰ্ত=ভাঙিলে/টুকুৰা কৰিলে
অৃৰ্ক=গা-ধুওৱা স্থান
অৃৰ্বত=ধুওৱাত সহায় কৰা
আৰ্কা=দলিয়ালে

## আগম্ / বাক্য

ব্ তক্তা আবৰ্ক বীকা=তেওঁ তক্তা এখন কিনিলে।

ব্ অ্আ বাৰ্ত=সি বাহ গছত বগালে।

ব্ ত অ্আ বীৰ্কা=সি তাত (পূবত) বাহ বগাইছিল।

ব্ ব কব বাবকূকা=সি তাত (পশ্চিমত) থকন্দ গছত বগাই চাইছিল।

ব্ তীব কব্ক-কব্কব কবকা=সি হাতীৰ খোজে-খোজে খোজ দিছিল।

কব্বা! কব্বব্-কব্বব্ক কব্ত=হেৰা লৰা! এখোজ-দুখোজকৈ খোজ দিয়া।

ব্ ক ক কব্বকা=সি লৰা এজন খোজ কৰাইছিল।

ব্ক্ কব্ক-কব্কব কব্ত=তাৰ খোজে-খোজে খোজ দিয়া/দে।

ক ব্ কব্ক-কব্কব কব্কূকা=লৰাটোৱে খোজত-খোজ মিলাই খোজ দি চাইছিল।

ক ব্ তাবী কাব্ত=লৰাটোৱে ঘা বথলিয়ালে।

কৰা! তী তাকাব্ কাব্ক=লৰা! সৌ ওপৰত তৰা ওলোৱা স্থান।

ক ব্ বাক্ব কাব্ত=লৰাটোৱে বাখৰ বথলিয়ালে।

ব্ অ্আ কীব্কা=সি বাহ কাটিছিলে।

ক ব্ অ্আ কীৰ্ত=লৰাটোৱে বাহ কাটিলে।

ব্ ব্ক্ ব্বক আব্ব্ ব্ব্ত=সি তাৰ ভায়েক এজনক মিতা পাতিলে।

ব্ আঅ্আী আব্ব্ ব্ব্কা=সি নিজেহে মিতা পাতিছিল।

ব্ ব্ক্ ব্ব্ব=সি তাৰ ভায়েক।

ব্ব্বা! বীৰ্বব্ক বীৰ্ত=হেৰা ভাই! এবাৰ দৃষ্টিপাত কৰ।

ব্ ব্ক্ বীব্ব=সি তাৰ প্ৰতিদ্বন্দী।

বীব্বক্ অ্আ কবকা=সি প্ৰতিদ্বন্দীজনৰ (কাৰণে) বাহ থুজিছিল।

ব্ বীব্ত=সি দৃষ্টিপাত কৰিলে।

তীবতী বীব্ববক্ বীব্কা=দঁতালটোৱে এবাৰ চালে।

কৰা! অ্আ কীব্ত=লৰা! বাহ কাটা।

ব্ অ্আ কীব্কা=সি বাহ কাটিছিলে।

ব্ ব অ্আ কীব্বকা=সি তাত বাহ কটাত সহায় কৰিছিল।

ব্ ত অক তূব্বকা?=সি তাত কি ভঙাত সহায় কৰিলে?



ব্ ত অ্আ তূব্বকা=সি তাত বাহ ভঙাত সহায় কৰিছিল।

কৰা! ত ক অ্ব্ক্ত অ্ব্ত=হেৰা লৰা! সৌ গা-ধুওৱা স্থানত গা-ধুওৱা।

ক ক ব্ অ্ব্কা=লৰা এজন তাই গা-ধুৱালে।

ব্ অকক আব্ত?=সি কিহক দলিয়ালে?

ব্ তাকাৰ্ক আব্ত=সি কেৰ্কেটুৱাক দলিয়ালে।

ব্ অক আব্বকা=সি কি দলিওৱাত সহায় কৰিলে।

ব্ তাব্ আক আব্বকা=সি সাপ এটা দলিওৱাত সহায় কৰিলে।

## ক্

বক্=পশ্চিমত/তাত/তাৰ

বক্কীকা=পশ্চিমৰ পৰাহে/তাৰ পৰাহে

বাতক্=বাছা

বূক্=তেওঁ/তাই / তাৰ

বূতক্=কেঁচুৱা বোকোচা বান্ধ

ব্কূতাক্=বোকোচা বান্ধি চাইছোঁ

বতাক্=জোপ লৈছোঁ/থাপ লৈছোঁ

বক্কক=পুৰা এবেলাহে

বাক্কত=ভাৰ বন্ধা স্থানত

কাতক্-কাবক্ক=দা-কটাৰী আদি

বীক্ত=দাঁতেৰে কামুৰিলে/কামোৰ

বীক্কা=কামুৰিছিল

তীক্কা=কাটিছিলো

তাক্কী=কেৰ্কেটুৱা

বক্কী=পশ্চিমৰ পৰা/তাৰ পৰা

বাক্ক=বছা ঠাই/বাছনি কৰা স্থান

কক্ক=বেচা ঠাই

বূক্কী=তেওঁৰ/তাইৰ/তাৰ

বূতাক্=বোকোচা বান্ধিছোঁ

বতক্=চিকাৰৰ জোপ লোৱা/থাপলৈ

ববতক্=ভাগে-ভাগে জোপ লোৱা

বাক্ত=ভাৰ বান্ধ

কাত্ক=কটাৰী

বীক্তাক্=কামুৰিছোঁ

তীক্ত=কটাৰীৰে কাটিলে/কাট

তীক্তাক=কাটিছোঁ

তাকাক্=খেকাৰ/কফ

## আগম্ / বাক্য

ব্ বক্কী=সি পশ্চিমৰ/পশ্চিমফালৰ মানুহ। ব্ বক্কী বাত=সি পশ্চিম ফালৰপৰা বাছিলে।

বী অ়আ বাক্ক-সৌ পশ্চিমত বাহ বছা ঠাই।

বক ব়ক ব়তাক্-এবেলা সি কেঁচুৰা বোকোচা বান্ধিছে।

ৰক্কক বৃ ৰতাক্-পুৰা এবেলাহে সি থাপ লৈছে।

বৃব বাৰ ৰাক্কব ৰাক্ত-সি সৌ ভাৰ বন্ধা ঠাইত ভাৰ বান্ধিলে।

তী তাক্কীৰীক্ত-সৌ ওপৰত কেৰ্কেটুৰাই কামুৰিলে।

বৃ কাতক্ তীক্কৃকা-সি কটাৰীখন কাটি চাইছিল।

বী তাকাক্ক-সৌখিনি থেকাৰ।

বাবাৰ্ ৰ়ক্কী আৱক-বাবা তেওঁৰে এজন লৰা!

বৃ ক বৃক্তাক্-সি কেঁচুৱা বান্ধি পাইছে।

বাবা! তাবৃ ৰতক্-বাবা, তুমি সাপটো মাৰিবলৈ থাপ লোৱা।

বৃ কাতক্ক ককা-সি কটাৰী এখন খুজিছিলে।

বৃ অ়আ তীক্কতক্ কাতক্-কাবক্ ককা-সি বাহ কটা ঠাইৰ পৰা কটাৰী আদি বিচাৰিছিল।

বৃ অ়আ তীক্কা-সি বাহ কাটিছিল।

## ত্

বত্তা-ডাঙৰ

বাত্ত-বমি কৰিলে/বমি কৰ

বত্ত-কাঢ়িলে/কাঢ়

বত্কৃতক্-কাঢ়ি চা

কত্কা-ছিৰিছিলো

বত্তাকী-ডাঙৰজনৰ

বাত্তাক্-বমি কৰিছো

বত্তাক্-কাঢ়িছো

কত্ত-ছিৰা/ছিৰিলে

কত্তাক্-ছিৰিছো

বৃ বত্তাকী বৃব্ব-সি ববডেকাৰ ভাই।

বী ক ক বাত্তাক্-সৌ তাত লৰা এটাই বমি কৰি থৈছে।

বৃ কাতক্ বত্কৃতাক-সি কটাৰী কাঢ়ি পাইছে।

বৃ অক কত্কা?-সি কি ছিৰিছিলে?

বত্তাকী অ়ৱ বাত্ত-ববডেকাৰ ভাগিনে বমি কৰিলে।

ক বৃ বৃক্ কাতক্ বত্ত-লৰাটোৱে তাৰ কটাৰী কাঢ়িলে।

—+—

# পনাম্-৭ / সপ্তম পাঠ

(লুয়াৰ্ আজৃগ কাংকিন্ / দীৰ্ঘ-স্বৰৰ চিনাকি)

ব + ঃ = বঃ, ৰ + ঃ = ৰঃ, ৱ + ঃ = ৱঃ, ক + ঃ = কঃ, ত + ঃ = তঃ

অ + ঃ = অঃ, আ + ঃ = আঃ, অৃ + ঃ = অৃঃ, আী + ঃ = আীঃ

গমুগ্ / শব্দ

বাঃব-বাবা/দেউতা

বাঃত-সাতোৰ/পোৰা

ৰঃক-পুৱা এবেলা

ৰাঃত-পানীত সিজোৱা

কঃত-নাৱেৰে পাৰ হোৱা

কাঃত-চোৱা

তঃত-বতাহত চাউল জৰা

তাঃতা-ককা

অঃত-পোহা

অঃকী-আইৰ

আঃত-নাৱত সোমা/শুকুৱা

আঃৰ-ধোৱা চাঙত শুকুৱা

অ়ঃত-ইতিবৃত্ত কোৱা

বৃঃকী-তেওঁৱেই

আীঃত-হাবি ফালি যোৱা

কীঃত-গছ কাটা

বাঃবা-দেউতা/পিতা

বাঃৰী-ভাৱ

ৰঃত-খুটি-খুটি গাঁত কৰা/পেট কটা

ৰাঃব-সিজোৱাত সহায় কৰা

কঃক-এজন লৰা

কাঃকা-মোমাই

তাঃত-ককা দেউতা

তীঃত-বাহ কটা

অঃক-কি/কিহক

অঃবৃ-আয়ে

আঃক-এটা

আঃতা-আঃবা-যেনে-তেনে শুকুৱা

অ়বী-আনন্দ

তৃঃত-পি খোৱা

বীঃত-সমস্বৰে/উচ্চস্বৰে কোৱা

বীঃত-সামগ্ৰী ধোৱা

## আগম /বাক্য

বাঃবা ! বুকী বাঃত-দেউতা ! সিয়ে (জুইত) পৰিলে।

বী অ্ আ বাঃবী-সৌটো বাহৰ ভাৰ।

বু ৰঃক বাঃত-সি পুৱা এবেলা সিজালে।

বাঃবা ব্ঃকী কীঃত-দেউতা সিয়ে দেখিলে।

ব্ ৰকত তঃত-তাই তাত পুৱাবেলা (চাউল) জাৰিলে।

বাঃবা তীবক অঃত-দেউতা দঁতাল এটা পোহা।

কাঃকুব্ তীব আৰক অঃত-মোমায়ে দঁতাল পোৱালি এটা পুহিলে।

কাঃকা ত আঃত-মামা তাত (মোৰত) সোমা।

ব্ আঃববক আঃত-তাই এবাৰে (ধোৱা চাউত) শুকুৱালে।

ব্ আঃতা-আঃৰাকা-সি যেনে তেনে গোটাই শুকুৱা-ভজা কৰিলে।

তাঃতা ! অ্ঃত-আতা ! গোত্ৰৰ কাহিনীটো কোৱা।

ব্ তাঃতকী অ্ আ কীঃত-সি ককাৰ বাহ কাটিলে।

ব্ অ্ আ কীঃত-সি বাহ কাটিলে।

আী, ব্ আঅ্ ব্বক-হয়, সি নিজৰে ভাই।

ব্ ত্ঃববক ত্ঃত-সি এবাৰে (পানী) খালে (পি খালে)।

তাঃতা ! তী অ্ঃবী-ককা ! তাত বৰ আনন্দ।

ত তীবব্ আঁঃত-তাত দঁতালটোৱে গছকিলে।

অঃব্ বীঃত-আয়ে ধুলে।

ত ব্ অঃক কাঃত ?-সি তাত কি (কিহক) দেখিলে ?

ব্ ত আঅ্ অ্ৱক কাঃত-সি তাত নিজৰ ভাগিনক দেখিলে।

বুৰবুত বাঃত-ভাইটিয়ে তাত সাঁতুৰিলে।

বুকী কব্ বঃত-সিয়ে থুকন্দৰ (কাঠটো নাৱলৈ) পেটৈ কাটিলে।

ৰক বু্ ত কঃত-এদিন সি তাত (নাৱেৰে) পাৰ হ'ল।

কাঃকা ! বী তীববী কাঃব-মামা সৌ দঁতালটো দেখিবলৈ ধুনীয়া।

তাঃতব্ অ্ আ তীঃত-ককাই বাহ কাটিলে।

কাঃকুব্ অক অঃত ?-মোমায়ে কি পুহিলে ?

ব্ অক কাঃত ?-সি কি দেখিলে ?

ব্ তীব আক কাঃত-সি দতাঁল এটা দেখিলে।

ৰক ব্ ত বাঃত-এবেলা সি তাত সাঁতুৰিলে।

ব্ আবাক আঃত-তাই সবহকৈ (ধান) শুকুৱালে।

অঃক ব্ ৰীকা ?-কি সি কৰিলে ?

ব্ কাৰী আঁতব অ্ আ ৰীকা-সি চাং সজা ধৰণী বাহ কিনিলে।

ব্ অক কীঃত ?-সি কি কাটিলে ?

কাঃকা ! ব্ আঅ্ ব্বক ?-মামা ! সি নিজৰ ভাইনে ?

তাঃতব্ আবাক ত্ঃত-ককাদেউতাই সবহকৈ খালে (পানী পি খালে)।

ত অক আঁঃত ?-তাত কিহে হাবি গছকিলে ?

তাঃতা ! ত ৰীঃবত-ককা ! সমস্বৰে ধ্বনি দিয়া।

তাঃতা, কাঃকা, বাঃবা আবাক ৰীঃত-আতা, মামা, বাবা সবহকৈ আশীৰ্ব্বাদ দিয়া।



অঃব্ ত অকক কাঃত ?-আয়ে তাত কি দেখিলে ?

ব্ অক তীঃত ?-সি কি কাটিলে ?

ব্ ত অ্ আ তীঃত-সি তাত বাহ কাটিলে।

কঃব্ আঅ্ আতক কাঃত-লৰাই নিজৰ ককাক দেখিলে ?

কঃব্ অক বীঃবত ?-লৰাই কি ধোৱাত সহায় কৰিলে ?

ব্ অঃকী বাঃব-তেওঁ আইৰ দেউতাক।

অঃব্ ত কঃক কাঃত-আয়ে তাত লৰা এজন দেখিলে।

কঃব্ অক কাঃত ?-লৰাই কি দেখিলে ?

ব্ অক তাৰীক কাঃত ?-সি কিহৰ ঘা দেখিলে ?

ব্ তীব তাৰীক কাঃত-সি দঁতালৰ ঘা দেখিলে।

কঃব্ তীব বীঃবত-লৰাই হাতীটো ধুউৱাত সহায় কৰিলে।

# পনাম্-৮ / অষ্টম পাঠ

## [ আৱগ্ কাংকিন্ / আখৰ চিনাকি ]

## ন ল গ গ য় ম

### ন

**গমুগ্ / শব্দ**

| | |
|---|---|
| ন=তুমি/আপুনি/তাই/তই | নব=মিচিঙৰ উপাধি |
| নৱা=তুমিয়েনে | নককী=তোমাৰ/তোৰ |
| নঃব্=তুমিয়ে | নৰকী=নবৰ |
| নঃকা=তুমি একা/তুমিও | নবব্=নবই |
| নঃত=জন্তুক মতা | নবমী=নবক |

**আগম্ / বাক্য**

ন ব্ক্কলক্ অক্ক্ম ককান্ ?=তুমি তেওঁৰ পৰা কি খুজিছিলা ?
গঃৱীম্ আল্ গ্নাপী ককা=হাল বাবলৈ গৰু খুজিছিলো।
নৱা নবমী মাকান্ ?=তুমিয়ে নবক্ বিচাৰিছিলানে ?
অঁা, ব্ নবমী মাকা=হয়, সি নবক্ বিচাৰিছিল।
ব্ নক্কীপী অক্কন্ ?=তেওঁ তোমাৰ কি হয় ?
ব্ নবকীপী আঅ্কী আক্কী=তেওঁ নবৰ নিজৰ মোমায়েক।
নঃকা ব্ক্কীপী অক্কন্ ?=তুমি একা তেওঁৰ কি হোৱা ?
ব্ক্কীপী আত পীনামী=তেওঁৰ ককা সম্পৰ্কীয়।
নঃব্ ব্ম্ অকপ্ গগ্পীনাম্মীন্ ?=তুমি তেওঁক সম্বন্ধত কি বুলি মাতিব লাগে ?
ব্ম্ কাঃকী অীম্লা গগ্ কাঃমী=তেওঁক সম্বন্ধত মোমাই বুলি মাতিব লাগে।



অীম্ম্ল্ আয়নী আগমী=তেনেহলে ভাল কথা।
ন পৰগ্ক নঃত, বাঃলাপী ?=তুমি কুকুৰা এটা মাতা, পুৰিম ?
মা, পৰগ্ নঃনাম্ নঃলামা=নহয়, কুকুৰা মতাৰ মাত নাজানো।
মা, মা, নঃঅ্ নঃত=নাই, নাই তুমিয়ে কুকুৰাটো মাতা !
ব্ঃকা নক্কীপী অক্কন্ ?=তেওঁ তোমাৰ কি হয় ?
ব্ক্কীপী মাগ্ব=তেওঁৰ ভিনিহিয়েক।
তাঃত নবব্ নক্কীপী অক্কন্ ?=আতা নৰ তোমাৰ কি হয় ?
আঅ্কী য়িগ্গ=নিজৰ খুলশালি।
অীম্মূল আয়পী আয়নামী=তেনেহলে ভালৰে কথা।

### ল্

**গমুগ্ / শব্দ**

| | |
|---|---|
| লত=ব'দত মেলি দিয়া | লবৰ=ৰবৰ |
| লাৱৰ্=উজ্জ্বল/পৰিষ্কাৰ | লাঃত=লোৱা |
| লুঃনী=ৰঙা | লাৰ্নী=খৰতকীয়া |
| ককল=বেঁচিবলৈ/খুজিবলৈ | আল=নিমখ |
| আল্=হাল | ৰবলী=বৰলে |
| অলপী=ডালৈ | ৰীলাঃপী=কিনিব পাৰিম |
| মীন্কল=খেদিবলৈ | লাৰ্নীক=খৰতকীয়া চাই |
| গ্লা=গৈ | আলাগী=হাত/হাতেই |
| গগ্লা=মাতি | আল্ল=নিমখ |

**আগম্ / বাক্য**

ন অকল আম্ লতন্ ?=তুমি ক'ত ধান মেলিলা ? অীলী লত্তীলী লত=সৌ চোতালত মেলিলো।

বৃ অক্ কম্ ৰীলা লাঃতন্ ?–সি কি কিনি আনিলে ?

ন পৰগ্ আপ্ ৰীলাপীন্ ? = তুমি কুকুৰা কণী কিনিব পাৰিবানে ?

ঔম্ মূল লাৱৰ্-লাৱৰ্ নীম্ কাঃলা ৰীত=তেনে হলে পৰিষ্কাৰ পৰিষ্কাৰ চাই কিনা।

অঃব্ লূনী পৰগীম্ ৰীকা=মাই ৰঙা কুকুৰা কিনিলে।

অঃন ! অক্ কম্ কাঃলা ৰীপী ?=আই ! কি চাই কিনিবা ?

কঃন, অককম্ ৰীকল্ গূকান ?=লৰা, তুমি কি কিনিবলৈ গৈছিলা ?

পৰগ্ ককল অলপী গূকা=কুকুৰা বিক্ৰী কৰিবলৈ তালৈ গৈছিলো।

তাপাল্ ন আল্ গূকল্ গূপীন্ ?=হেৰা তাপাল, তুমি হাল বাবলৈ যাবানে ?

নম্ ববলী কাপী পীতন্ ?=তোমাক কেনেকৈ ববলে ডাকিলে ।

কাপী মক্ আলাগী তাৰীকান্ ?=কেনেকৈ তোমাৰ হাতত ঘা হ'ল।

ঔম্ মূল্ কাপী আৰূগ্ মকান্ ?=তেনেহলে কেনেকৈ খেতি কৰিলা/কৰিছিলা ?

ব্ লবব্ আক ৰীমা লাঃত=সি ববৰ এডাল কিনিললে ।

ঔ, পৰগ্ আপূ ৰীলাপী=হয়, কুকুৰা কণী কিনিব পাৰিম।

নৰ্ক অঃব্ অক পৰগীম্ ৰীকান্ ? = তোমাৰ ম্যাৰাই কি কুকুৰা কিনিলে ?

লাৱ্ নী-লাৱ্ নীম্ কাঃলা ৰীপী=খৰতকীয়া খৰতকীয়া (কুকুৰা) চাই কিনিম।

ব্ আল ৰীকল গূকা=সি নিমখ কিনিবলৈ গৈছিল।

গাঃমা ! ন অকলপী গূকান্ ?=গাম, তুমি কলৈ গৈছিলা ?

গাঃমা ! ঔম্ মূল্ আয়পী আয়নী আগমী=গাম, তেনেহলে খুব ভালৰে কথা।

ঔ, আল্ গূকল্ গূপী=হয় হাল বাবলৈ যাম।

গঃৰীম্ মীন্ কল গূলা ববলী পীত=গৰু খেদিবলৈ যাওঁতে ববলে ডাকিলে।

ববলী পীলা আলাগী তাৰীকা=ববলে ডাকি হাতত ঘা হ'ল।

ব্ গূব গগ্ লা আৰূগ্ মকা=সাউৰি দি মাতিত খেতি কৰিলো/কৰিছিলো।

## গ্

### গমুগ্ / শব্দ

গঃত=জীৱ-জন্তু আগচা

গগ্ ত=মানুহ মাতা

গঃৰী=গৰু

গূকা=গৈছিলো

গূত=বলা/হাল বোৱা/বালো

আৰূগ্=খেতিৰ পথাৰ/খেতি

গাকৃৰ=গাখীৰ

ৰগ্ নী=মাইকী কুকুৰা

পৰগ্=কুকুৰা

ৰগ্ প=মতা কুকুৰা

গঃৰীম্=গৰুক

গীত=পিন্ধা/দলিওৱা

গীপীন্=পিন্ধিবানে/দলিয়াবানে

গীপী=পিন্ধিম/দলিয়াম

### আগম্ / বাক্য

ন অক্কম্ গঃতন্ ?=তুমি কি খেদিলা ?

ন অকল গূকান্ ?=তুমি কলৈ গৈছিলা ?

ন আম্ আৰূগ্ পী গূপীন্ ?=তুমি ধাননি পথাৰলৈ যাবানে ?

বৃম্ ন গক্ তন্ ?=তেওঁক তুমি মাতিলানে ?

ন বৃম্ গঃৰীম্ গঃবতন্ ?=তুমি তাক গৰু খেদাত সহায় কৰিলানে ?

বৃ অক গঃৰীম্ ৰীতন্ ?=তেওঁ কি গৰু কিনিলে ?

গাকৃৰ্-কানী গঃৰীম্ ৰীত=গাখীৰ থকা গৰু কিনিলে।

ন্ ৰগ্ নী পৰগ্ অঃতন্ ?=তুমি মাইকী কুকুৰা পুহিলানে ?

ন অক পৰগ্ ৰীতন্ ?=তুমি কি কুকুৰা কিনিলা ?

বৃ ৰগ্ প পৰগ্ ৰীত=সি মতা কুকুৰা কিনিলে।

বৃ গাপা আবিৰ্ ক গীত=সি গাপা কাপোৰ এখন পিন্ধিলে।

মন্ বৰা ! ন আৰূগ্ মতন্ ?=মনবৰ ! তুমি খেতি কৰিলানে ?

তাক্ কীম্ গীত=কেৰ্কেটুৱা (কেৰ্কেটুৱাক) দলিয়ালো।

মা, তাকুৰ্ তীম্ গীমা=নাই, নাহৰফুটুকীটোক নদলিয়াও।

ঔ, তাবৃগীলীম্ গীপী=হয়, সাপটোলৈ দলিয়াম।

গঃৰীম্ গঃত=গৰু খেদিলো।

গঃৰীম্ ৰীকল গূকা=গৰু কিনিবলৈ গৈছিলো।

ঔ, আম্ আৰূগ্ পী গূপী=হয়, ধাননি পথাৰলৈ যাম।

ঔ, বৃম্ লীক গূকীত=হয়, এবাৰ তাক মাতিছিলো/মাতিলো।

ঔ, বৃম গঃৰীম্ গঃবত=হয়, গৰু খেদাত তাক সহায় কৰিলো।

বৃ অক গঃৰীম্ কতন্ ?=সি কি গৰু বেচিলে ?

বৃ আল গূনাম্ গঃৰীম্ আক কত=সি হালবোৱা গৰু এটা বেচিলে।

ঔ, ৰগ্ নী পৰগীম্ অঃত=হয়, মাইকী কুকুৰা পুহিলো।

ন অক গীতন্ ?=তুমি কি পিন্ধিলা ?

নঃ কা গাপা গীপীন্ ?=তুমি একা গাপা পিন্ধিবানে ?

মা, গীমা=নাই, নিপিন্ধো।

ঔ, আম্ আৰূগ্ মকা=হয়, ধানৰ খেতি কৰিলো।

ন অক্ কম্ গীতন্ ?=তুমি কি দলিয়ালা ?

মীমাল্ ন তাকাৰ্ তীম্ গীপীন্ ? = মীমাল তুমি নাহৰ ফুটুকীটোক দলিয়াবানে ?

ন তী তাবৃতীলীম্ গীপীন্ ? তুমি সৌ সাপটোলৈ দলিয়াবানে ?

# প্

## গমুগ / শব্দ

পকল=পড়িবলৈ / খৰাহি-চালনী ববলৈ
পাৱ=মিচিঙৰ উপাধি
আপ্=কণী
পঃল=জোন
পীতৃৰ্=কুকুৰ পোহাৰ সজা
পীত=বিন্ধিলে/ডাকিলে
পীকা=পতঙ্গই বিন্ধা
পীমত=পতঙ্গক বিন্ধিবলৈ দিয়া
তলপী=তালৈ (পূবফালে)
অলপী=তালৈ (সিফালে)

প ত=পঢ়/বেৰবলে
পাত=কাটিলে/কাট
পীবাব্=ধোৱা চাং
পীয়=নিবিন্ধিবা/নাডাকিবা
পীময়=বিন্ধিবলৈ নিদিবা/ডাকিবলৈ নিদিবা
পীকল=বিন্ধিবলৈ
পীকত=বিন্ধা ঠাইত
অকলপী=কলৈ
বলপী=তালৈ (পশ্চিমফালে)
য়ালপী=ছায়ালৈ

## আগম্/বাক্য

ন অকলপী গ্কান্ ?=তুমি কলৈ গৈছিলা ?
ন বৃ পতন্ ?=তুমি পঢ়িলানে ?
পাৱন, অকল গ্পীন্ ?=পাৱ, তুমি কলৈ যাবা ?
ন অক্কম্ পাতন্ ?=তুমি কি(কিহক) কাটিলা ?
ন অক আপ্পীম্ বীকান্ ?=তুমি কি কণী কিনিছিলা ?
অী, পঃল কাৰ্নীম্ কাঃত=হয়, ন-জোন উদয় হোৱা দেখিলো।
অী, পৰগ্ অীঃনাপী-পীতৃৰ্ আক পত=হয়, কুকুৰা পুহিবৰ কাৰণে সজা এটা সাজিলো।
বৃম্ ববলী পীত=তাক ববলে ডাকিলে।

পকল গ্কা=পঢ়িবলৈ গৈছিলো।
অী, পত=হয়, পঢ়িলো।
পকল গ্পী=পঢ়িবলৈ যাম।
অী, অ্আ পাত=হয়, বাহ কাটিলো।
পৰগ্ আপ্পীম্ বীকা=কুকুৰা কণী কিনিছিলো।
ন পঃল কাৰ্নীম্ কাঃতন্ ?=তুমি ন-জোন দেখিলানে ?
পৰগ্ অঃনাপী ন পীতৃৰ্ পতন্ ?=কুকুৰা পুহিবলৈ তুমি সজা সাজিলানে ?
বৃম্ অক্ক পীতন্ ?=তাক কিহে ডাকিলে ?
ন বৃম কাপী ববল্ পীমতন্=তুমি তাক কেনেকৈ ববলে বিন্ধিবলৈ দিলা ?



মা, বৃ আঅ্অী পীমত=নহয়, সি নিজে বিন্ধিবলৈ দিছে।
অী, বৃম্পীকৃতাগ্=হয়, তাক বিন্ধি পাইছে।
ববল কাকত গ্গাল বৃম পীত=ববল থকা ঠাইলৈ গৈছিল কাৰণে তাক বিন্ধিলে।
আৰপী, পীয় অীম্লামা=সচাকৈ, নিবিন্ধিবা বুলি কব নোৱাৰি।
মা, বৃ আঅ্অী গ্কা=নহয়, সি নিজে গৈছিল।
ববল পীকত বৃম্ গ্বয়=ববল বিন্ধা ঠাইত তাক নিনিবা।
অীলী বত্তান্ মীবাম্ পীবাবীলী আঃলৃগ্তাগ্=সৌ ডাঙৰ জুপালৰ ধোৱা চাঙত শুকুৱাইছো।
ন বলপী গ্পীন ?=তুমি তালৈ যাবানে (পশ্চিমফালে) ?
অীলীনা বৃম্ গ্বতাগ্=সৌৱা তাক লগ আনিছো ?

অীম্মৃল, বৃম ববলী লীক পীকৃতাগ্=তেনেহলে, তাক ববলে এবাৰ বিন্ধি পাইছে ?
কাপী বৃম ববলী পীত ?=কেনেকৈ তাক ববলে বিন্ধিলে ?
ববলীম্বা কাপী পীয় অীম্পী ?=ববলক বা কেনেকৈ নিবিন্ধিবা বুলি কম ?
বৃম্ নঃআ ববল কাকত গ্বকান্ ?=তাক তুমিয়ে ববল থকা ঠাইলৈ নিছিলানে ?
ন অক পীবাব্ল আম্ আঃলৃগ্তন্ ?=তুমি কোন ধোৱা চাঙত ধান শুকুৱাইছা ?
ন অকলপী গৃকা ?=তুমি কলৈ গৈছিলা ?
তলপী গৃকা=তালৈ গৈছিলো (পূবফালে)।
মা, অলপী গ্পী=নাই নাযাওঁ, সিফালেহে যাম।
নক্ আতায় গগন্বৃ অকলন্ ?=তোমাৰ বন্ধু গগণ ক'ত ?

গগণা নম্ কন্ন য়ালপী লীক কাঃতায়=গগণ তোমাক পৰহি ছায়াৰ দৰে এবাৰ দেখা পাইছিলো।

# য়্

## গমুগ্ / শব্দ

য়=ভাৱবোধক শব্দ
য়ঃ=মা/আই
য়াকা=কলা/হাবি কটা
য়াত=হাবি কাটিলে
য়াপা=চেৰি
ময়=নকৰিবা
কয় = নুখুজিবা / নেবেচিবা
আয় = আইতা / নাভাজিবা

য়ৱা=মুকলি চাং
ৰীয়=নিকিনিবা/চাং নাসাজিবা
য়ামা=হাবি নাকাটো
য়াঃয়=আইতা/বুঢ়ী আই
য়ায়=হাবি নাকাটিবা
কাঃয়=নাচাবা
কায় = জন্ম নিদিবা
কায়্-কায়্ = আহা-আহা

মায় = নিবিচাৰিবা

য়াল = জীৱ / আত্মা / ছাঁয়া

কাবয় = নাকান্দিবা/চাল নাচাবা

কময় = খুজিবলৈ নিদিবা / বেচিবলৈ নিদিবা

ককায় = খোজোগে আহা / খোজোগে আহা

কাঃময় = চাবলৈ নিদিবা

কাঃকয় = সৰু মামা

কাঃপায়ী = চাবলৈ পাবা

মাঃয় = হাত নেমেলিবা

য়াঃ নী = গোলা / ঘোলা

কপয় = নুখুজিলাছেঁতেন

কবয় = লগে ভাগে গৈ নুখুজিবা

কাব্ ময় = কান্দিবলৈ নিদিবা

কাঃপামায়ী = দেখিবলৈ নাপাবা

কাঃপাপীমা = চাবলৈ নাপাবা

## আগম / বাক্য

ন য়াপা মলাপীন্ ? = তুমি ফুল-চেৰি বনাব পাৰিবানে ?

ন আবৃগ্ মপীকলম্ য়াতন্ ?=তুমি খেতি কৰিব লগা ঠাইখিনিৰ হাবি কাটিলানে ?

আঁ, পৰগ্ বক্ প-ৰগ্‌নীক লাঃ তাগ্=হয়, মতা-মাইকী কুকুৰা এযোৰ আনিছো।

আঁ, য়াল গগ্‌নাপী লুঃনী ৰগ্‌পকলা-ৰগ্‌নীক্ লাঃপীনাম্‌মী ?=হয়, চকুখোৱা জীৱ মাতিবলৈ ৰঙা মতা আৰু মাইকী আনিব লাগে।

আঁ, আঁম্‌মূল আকুয়াল্‌লম্ গুগাবপামা=হয়, তেনেহলে মামাৰ ছাঁয়া গচকিব নাপায়

আঁ, য়ৰা ৰীবকল গুপী=হয়, চাং সাজি দিবলৈ যাম।

মা, য়াঃনী আপ্‌পীম্ ৰীমা=নাই ঘোলা কণী নিকিনো।

মা, য়াকানী গঃ ৰীম্ ৰীমা=নাই কলা ৰঙৰ গৰু নিকিনো

মা, য়াপা মলায়া = নাই, মই ফুল-চেৰি বনাব নোৱাৰোঁ।

আঁ, বক য়াকা = হয়, এবেলা হাবি কাটিছিলো।

নক য়াব্ গুনাম্ লীগাপী পৰগীম্ লাঃতন্ ?=তোমাৰ চকুখোৱাৰ কাৰণে কুকুৰা আনিলানে ?

তাঃতা, অক্‌কম্ লাঃপীনাম্‌মান্ ? = ককা, কি (কুকুৰা) আনিব লাগিছিল ?

আঁলী কাঃক্‌কী য়াল্‌লন্ ?=সেইটো মামাৰ ছাঁয়ানে ?

নৰনঃ য়ৰা ৰীবকল গুপীন্ ?=নৰ, তুমি চাং সজাত সহায় কৰিবলৈ যাবানে ?

ন য়াঃনী আপ্‌পীম্ ৰীপীন্ ?=তুমি ঘোলা কণী কিনিবানে ?

ন য়াকানী গঃৰীম্ ৰীপীন্ ?=তুমি কলা ৰঙৰ গৰু কিনিবানে ?

তীলীম্ বৃ য়াকান্ ?=সেইখিনি (হাবিটো) সি কাটিলেনে ?



মা, বৃ তীলীম্ য়াতমা=নাই সি সেইখিনি (হাবি) নাকাটিলে।

আঁ, কাৰী ৰীলাপী=হয়, মুকলি চাং সাজিব পাৰিম।

মা, বৃম্ আঅ্‌আঁ মাতমা=নাই মই নিজে তাক নিবিচাৰিলো।

মা, আঁলীম্ কঃৱীম্ কাঃময়=নাই, সেইটো লৰাক নেদেখুৱাবা।

গাকুৰ্ তৃঃনাম্ লীগাপী কাব্‌কা=গাখীৰ খোৱাৰ কাৰণে কান্দিছিল।

য়াঃয়া ! তল কাঃপামাঃয়ী=আইতা, তাত তাক দেখিবলৈ নাপাবা।

বৃ অক্‌কম কাঃলা কাব্‌কান্ ?=সি কিহক চাই (ভয়ত) কান্দিলে ?

ন, আঁলীম্ কাঃলা-কাঃলা গৃয়ক্=তুমি এইটো সেইটো চাই চাই নাযাবা।

ন বৃক্‌কলক্ পৰগ্ আৰৌ ককায়্-কমায়্ ?=তুমি তাৰ পৰা কুকুৰাৰ দাম খুজিছিলানে নাই ?

আঁম্‌মূল ন বৃক্‌কলক্ পৰগ্ আৰী লাঃ-পীয়্ ?=তেনেহলে তুমি তাৰ পৰা কুকুৰাৰ মূল্য লবানেকি ?

কাঃ নাম্‌পী = যেনে দেখিছা তেনে আছো।

মা, বৃ আগম্ কানী কৰ্মী=নহয় সি কামত অহা ল'ৰা।

পাৰন, কাৰী ৰীলাপীন্ ?=পাৰ, তুমি মুকলি চাং সাজিব পাৰিবানে ?

ন বৃম্ আঅ্‌আঁ মাস্কান্ ?=তুমি নিজে তাক বিচাৰিছিলানে ?

আঁলীম্ কঃৱীম্ কাঃমপীন্ ?=সেটো ল'ৰাক দেখুৱাবানে ?

য়াঃয়া ! অক লীগাপী কঃৱী কাবকান ?=আইতা, কি কাৰণে লৰাটো কান্দিছিল ?

তল আৱমী কাঃপাঃয়ীন্ ?=তাত পুত্ৰক দেখিবলৈ পামনে ?

ব্ তীম্ কাঃপাপীন্ ?=সি সেইটো চাব পায়নে ?

মা, ন কাঃপামা, কাঃয়=নাই তুমি চাব নাপায়, নাচাবা।

ব্ আঁলীম্ কাঃপাঃলা কাব্‌কা=সি সেইটো দেখি (ভয়ত) কান্দিলে।

কায়্-কায়্, লম্‌লা গুত=আহা-আহা নাচাবা সোন-কালে আহা।

মা, বৃক্‌কলক্ পৰগ্ আৰী কমা=নাই তাৰ পৰা কুকুৰাৰ মূল্য খোজা নাই।

ব্ আঅ্‌কী, বৃক্‌কলক্ পৰগ্ আৰী লাঃমা=সি নিজৰ, তাৰ পৰা কুকুৰাৰ দাম নলওঁ।

য়াঃয়া, কাপী ?=আইতা কেনে আছা ?

য় ! ন ক ন আগম্‌মান্ ক ক=হে ! তুমি কামত নহা ল'ৰা।

# ম

## গমুগ্ / শব্দ

মত = বনা / কৰা

মাঃত = হাত মেলা

বৃম = তেওঁক / তাইক / তাক
আম্ = ধান
মকুন্ = কৰিবলৈ
মাকৃত = বিচাৰি চা
আমান্ = এনেই/মূল্যহীন
আমত = কেৰাহিত গৰম কৰা / ভজা
আমঃত=মাটিত (তলত)
মৃমৃবৃৰ = গাভৰু/জীয়ৰী
মামৃল = বিচাৰিলে
আমৃন্ = খুদ চাউল
তামাগ্ = চেঁওগছ
আগম্ = কথা/ভাষা/বাক্য
পৃমান্ = পানী চালি ধেমালি কৰা
কমান্ = মিচিঙৰ উপাধি

মাত = বিচৰা
মায় = নিবিচাৰিবা
বৃমা = তেওঁ কোন / তাই কোন / তাকেনে
মাকান্ = বিচাৰিছিলানে
মামান্ = নিবিচৰা কিয়
মামত = বিচাৰিবলৈ দিয়া
আময় = কেৰাহিত গৰম কৰিবলৈ নিদিবা / ভাজিবলৈ নিদিবা
মাক্কৰ্ = অ'কৰা
আমীল্ = টকা
তাকম্ = পতঙ্গ
তাকাম্ = সদৌ
মমান্ = ধেমালি
গৃমান = আলহী খাই ফুৰা
কাঃমান্ = চাই ফুৰা

## আগম /বাক্য

ন অল আম্ আৰৃগ্ মপীন্ ? =তুমি অত ধান খেতি কৰিবানে ?
ন বৃম আঅ্ঔ মাকান্ ? =তুমি তেওঁক নিজে বিচাৰিছিলানে ?
গাঃমমী বৃ মাতন্ ?=গামক সি বিচাৰিলেনে ?
য়গৃনী গঃৰীম্ মাকৃমতন্ ?=হেক্ৰৱা গৰু বিচাৰিবলৈ দিলানে ?
নক্ য়গ্নী পৰগীম্ বৃ মাকৃকান ? =তোমাৰ হেক্ৰৱা কুকুৰা বিচাৰিছিলানে ?
ন বৃম্ কাপী মামান্ ?=তুমি কিয় তাক বিচৰা নাই ?

ঔ, মপী = হয় কৰিম।
ঔম্মৃল মত = তেনেহলে কৰা।
ঔ, আঅ্ঔ বৃম্ লীক মাকা=হয়, নিজে এবাৰ তাক বিচাৰিছিলো।
ঔ, গাঃমমী বৃ মাত=হয়, গামক সি বিচাৰিলে।
ঔ, মাকৃমকা, পাঃতমা=হয়, বিচাৰিবলৈ দিছিলো, নাপালে।
ঔ, মাক্কা, পাঃতমা=হয়, বিচাৰি চাইছিল, নাপালে।
ঔপীয়্ বৃম্ মামা=এনেই তাক বিচৰা নাই।
ন আলীম্ গৃতন ?=তুমি তাত হাল বালানে ?



ঔ, আলীম্ গৃত=হয় তাত হাল বালো।
বৃম্ বত্তানী ঔম্লা মীপী=তেওঁক ডাঙৰ বুলি ভাবিম।
ন বৃম্ আৰৃগ্ মকল গৃবতন্ ?=তুমি তাক খেতি কৰিবলৈ লগত নিছিলানে ?
ন বৃক্ তামাগ্ আমৃতীম্ কাঃতন্ ?=তুমি তাৰ চেঁও গছজোপা দেখিলানে ?
কঃন কাপী বৃম্ পৃকাত্তন্ ?=হেৰা লৰা তেওঁৰ গাত কেনেকৈ পানী পেলালা ?
মৃম্বৃৰা, কাপী বৃম্ গৃবমান ?=হেৰা গাভৰু, তাক কিয় লগত নিনিয়া ?
ঔ, মৃম্বৃৰীম্ আমভাগ্=হয়, গাভৰুহঁতক ধান ভাজিবলৈ দিছো।
ঔ, বৃমা মাকা=হয়, তাকে বিচাৰিছিলো।
ঔনী অক্কন্ ?=সৌটো কি ?
মৃম্বৃৰ্ তাকামী মমান্কান্ ?=গোটেই গাভৰুৱে ধেমালি কৰিছিলনে ?
ন গৃমান্ গৃকান্ ?=তুমি ফুৰিবলৈ গৈছিলানে ?
ন অক আগমীম্ মাকান্ ?=তুমি কি কথা বিচাৰিছিলা ?
ঔম্মৃল আয়্নী আগমী=তেনেহলে ভালৰে কথা।

কমান্ন, বৃম অক্কম্লা মীপীন্ ?=কমান, তুমি তেওঁক—কি বুলি ভাবিবা ?
আৰপী বৃম্ আমান্=আমৃন্পী মীঃপামা=সচাঁকৈ তেওক মূল্যহীন খুদ-চাউলৰ দৰে ভাৱিব নাপায়।
ঔ, বৃম্ আৰৃগ্ মকল গৃবকা=হয়, তাক খেতি কৰিবলৈ নিছিলো।
ঔ, কাঃত=হয় দেখিলো।
ঔ, পৃমান্লা পৃকল পৃকাত্ত=হয়, ধেমালিকৈ চালোতে পানী পৰিল।
ঔ, মামৃল গৃবপী=হয় বিচাৰিলে নিম।
তী আম্আকত আমতন্ ?=সৌ তাত ধান ভজা ঠাইত ভাজিবলৈ দিছানে ?
তামাৰা, ন বৃমা মাকান্ ?=হেৰা তামাৰ, তুমি তাকে বিচাৰিছিলানে ?
ঔনী বত্তান্ তাকম্ক=সৌটো এটা ডাঙৰ পতঙ্গ।
ঔ, মৃম্বৃৰ তাকামী মমান্কা=গোটেই গাভৰুৱে ধেমালি কৰিছিল।
ঔ, কাঃমান্ কাঃলা গৃকা=হয়, চাই ফুৰিবলৈ গৈছিলো।
ৰীগাম্ আগমীম্ মাকা=ৰাজহুৱা কথা বিচাৰিছিলো।

# পনাম্–৯ / নৱম পাঠ

(আৱ্বগ কাংকিন / আখৰ চিনাকি)

## দ উঁ ঙ জ চ ই

### গমুগ্ / শব্দ

**দ**

দকান্=খালা/খালানে

দকা-খালো

দবতন্=খোৱালানে

দবকা=খোৱালো

দৰ্ তন্=ভৰিলানে

দৰতমা=নভৰিলো

দৰত=ভৰিলো

দবপীন্=খোৱাবা/খোৱাবানে

দবপী=খোৱাম

দপীনী–দগীমানী=খাব লগা/নাখাব লগা

দমা=নাখাওঁ

কাদাগ্=আছে

অঃদন্=পোহেনে

অঃদ=পোহে

দগীমৃলগম্=খাবলৈ হলেও

কপীমৃলগম্=বেচিবলৈ হলেও

অঃনাম্দী=পোহাটো

দৰ্ কন্=ভৰিলানে

দমক্ তন্=খাই চাবলৈ দিলানে

দমক্ ত=খাই চাবলৈ দিলো

দক্ পী=খাই চাম

দনাম্দী=খোৱাটো

দমাঃনামদী=নোখোৱাটো

আদ্ নৃ=মাংস

দদন=খায়নে

দমা=নাখায়

দকাপী=খাই চাওঁ

দপীন্=খাবানে

কৃদ্ দী=সকলে

দপী=খাম/খাব

দমায়=নাখায়নে

দকায়=খালেনে

দমত=খাবলৈ দিয়া

দকৃতন্=খাই চালানে

দমত=খাবলৈ দিলে

দবমা=নাইভবা

দৰ্ তমা=নভৰিলো



### আগ্ ম / বাক্য

ন অক্কম বাঃলা দকান্ ? =তুমি কি খৰিকা দি খালা ?

ঙ বৃম্ ৰগ্প-পৰগীম্ বাঃলা দবকা=মই তেওঁক মতা-কুকুৰা পুৰি খুৱালো।

ঙ আৰৌ দৰ্ তমা, বৃ দৰত্=মই দাম নভৰিলো, সি ভৰিলে।

পৰগ্ দমানী আজনীম্ ঙ অঙ ৰীন্না দবপী=কুকুৰা নোখোৱা লগৰীয়াক মই মাছ কিনি খুৱাম।

ঔ, পৰগ্ দমানী আজন্ আজনীক্ কী কদাগ্=হয়, কুকুৰা নোখোৱা লগৰীয়াও আছে।

ঔ, বৃগ্ অবাদী পৰগ্ অঃদ=হয়, তাৰ পৰিয়ালটোৱে কুকুৰা পোহে।

আৰপী পৰগ্ অঃনামদী আয়নী আগমী=সচাকৈয়ে কুকুৰা পোহাটো ভাল কথা।

নঃব্ পৰগ্ আপৃ দমকৃতন্ ?=তুমি কুকুৰা কণী খাই চাবলৈ দিলানে ?

ঔ, ব্ দক্ পী ঔম্গাঃল দমকৃত=হয়, তেওঁ খাই চাওঁ বোলাত খাই চাবলৈ দিলো।

ব্ বাঃনাম আদ্ ন দদন্ ?=তেওঁ খৰিকাত দিয়া মাংস খায়নে ?

ব্ দকাপী ঔম্মান্ ?=তেওঁ খাই চাওঁ বোলা নাইনে ?

ম্ম্বৃৰা ! পৰগ্ আপৃ দপীন্ ?=হেৰা গাভৰু, কুকুৰা কণী খাবানে ?

ঔম্ ম্ল্ ম্ম্বৃব্-তাকাম্দী অকক দপী ?=তেনেহলে গাভৰুহঁতে কি খাব ?

ঙ অঙ বাঃলা দকা=মই মাছ খৰিকা দি খালো।

বৃম অক্কম বাঃলা ন দবতন্ ? =তেওঁক তুমি কি পুৰি খুৱালা ?

ন ৰগ্প পৰগ্দগ্ আৰ্ ৰীম ঔদৃক দৰ্ তন্ ?=তুমি মতা-কুকুৰাটোৰ মূল্য কিমান ভৰিলা ?

ন পৰগ্দমানী আজনীম্ অক্ কম্ দবপীন্ ?=তুমি কুকুৰা নোখোৱা লগৰীক কি খুৱাবা ?

চৗঃক-চৗঃক পৰগ্ দপীনী-দমাপীনী ঔদীম্ ন কাঃতন্=কোনে কোনে কুকুৰা খাবলগা-নাখাব লগা তাক তুমি চালানে ?

বৃগ্ ঔৰাদী পৰগ্ অঃদন্ ?=তাৰ পৰিয়ালটোৱে কুকুৰা পোহেনে ?

পৰগ্ দপীম্লগম্, কপীম্লগম্, পৰগ্ অঃনাম্দী আয়নী আগমী, ন অক্ কম্ লা মীদন্ ?=কুকুৰা মাংস খাবলৈ হলেও, বা বেচিবলৈ হলেও, কুকুৰা পোহাটো ভালৰে কথা, তুমি কি বুলি ভাৱা ?

পৰগ্ আপৃ দনাম্দী আয়দাগ্, দমানাম্দী আয়মা=কুকুৰা কণী খোৱাটো ভাল, নোখোৱাটো বেয়া।

মা, দমা=নাই, নাখায়।

মা, দকাপী ঔম্মা=নাই, খাই চাওঁ বুলি কোৱা নাই।

মা, মৃম্বৃৰী পৰগ্ আপ্ দমা=নাই, গাভৰুৱে কণী নাখায়।

মৃম্বৃব কৃদ্দী অঙ দপী=গাভৰুহঁতে মাছ খাব।

ব্ দকায় দমায় ?=তেওঁ খালেনে নাই ?

আউৱা, আম্ আমবৃনীম্ দমমৃল লম্লা বত্তাদাগ্=হেৰা পুত্ৰ, ধান চাউল খুৱালে সোনকালে ডাঙৰ হয়।

উনীপৰগীম্ কমৃল আবাক আমীলীম্ পাঃদ = চৰ্বি থকা কুকুৰা বেচিলে বেছিকৈ দাম পায়।

আবাক উলা কমৃল আবাক আমীল্ পাঃপী= বেছিদিন পুহি বেচিলে বেছিকৈ টকা পাম।

আঁ, কদ = হয় বিক্ৰী কৰোঁ।

অউৱা, আপ্ ৰীনী আঁলী তীলী মলামী=কণী কিনোতা অ'ত ত'ত বহুত আছে।

আমৃকী গীনাম্ গাচৰ লীগাপী অন্নম্ ৰীদ= নিজৰ পিন্ধা কাপোৰৰ কাৰণে সূতাও কিনে।

মৃমৃব্ৰী আঁদীমৃপী, আমীলীম্ মীছলা মীদ= তেনেকৈ গাভৰুৱে টকাও সাচে।

বৃ ঙম উমৃল নৃঙালৃগ্ত=সি মোক জুইলৈ ঠেলি দিলে।

কউৱা, তাকাৰী আঁদৃল উন্দন্ ?=হেৰা লৰা, তৰা কেতিয়া জিলিকে ?

মুর্গা পুহিলেও ভাল।

আম আম্বৃন্ দনী পৰগী আয়পী উদ=ধান চাউল খোৱা কুকুৰাৰ সোনকালে চৰ্বি হয়।

উনীম্ পৰগ্লক্ আব্ৰী আবাদাগ্=চৰ্বি থকা কুকুৰাৰ দাম বেছি।

অউৱা, ন পবগ্ আপৃ কদন্ ?=হেৰা মা, তুমি কণী বিক্ৰী কৰানে ?

আউৱা, পৰগ্ আপৃ কগম্ আঁমীল পাঃদ=হেৰা পুত্ৰ, কুকুৰা কণী বিক্ৰী কৰিলেও টকা পোৱা যায়।

কউৱা, মৃমৃবৃৰ্ কঃনীঙী পৰগ্, আপৃ কলা বৃৰ বৃৰ্মীম্ পমদ=হেৰা পুত্ৰ, গাভৰু ছোৱালীয়ে কুকুৰা কণী বিক্ৰী কৰি ভাই-ভনী পঢ়ায়।

আউৱা, কাপী নম্ উমৃ উক্তন ?=হেৰা পুত্ৰ ! কেনেকৈ তোমাক জুয়ে পুৰিলে ?

কউৱা, চীম উন্ত ?=হেৰা লৰা, এইটো খান্দা ?

আঁ, ঙ উন্পী = হয়, মই খান্দিম।

তাকাৰী কীমঃল উন্দ=তৰা আন্ধাৰত জিলিকে।

# ঙ

## গমুগ্ / শব্দ

ঙ = মই
অঙ = মাছ
ঙক্কী = মোৰ
কঃনীঙী = ছোৱালী / গাভৰু
অৃচৃঙী = খৰি/গছ/কাঠ
অৃলৃঙী = শিল / শিলনি

ঙপা = শিঙি মাছ
ঙআ = ময়েই নে
ঙক্ = মোৰ
ঙম্ = মোক
ঙঃনা = ময়েই
ঙমী = মোক / মোকেই



ঙান্নী = কুঁহিপাত মেলা
নীঙান্-ঙান্নী = ন-কুঁহিপাত মেলা
ঙচাম্ = শুকান মাছ

লঙী = দিন / দিনত
লঙীম্ = দিনত / দিনৰ ভাগত
লঙীল = দিনত

## আগম / বাক্য

ন অক্কম পতন্ ? = তুমি কি পঢ়িলা ?

ঙক্ পনাম্ তাদ্নীদী চীকান্ ? = মোৰ পঢ়া শুনোটাজন কোন আছিল ?

চীকান্ ৰামায়ণ্ আগম্ তাদ্পীনীদী ?=ৰামায়ণৰ কাহিনী শুনিব খোজাজন কোন আছিল ?

আঁম্মৃল ঙ আঁদীম্ কৃপীন্ = তেনেহলে মই তাক কওঁ নেকি ?

ন লঙীম্ অক্কমইদন্ ?=তুমি দিনৰ ভাগত কি কৰা ?

আঁ, মৃজৃঙা লঙীল তাদলৃদাগ্গম্ তাদ্মঃমা=হয় বুঢ়া ! দিনত শুনিবৰ ইচ্ছা থাকিলেও শুনিবলৈ সময় নাই।

আঁ, ঙ অঙ দদ = হয় মই মাছ খাওঁ।

আঁ, ঙ অঙ চগাব্ৰকল গৃদ = হয়, মই মাছ ধৰিবলৈ যাওঁ।

কাঃলায় মৃজৃঙা, অঙপাঃমৃল লীঃপী=চাওঁ বুঢ়া, মাছ পালে থৈ দিম।

মৃমৃবৃৰা ন অকলগ্কীন্ ?=হেৰা গাভৰু তুমি ক'ৰ (তোমাৰ ঘৰ ক'ত) ?

আয়দাগ্ আঁম্মৃল্ মৃমৃবৃৰা = ভাল (বাৰু) গাভৰু।

আঁ তাঃতা, অনাইতো অৃচৃঙা-অৃলৃঙা মলামী=

ঙ ৰামায়নীম্ পত = মই ৰামায়ণ পঢ়িলো।

নক্ পনাম্ তাদনীদী ঙআ = তোমাৰ পাঠ শুনোটা ময়েই আছিলো।

ঙঃনা ৰামায়ন্ আগম্ তাদপীনীদী=ময়েই ৰামায়ণৰ কাহিনী শুনিব খোজা জন।

কাঃচ, মৃজৃঙা লঙাচ তাদ্মমা = বৰা বুঢ়া, দিনৰ ভাগত শুনিবলৈ সময় নাই।

লঙীম্ তাদ্ম মাঃমৃল্ আঁদৃল তাদ্পী = দিনত শুনিবলৈ সময় নহলে কেতিয়া শুনিবা ?

আঁম্মৃল আয়পী আয়দাগ=তেনেহলে বৰ ভাল কথা।

আঁই কঃনীঙা, ন তাঙ দদন্? =হেৰা ছোৱালী, তুমি মাছ খোৱানে ?

ন অঙ চগাব্কল গৃদন্ ?= তুমি মাছ ধৰিবলৈ যোৱা নে ?

আঁম্মৃল ঙক্ লীগাপী অঙ লীঃলাপীন্ ?=তেনেহলে মোৰ কাৰণে মাছ থৈ দিব পাৰিবানে ?

আঁম্মৃল ঙ মাকৃপী=তেনেহলে মই বিচাৰি (খবৰ কৰি) চাম।

তাঃ তা, ঙ তীলী মদী জনাইতক্কী=ককা, মই সৌ পূবৰ দূৰণি জনাইৰ।

আই মৃমৃবৃৰা, জনাইতী অৃচৃঙী কাদন্ ?=হেৰা গাভৰু জনাইত গছ-গছনি আছেনে ?

হয় কক্বা, জনাইত গছ-গছনি, শিলনি অপাৰ (ভৰি আছে)।

আঁ, গ্লায়ী = হয় যাব পাৰিবা।

অ্চৃঙ আন্নী ঙান্চাদঙীম্ গৃমৃল আয়্পী=গছ-গছনি কুঁহিপাত মেলাৰ বতৰত গলে ভাল হয়।

তাঃতা আৰপীন ন গৃপীন্ ?=কক্বা, সচাকৈ যাবানে

অাঁই মৃম্বৃৰা ! ন অঙ আঃচান্দন্ = হেৰা গাভৰু ! তুমি মাছ শুকুৱানে ?

ঙপা অঙ্ঙীম আবাক আঃচান্ দ =শিঙি মাছ বেছিকৈ শুকুৱাওঁ।

ঙপা ঙচানী দপদ = শুকান শিঙি মাছ খাবলৈ ভাল।

আঁ, নাম্চ্ঙীম্ মদ=হয়, শুকতি কৰোঁ।

আঁ, নক্ লীগাপী ঙপা নাম্চ্ঙীম্ মলা লীপী=হয়, তোমাৰ কাৰণে শিঙি মাছৰ শুকতি বনাই থম।

আঁ, মৃম্বৃৰা আৰপী গৃপী =হয় গাভৰু সচাকৈ যাম।

মৃম্বৃৰা, ঙ জনাইতপী গৃলাপীয়্ ?=হেৰা গাভৰু মই জনাইলৈ যাব পাৰিমনে ?

অাঁদৃল গ্ম্ল্ আয়পীন্ ?=কেতিয়া গলে ভাল হব বাৰু ?

অদমৃল তাঃতা, ন আয়পী কাঃপাপী=তেতিয়া ভালকৈ চাবলৈ পাবা।

আঁ, আৰপী গৃপী = হয়, সচাকৈ যাম।

আঁ, ঙ অঙ আঃচান দ = হয়, মই মাছ শুকুৱাওঁ।

অক অক অঙঙীম্ আঃচান্দন্ ?=কি কি মাছ শুকুৱা ?

অক ঙচান্অঙঙী দপদন্ ?=কি শুকান মাছ খাবলৈ ভাল

মৃম্বৃৰা ! নাম্চ্ঙীম্ মদন্ ?=হেৰা গাভৰু, শুকতি (মাছৰ) কৰানে ?

মৃম্বৃৰা ! ঙক্ লীগাপী নাম্চ্ঙীম্ মলালীঃপীয় ?=হেৰা গাভৰু, মোৰ কাৰণে শুকতি বনাই থবানে ?

আৰপী ন মৃজৃঙা জনাইপী গৃচাঃপীন্ ?=(সচাকৈ বুঢ়া জনাই লৈ উজাই যাবানে ?) সচাকৈ বুঢ়া জনাই লৈ আহিবানে ?

অাঁম্মৃল্ আয়দাগ্, ঙ নম্ তকাঃপী=তেনেহলে ভাল, মই তোমাক বাট চাই থাকিম।

# জ

## গমুগ্ / শব্দ

জৃগ = আঁচ টনা

জঃত = কঢ়িয়া

জীঃত = চিঞৰা / চিঞৰিলে

জঃবত = লগে ভাগে কঢ়িয়া

আজৃগ্ = চিন / আঁচৰ চিন

জঃয় = নকঢ়িয়াবা

জীঃয় = নিচিঞৰ / নিচিঞৰিবা

জীঃময়ী = (ৰাৰিকক) চিঞৰিবলৈ দিম



জঃবকা = লগে ভাগে কঢ়িয়ালো

জঃলাদন্ = কঢ়িয়াব পাৰানে

জঃলামা = কাঢ়িযাব নোৱাৰো

বজাৰ = হাট-বজাৰ

জাৰ্মা = কুঁহিপাত মেলা নাই

জীঃমত = চিঞৰিবলৈ দিয়া

জৃগ্ৰ্ = যাজত অাঁচ টনা

জৃগ্ৰ্-জৃগ্ক্ = অাঁচ টানি হকা-বধা কৰা

জাব্ব্ = মতা হাঁহ

জাব্নী = মাইকী হাঁহ

জাৰ্নী = লহ-পহকৈ বঢ়া

পীজাব্ = হাঁহ

জাৰ্ক্লা = লহপহীয়াকৈ বাঢ়ি থকা

জীঃময় = চিঞৰিবলৈ নিদিবা

জৃগ্গত = ভাগ দিয়া / চিন দিয়া

## আগম্ / বাক্য

কউৱা, ন অক্কম্ জঃতন্ ?=হেৰা ল'ৰা তুমি কি কঢ়িয়ালা ?

আঁ, বৃম ঙ অ্আ জঃবকা = হয়, তাক মই কঢ়িয়াত সহায় কৰিলো।

মা, ঙ আবাক অ্আ জঃলামা= নাই, মই সৰহকৈ কঢ়িয়াব নোৱাৰো।

তামাৰাবৃম্ জীঃলা গগ্তন্ ?=হেৰা তামাৰ, তাক চিঞৰি মাতিলানে ?

বৃ নক্ জীঃনাম্দীম্ তাদ্পাঃতপীমা=সি তোমাৰ চিঞৰটো কি জানি শুনি নাপালে।

আৰপী মঃদীদাগ্ তাদ্পৃপীমা = সচাকৈয়ে বহু দূৰ শুনাগৈ নাই কিজানি।

অাঁদীম্পীয় ইপী = তেনেকৈয়ে কৰিম।

আঁ, অঃবৃ পীজাবীম্লা পৰগীম্ অঃদ = হয়, মাই হাঁহ আৰু কুকুৰা পোহে।

জাব্ব-জাৱনী পীজাবীম্ অঃদ = মতা-মাইকী হাঁহ পোহে।

আঁ, বলগ্কীম্লা-আঅ্কচক্ পীজাবীম্ অঃদ=হয়, দেশী-বিদেশী (পশ্চিমৰ ইয়াৰ) হাঁহ পোহে।

ঙ বৃক্ অ্আ জঃত = মই তাৰ বাহ কঢ়িয়ালো।

গাঃমা, বৃম্ অ্আ জঃবকান্ ?=হেৰা গাম, ৰাহ কঢ়িয়াত তাক সহায় কৰিলানে ?

ন আবাক অ্আ জঃলাদ্ন্ ?=তুমি সৰহকৈ কঢ়িয়াব পাৰানে ?

অাঁম্মৃল ন আবাক জয় =তেনেহলে বেছিকৈ নকঢ়িয়াবা।

আঁ, লীকজীঃলা গগ্তাক্ = হয়, এবাৰ চিঞৰি মাতিছো।

ন, লীকদাজীঃত =তুমি আকৌ এবাৰ চিঞৰা।

অাঁম্মৃল জীঃয়, গৃলা গগ্ত=তেনেহলে নিচিঞৰিবা গৈ মাতা।

কউৱা, নক্ অউৱী পীজাব্ অঃদন্ ?=হেৰা ল'ৰা, তোমাৰ মাৰাই হাঁহ পোহেনে ?

অক-অক পীজাবীম্ অঃদন্ কৃকৃকা ?=কি কি হাঁহ পোহে কবাছোন ?

আবাক আপৃ উম্নী দাগ্তক্ পীজাব্ অঃদন্ ?=বেছিকৈ কণী পৰা পশ্চিমীয়া হাঁহ পোহেনে ?

জাব্নী পীজাবৃকুদৃদী আবাক আপৃ উম্দন্ ?=মাইকী হাঁহবোৰে সৰহকৈ কণী পাৰেনে ?

আঁ, জাৱনী পীজাব আপ্‌প্‌দীয় আবাক আপৃ উম্‌দ = হয়, মাইকী হাঁহ আটাইবোৰে সৰহকৈ কণী পাৰে।

গাঃমা! আপৃ কদদ কাপী আমীল্‌ কৃদন্‌ ?=গাম, কণী বেচোতে কেনেকৈ পইচা হিচাপ কৰা?

কাপী ন আকৰ্‌ আদলামান্‌ ?=কেনেকৈ কি তুমি আখৰ লিখিব নোৱাৰা?

চীঃকয় আজৃগ্‌ জৃগ্‌ৰ্‌ জৃগ্‌ক্‌মৃল ন কাপী ক্‌পী ?= কোনোবাই আঁচ টানিব হকা-বধা কৰিলে কেনেকৈ হিচাপ কৰিবা?

কউৱা, ন বজাৰ্‌পী গৃদদ অক-অক্‌কম্‌ কাঃ-প্‌াতন্‌ ?=হেৰা লৰা, বজাৰলৈ যাওঁতে তুমি কি কি দেখিলা?

আব্‌গ্‌-আব্‌গ্‌ক জাব্‌নী=এখন-এখন ধাননি পথাৰ লহপহকৈ বঢ়া।

আবপী, পদঙী অমালা জাব্‌মা=সচাকৈ ৰবষুণ নোহোৱাত ধাননিবোৰ চিকুণ হোৱা নাই।

আপৃকৃদৃদীম্‌ ন অক্‌কম্‌ ইদন্‌ ?=কণীবোৰ তুমি কি কৰা?

ঙ বজাৰ্‌পী বম্‌লা কদ=মই বজাৰলৈ নি বিক্ৰী কৰোঁ।

কাঃকা! আমঃব আজৃগ জৃগ্‌লা কৃদ=মামা! মাটিত আঁচটানি হিচাপ কৰোঁ।

আঁ, অদগ্‌ লীগাপী আজৃগ্‌ জৃগ্‌লাক্‌দ=হয়, সেই কাৰণে আঁচ টানি হিচাপ কৰো।

অদনা কাঃকা! ক্‌গাব্‌লাঃমাবন্‌=তেতিয়াই মামা সঠিক হিচাপ কৰিব নোৱাৰা হওঁ।

তাঃতা, লাম্‌বী তাকাম্‌ত আম্‌-আব্‌গীম্‌ কাঃত= গোটেই বাটতে ধাননি পথাৰ দেখিলো।

আম্‌-আৰ্‌গ্‌ক্‌দ্‌দী কাপী ইদাগান্‌ ?=ধাননি পথাৰবোৰ কেনেকুৱা আছিল?

আব্‌গ্‌-আৰ্‌গ্‌ক জাব্‌মা =এখন-এখন পথাৰ লহ-পহকৈ বঢ়া নাই।

# চ

## গমুগ্‌ / শব্দ

চ = ইয়াত

চী = এইটো / ইয়াত

চীঃকান্‌ = কোন আছিল / আছিলা

চীকন্‌ = কোন / কোনেনা

চীঃকম্‌ = কাক / কোনজনক

চীক্‌কান = কাৰ আছিল

চীকবুন্‌ = কোন হয় / কোননো

চা = হৈছে / ও / তেনেহলে

চত = টান / টানিলে

চয় = নাটানিবা

চঃয় = নানাচিবা

চঃদ = নাচে / নাচিব জানে

চঃদন্‌ = নাচেনে / নাচিব জানেনে

চঃমা = নানাচে / নাচিব নাজানে



চীক্‌কী = কাৰ/কোনজনৰ

চীক্‌কীন্‌ = কাৰ হয় / কাৰণো

চঃব = মিচিঙৰ এটা গোত্ৰ

চঃমান চীম্‌ = ধেমালিটোক

চাঃত = উঠি আহা (চাঙলৈ)

চাঃয় = নুঠিবা (চাঙলৈ)

চাঃবয় = লগত লৈ নুঠিবা

চাক্‌ত = ভাত বাঢ়া

চাগৃ = হুমুনিয়া

চঃমান্‌ = নাচগানৰ ধেমালি

চঃমত = নাচিবলৈ দিয়া

চঃময় = নাচিবলৈ নিদিবা

চঃবত = লগত নচুৱা

চঃমান্‌পী = ধেমালি কৰিম

চাঃবত = লগত লৈ উঠি আহা

চাঃপামা = উঠিব নাপায়

চাক্‌য় = ভাত নাবাঢ়িবা

চাগৃ-চাগৃলা = হুমুনিয়াহ কাঢ়ি কাঢ়ি।

## আগম/বাক্য

ন চ দত = তুমি ইয়াতে খোৱা

ন চীঃকান্‌ ? = তুমি কোন আছিলা ?

ঙ কাব তব্‌ = মই কাব্‌ত হওঁ।

ঙ কাব্‌ককী আউৱী =মই কাৰ্‌কৰ পুতেক।

বৃ মাত্‌তব্‌ = সি মাত্‌ত হয়।

বৃক আজন্‌ তাপাল্‌মী মালাবৃগৃদাগ্‌ =তাৰ বন্ধু তাপালক বিচাৰি সি আহিছে।

তাঃতা, বৃ কাঃক্‌ বম্‌গৃদ্‌কী অ্‌ঃৱী=ককা, সি মামা বম্‌গৃদৰ ভাগিন।

চী নক্‌ অ্‌মী আউৱী = এইটো তোমাৰ ভাগিনাৰ পুতেক।

বৃ নক অ্‌ৱ মামাল্‌কী আউপী ইদ=সি তোমাৰ ভাগিন মামালাৰ পুত্ৰ (হয়)।

আঁই মৃম বৃৰা, ন চঃদন্‌ ?=হেৰা গাভৰু তুমি (নাচিব জানানে) নাচানে?

চী কাঃপন্‌ কঃনীচীকা চঃদন্‌ ?=এই (দেখনিয়াৰ) ধুনীয়া গাভৰুজনী একা নাচেনে?

নঃলা বৃ চী ব্‌বৃচীম্‌ চত = তুমি আৰু তই এই ৰচিদাল টানা।

ন চীক্‌কী আউৱীন্‌ ?=তুমি কাৰ পুতেক আছিলা ?

বৃ চীঃক বৃ আন্‌=তেওঁ কোন আছিল ?

চীঃকম্‌ বৃ মালা গৃদন্‌ ?=সি কাক বিচাৰি আহিছে ?

কউৱা, তাপাল্‌দী চীঃকান্‌ ?=হেৰা লৰা, তাপাল্‌ কোন জন আছিল।

চী কঃচীকা চীক্‌কান্‌ ?=এই লৰাটো বা কাৰ কি হয় ?

বৃঃকা চীক্‌কী আৱপী ইদন্‌ ?=সি বা (সম্বন্ধত) কাৰ পুতেক হয় ?

আঁম্‌মৃল আয়দাগ্‌, ঙম্‌ চীম্‌পী তাদ্‌কাঃমৃল আয়দাগ্‌=তেনেহলে ভাল, মোক এইদৰে মাত দিয়াটো ভাল।

আঁ চঃব মৃজৃঙা, ঙ চঃদ = হয় চঃব গোত্ৰৰ বুঢ়া, মই নাচো (নাচিব জানো)।

মা, মৃজৃঙা বৃ চঃমা=নাই, বুঢ়া তাই নানাচে।

বৃ অই-কাবান্ কাব্দন্ ?=তাই গীত গায়নে (গাব জানেনে) ?

অী, বৃ অই-কাবান্ কাব্দ=হয়, তাই গীত গায় (গাব জানে)।

মৃজৃঙা, ন চঃমান্ কাঃপীন্ ?=হেৰা বুঢ়া ধেমালি চাবানে ?

অী, মৃম্বৃৰ্ চঃমান্ক কাঃল্দাগ্=হয়, গাভৰু হঁতৰ ধেমালি চাবৰ ইচ্ছা আছে।

মৃজৃঙা কাঃচ, চঃমান্ মমপী=হেৰা বুঢ়া অলপ ৰবা, ধেমালি কৰিম।

আই ম্জৃঙা, কাপী কাঃতন্ ?=বুঢ়া, ধেমালি কেনে দেখিলা ?

অী, ম্মবৃৰ্ চঃমান্চীম্ আয়পী কাঃত=হয় গাভৰু, ধেমালি ভ'লেই দেখিলো।

অই-কাবান্ কাব্নাম্দীম্কা কাপী তাদ্তন্ ?=এই কাবান গীতটো কেনে শুনিলা ?

অী, অই-কাবান্দীম্ মগাব্লা মজদাগ্=গীতৰ সুৰ তাল-মান ৰাখি ঠিকেই গাইছে।

চঃনাম্দীম্কা কাঃপপী কাঃতন্ ? = নাচটো একা ভাল দেখিলানে ?

অী, চঃনাম্দীগম্ আয়দাগ, চঃজদাগ্=হয়, নাচবোৰো ভাল, নাচিব জানিছে।

ম্জৃঙা, ন ম্ম্বৃৰ্ চঃনামীম্ কাঃলৃঃদাগ্ম্ল ল্গাঃদ গ্ত=বুঢ়া, গাভৰু নাচ চাব খুজিলে ল্গাং উৎসৱত আহিবা।

অদ আয়পী আপ্পৃঙী চঃমান্-মান্লা নম্ কাঃমপী=তেতিয়া ডেকা-গাভৰু আটায়ে ভালকৈ ধেমালি কৰি দেখুৱাম।

ম্জৃঙা, লৃগাদঃ ন গৃপীন্ ?=বুঢ়া, ল্ঙাং উৎসৱত আহিবানে ?

অী ম্ম্বৃৰা, অীচীম্ল্ গৃপী=হয় গাভৰু, ভালে থাকিলে যাম।

চা আম্ম্ল আয়দাগ্=হয় তেনেহলে ভাল।

চা, ম্ম্বৃৰ্কৃদ্ঙা চঃপী চাঃত=ও, গাভৰু হঁত ! ইয়ালৈ উঠি অহা (চাঙৰ ওপৰলৈ)।

বাবু ন চঃপী চাঃয় = বাবু তুমি ইয়ালৈ উঠি নাহিবা (চাঙৰ ওপৰলৈ) :

ন বৃম্ চঃপী চাঃবত = তুমি তাক ইয়ালৈ লগত লৈ উঠি আহা।

অীম্দাগ্গম্, লীক-লাক্কপী চাঃপামা=তেনেকুৱা হলেও লগে ভাগে উঠিব নাপায়।

তাগামা কচাগ্ চাক্ত = তাগাম, পাত পাৰা।

অীম্ম্ল কচাগ্ চাক্পঃয় = তেনেহলে পাত নাপাৰিবা।

তাঃতা ! দপীনাম্দী অবমাদা = ককা ! খাব লগাটো হোৱা নাই।

কউৱা ! গাঃমমী কাঃমত=হেৰা লৰা ! গামক চাবলৈ দিয়া।

অীলী গঃমবৃ কীনলা চাগৃ-চাগ্লা কাঃদগ্ = সৌৱা গামে ভোক লাগি হা-হুমুনিয়াহ কাঢ়ি চাইছে।

দপী-তৃপীনাম্দীয় অবমাঃদা=খোৱা-পিয়া কৰিব লগাই হোৱা নাই।



# ই

## গমুগ্ / শব্দ

ইত = কৰ / কৰিলে
ইয় = নকৰিবা
ইদ = কৰে
ইমাঃ = নকৰে
ইকা = কৰিলে
অীই = হেৰা
ইকৃত = কৰি চা
ইকান্ = কৰিলানে
ইদন্ = কৰেনে
ইপঃত = আগতে কৰ
ইপয় = নকৰাহেঁতেন
ইতন্ = কৰিলানে / কৰিলেনে
ইমাপী = নকৰিবা
ইতকা = কৰা

ইবত = লগে ভাগে কৰা
ইবয় = লগত লৈ নকৰিবা
ইমত = কৰিবলৈ দিয়া
ইপীনী = কৰিব লগা লোক
ইমমা = কৰিবলৈ নিদিয়ে
ইময় = কৰিবলৈ নিদিবা
ইনীদী = কৰা জন
ইলামা = কৰিব নোৱাৰো
ইমঃদন্ = কৰিবলৈ সময় পাবানে
ইমদন্ = কৰিবলৈ দিয়েনে
ইপীমানী = নকৰিব লগাজন
ইমাপীনীদী = নকৰিব লগাজন
ইলানাম্ক = কৰিব পৰা খিনি
ইলাপীমা = কৰিব নোৱাৰিব
ইয়কা = নকৰিবা

## আগম্/বাক্য

ন চী পঃলচ অক্কম্ ইকান ?=তুমি এই মাহত কি কৰিছিলা ?

ঙ চী পঃলচ আব্গ্ ইকা = মই এই মাহত খেতি কৰিছিলো।

ন অক আব্গীম্ ইকান্ ?=তুমি কি খেতি কৰিছিলা ?

ঙ আম্ব আম্ আব্গীম্ ইকা = মই আম্ব ধানৰ খেতি কৰিলো।

ন তাবাদ্ আব্গ্ ইদন্ =তুমি কুঁহিয়াৰ খেতি কৰানে ?

অী, ঙ তাবাদ্ আব্গ্ ইদ=হয়, মই কুঁহিয়াৰ খেতি কৰো।

ন আবাক তাবাদ্ আব্গ্ ইতন্ ? =তুমি সৰ-

অী, আবাক ইত = হয়, সৰহকৈ কৰিলো।

হকৈ কুঁহিয়াৰ খেতি কৰিলানে ? ন আয়মান্ তাবাদ্ আৰ্গ্ ইয় =তুমি বেয়া জাতৰ
আয়নী তাবাদ্ আৰ্গ আবাক ইতকা=ভাল- কুহিয়াৰ খেতি নকৰিবা।
জাতৰ কুহিয়াৰ সৰহকৈ কৰা। আবাক আমীল্ পাঃয়ী=সৰহকৈ টকা পাবা।
তাবাদ্ আৰ্গ্দীগম্ আয়নী আৰ্গী=কুহিয়াৰ
খেতিও ভাল খেতি।

আই, ম্ম্বৃৰ্-কৃদঙা, দকচীম্ মঃৰপী ইপঃত। ঔক্কাম্ তৃনাম্দীম্ চ ইপয়। কঃ কৃদ্দীম্ উম্ পাৰ্নাম্দীম্ ইমত। কঃকৃদ্দীন্ অৰ্পীনামদীম্ মচৃঃমত। মৃজৃঙীম্ অৰ্নাম্দীম্ ইময়। কউৱীলা কঃনীঙী বীলীম্ অৰ্ত। আপ্পৃঙী ইলানাম্ক ইক্ত। ঔজঃক্-দ্দীম্ ইময়। কঃক্দ্দীম্লা ঔঙঃম্জৃঙীম্ অৰ্পত। চা, চা আপ্পৃঙী ইত। ন আল-মৃৰ্চীম্ অৰ্ত।

হেৰা গাভৰুহঁত! খোৱা ঠাইখিনি ছাফ-ছিকুন কৰি লোৱা। পাত এইখিনিত নপাৰিবা। ডেকা বোৰক জুই ধৰা কামটো কৰিবলৈ দিয়া। ডেকাহঁতক বিলাব লগা সামগ্ৰীবোৰ সজাবলৈ দিয়া। বিলোৱা কামটো বৃদ্ধসকলক কৰিবলৈ নিদিবা। ডেকা-গাভৰুহঁতে বিলোৱা। সকলোৱে কৰিব পৰাখিনি হাতে পাতে কৰা। বৃদ্ধ, বয়সীয়াল সকলক কৰিবলৈ নিদিবা। সৰু লৰা ছোৱালীবোৰক আৰু বয়ো বৃদ্ধসকলক আগতে বিলাই দিয়া। ধৰা, ধৰা সকলোৱে কাম কৰা। তুমি নিমখ জলকীয়া বিলোৱা।

ন বৃম্ আয়মান্ আৰ্গীম্ ইবয়। আয়নী আম্ আৰ্গীম্ ইবত। চী আৰ্গ্চীম্ ঔচীগীম্ বৃম্ ইমতান বৃম্ ঔচাব্ ঔৰ্নামীম্ ইময়। ন ঔচাব্ ঔৰ্লা অঙ চগাব্-দন্ ? মা, ঙ অঙ চগাবমা। বৃমগম্ ইমমা। চীঃক অঙ চগাব্দন্ ? তীলী অঙ চগাব্নী কাদাগ্। ঔদীম্ ইপীনী আবাক কামা। আম্দাগ্গম্ ন ঔদীম্ ইপীমানী। নঃব্ আৰ্গ্ ইপীনী। বৃম্গম্ ঔদীম্ ইময়। আৰ্গ্ ইনীদী অঙ চগাব্লাঃমা। অঙ চগাব্নীদী আৰ্গ্ ইলামা। অদগ্লীগাপী আপ্পৃঙীম্ ইয়কা। ইমাপীনীদী ইমামৃলই আয়দাগ্।

তুমি তাক বেয়া খেতি নকৰাবা। ভাল ধানৰ খেতি কৰোঁৱা। এই পথাৰখনত তাক অকলে খেতি কৰিবলৈ দিয়া। তুমি তাক জাল বাবলৈ নিদিবা। তুমি জাল মাৰি মাছ ধৰা নেকি ? নাই, মই মাছ নধৰো। তাকো মাছ ধৰা কামটো কৰিবলৈ নিদিও। কোনে মাছ ধৰে ? সৌ তাত মাছ ধৰা লোক আছে। মাছ ধৰা মানুহ বেছি নাই। তেনেহলে তুমি এই কামটো কৰিব লগা নহয়। তুমি খেতি কৰিব লগা লোক। তাকো এইটো নকৰাবা। খেতি কৰাজনে মাছৰ ব্যৱসায় কৰিব নোৱাৰে। মাছৰ ব্যৱসায় কৰাজনে খেতি কৰিব নোৱাৰে। এই কাৰণে আটাইবোৰ নকৰিবা। নকৰিব লগা জনে এইটো নকৰাই ভাল।

# পনাম্-১০ / দশম পাঠ

## [ আৰৃগ্ কাংকিন্ / আখৰ চিনাকি ]

## এ ঞ

## এ

| | |
|---|---|
| এ/আই =ভাৱবোধক | এব=শৌচ কৰাত সহায় কৰা |
| এবা=এবা গছ | এক=শৌচ কৰা ঠাই |
| এত=শৌচ কৰিলে | এয়=শৌচ নকৰিবা |
| এঃগ্=গাহৰি | এঃদ=গুটি লাগে |
| এঃপ=আগতে গুটি ধৰা | এঃদৃ=গুটি লগাৰ বতৰ |
| এঃব্=মাজতে গুটি ধৰা | এবত=লগত গৈ শৌচ কৰোঁৱা |
| এমত=শৌচ কৰিবলৈ দিয়া | এময়=শৌচ কৰিবলৈ নিদিবা |
| এঃদৃঃদ=গুটি লগাৰ সময়ত | এঃমঃত=গুটি লাগিবলৈ দিয়া |
| এঃদৃঃমা=গুটি লগাৰ সময় নহয় | এঃপঃনী=আগতে গুটি লগা |
| এঃব্-এঃক্=অসুবিধাকৈ গুটি ধৰা | এঃদ্মৃল=গুটি লগাৰ সময় হলে |
| এঃপঃনীদী=আগতে গুটি লগাটো | |

### আগম্ / বাক্য

ন কঃনীঙা কঃচীম্ অল এমত=হেৰা ছোৱালী ! লৰাটোক সৌ তাত শৌচ কৰিবলৈ দিয়া।

কাপী অল এ মতন্ ?=কিয় তাত শৌচ কৰিবলৈ দিলা।

কঃনীঙা ! ঔদীম্পী এতীৰ্-এতীৰ্ এময়=হেৰা ছোৱালী ! তেনেকৈ যতে-ততে শৌচ নকৰাবা।

মা, মা, তল এবা কাকত এমত=নহয়, নহয়, সৌ তাত (পুবত) এবা গছ থকা ঠাইত শৌচ কৰোঁৱা।

কঃচী গৃপৃলামালা অল এত=লৰাটো গৈ নোপোৱাত তাত শৌচ কৰিলে।

ঔই কউৱা ! ন ঔদীমপী এয়=এই লৰা ! তেনেকৈ (যতে-ততে) শৌচ নকৰিবা।

মৃমবৃৱা ! ন এঃগ্ অঃদন্ ?=হেৰা গাভৰু, তুমি গাহৰি পোহানে?

আঁ মাগ্‌বা ! ঙ এঃগ্ অঃদ=হয় ভিনীহিঁদেউ, মই গাহৰি পোহো ।

আঁ, কউৱা, পাঃমৃল দঃপী=হয়, লৰা, পালে খাম ।

আঁই য়ায়া, চম্‌পা আমৃভীলী চম্‌পা আবাক কামা=আইতা ! ঔ গছত ঔটেঙা বেছিকৈ নাই।

আঁ য়ায়া ! পৃউমঃক পাঃত=আইতা, তিনিটাহে পালো ।

য়ায়া ! আঁদৃল্ চম্‌পী এঃদন ?=আইতা, কেতিয়া ঔটেঙা লাগে ?

আঁই কউৱা ! দৃগৃন্‌ল চম্‌পী এঃমা=হেৰা লৰা, জাৰকালি ঔটেঙা নালাগে।

কউৱা ! দৃতাকলক্‌কী দৃগৃন্-দৃয় কাদাগ্=হেৰা লৰা, বছৰত জাৰ-জহ আছে।

আঁ, দৃগৃন্‌ল এঃমা, দৃয়া আঃমৃল চম্‌পী এঃদ=হয়, জাৰকালি নালাগে, জহ কাল আহিলে ঔটেঙা লাগিব ।

আঁই য়াঃয়া, চম্‌পা দঃপীন্ ?=আইতা, ঔটেঙা খাবানে ?

আঁই য়ায়া, কাঃচ ঙ চম্‌পা পৃৰ্কল গৃঃকাপী=ৰ'বা আইতা ! মই ঔটেঙা ছিঙি আনিবলৈ যাওঁ ।

আঁই কউৱা ! আঁদৃক্ চম্‌পা পাঃতন্ ?=লৰা ! কিমান ঔটেঙা পালা ?

আঁই কউৱা, আৰপী, চম্‌পা এদৃমাঃদা=এই লৰা, সচাকৈ, ঔটেঙা লাগিবৰ হোৱা নাই ।

কউৱা ! চম্‌পী এঃদৃমৃল এঃদ=লৰা, গুটিলগা বত-ৰত লাগে ।

য়ায়া ! আঁমৃল আঁদৃল এঃয়েন্ ?=আইতা, তেতিয়া হলে কেতিয়া গুটি লাগিব ?

য়ায়া ! দৃগৃন্‌ল চম্‌পী এঃমাণ্ ?=আইতা, জাৰকালি ঔটেঙা নালাগে নেকি ?

আঁদম্‌পী এঃদৃমৃল এঃদ, এঃদৃমাঃমৃল এঃমা=এইদৰে গুটি লগাৰ সময়ত লাগে, গুটি নলগাৰ সময়ত নালাগে ।

## ঙ্গ

### গমুগ্ / শব্দ

আঞ্জাগ্=কণী ধান

বান্‌ঞ্জাগ্=গৰা খহা

গৃঞ্জক্-গৃৰক্=যাওঁতে হেৰাই যোৱা

গৃঃঞ্জক্-পৃৰক=চালোতে কম-বেছি হোৱা/অনিষ্ট কৰা

কাঃঞ্জগ্=দিনক দিনে ক্ষয় প্ৰাপ্ত হোৱা

পঞ্জগ্=ছাই আপঙৰ ভাত

কাঃঞ্জগ্=দেখাত ক্ষয় হৈ অহা

গৃঞ্জক্=হেৰাই যোৱা

গৃঃঞ্জক্=চালোতে কমি যোৱা

কৃঞ্জক্=হিচাবত কমি যোৱা

কৃঞ্জক্-কৃৰক্=হিচাপ কৰোতে খেলি-মেলি হোৱা

কাঃঞ্জগ্-কাঃৰগ্=দেখাত নিঃশেষ হৈ যোৱা



### আগম্ / বাক্য

চীম্ অক্‌ক বান্‌ঞ্জাগ্‌তন্=এই খিনিকিহে খহালে ?

চী চীক্ আমঙান্ ?=এইখিনি কাৰ মাটি আছিল ?

কউৱা, ন চীম্ কৃঞ্জকমাঃপী কৃক্‌ত=হেৰা লৰা, তুমি এইটো কম নোহোৱাকৈ হিচাপ কৰা ।

আঁই কউৱা ! নক বাঃব আঞ্জাগ্ আৰৃগ্ মদন ? =হেৰা লৰা ! তোমাৰ দেউতাৰাই কণীধানৰ খেতি কৰেনে ?

কাঃকা ! বলপী গৃপঃপী=মামা ! তালৈ আগতে লৈ লওঁ ।

আঁ, কাঃকা, গৃঞ্জক্‌মাঃপী গৃপঃপী=হয় মামা, গৈ নেহেৰুৱাকৈ লওঁ ।

আঁ, পঞ্জক্ অগ্‌লা তন্‌পী=হয়, ছাই আপঙৰ ভাত উলিয়াই চাকিম ।

নক্ এঃগ কৃদৃদী পঞ্জক্ দদন্ ?=তোমাৰ গাহৰি-বোৰে ছাই আপঙৰ ভাত খায় নে ?

চীম্ ৰাগ্‌গ বাঞ্জাগ্‌ত=এইটো গৰা খহিলে ।

ঙঃদান্ আমচীম্ কাঞ্জগ্-কাঃৰগ্‌দাগ=মই হলে মাটি ডোখৰ শেষ হৈ (কমি) যোৱাহে দেখিছো ।

আঁ কৃপী=হয় হিচাপ কৰিম ।

আঁ কাঃকা, বাবৃৱ আঞ্জাগ্ আৰৃগ মদ=হয় মামা, দেউতাই কণী ধানৰ খেতি কৰে ।

মৃম্‌বৃৰ্‌কৃদৃঙা অকলপী গৃপঃপী ?=গাভৰুহঁত কলৈ আগতে যাবা ?

মৃম্‌বৃৰ্‌কৃদৃঙা ! বলপী গৃলা গৃঞ্জক্-গৃৰক্‌মাঃপীকী=গাভৰুহঁত ! তালৈ গৈ হেৰাই নাযাবা ।

মৃম্‌বৃৰ্‌কৃদৃঙা ! পঞ্জক্‌ক অগলা আপঙীম্ তন্‌তা ?=গাভৰুহঁত ! ছাই আপঙৰ ভাত উলিয়াই চাকা ?

আঁ, আয়্‌য়পী দদাগ্=হয়, ভালকৈয়ে খায় ।

—o—

# পনাম্ -১১ / একাদশ পাঠ

(আজ্ৰ্গ কাংকিনীলাং আগম্ আদ্নামী /
চিনৰ চিনাকি আৰু বাক্যত প্ৰয়োগ)

## ব+ ু = বু, ৰ+ ু = ৰু, ক+ ু = কু, ত+ ু = তু, ন+ ু = নু ল+ ু = লু
## গ+ ু = গু, গ+ ু = গু, য়+ ু = য়ু, ম+ ু = মু, দ+ ু = দু
## ঙ+ ু = ঙু, জ+ ু = জু, চ+ ু = চু।

## ব+ ু = বু

বুত = টনা = নুলু চী ব্বুচীম্ বুত = তোমালোকে এইডাল বছী টানা।
বুয়-নাটানিবা = ন বীলী ব্বুবীম্ বুয় = তুমি সৌডাল (পশ্চিমৰ) বছী নাটানিবা।
বুলু = সিহঁত = বুলু অকল গ্কান? = সিহঁত কলৈ গৈছিল?
বুলুম = সিহঁতক = ন বুলুম গগ্পঃত = তুমি সিহঁতক মাতি লোৱা।
বুলুকী = সিহঁতে = বুলুকী নম্ লুকা = সিহঁতে তোমাক কৈছিল।
বুলুগ্কী = সিহঁতৰ = চী ব্বুচী বুলুগ্কী = এইডাল বছী সিহঁতৰ।

## ৰ+ ু = ৰু

ৰুত = জ্বলোৱা = ন চী ৰুময়াচীম ৰুত = তুমি এই হাবিখন জ্বলোৱা।
ৰুলুগ্য় = নজ্বলাবা = ন চী জাবৰ্চীম্ ৰুল্গ্য় = তুমি এই জাবৰবোৰ নজ্বলাবা।
ৰুঃনী = নিয়ন্তা = ৰুঃনীবু ঙলুম ৰুঃতাগ্ = ভাগ্য নিয়ন্তাই আমাৰ ভাগ্য নিৰ্নয় কৰিছে।
ৰুঃপীনী = সিদ্ধান্ত কৰোতা = নলুগ্ কীবাপী ৰুঃপীনী= তোমালোকেই ৰাজহুৱাকৈ সিদ্ধান্ত কৰোতা
ৰুঃমাঃপী = সিদ্ধান্ত নকৰাকৈ = নুলু কীবাপী ৰুঃমাঃপী আগম্ লুঃপয় = তোমালোকে ৰাজহুৱাকৈ সিদ্ধান্ত নকৰাকৈ কথা নকবা।
ৰুঃকাত = পোহৰ দেখুৱা = কউৱা, উম্–মীৰুক লাঃলা লামতীচীম্ ৰুকাঃত = হেৰা লৰা, জ্বলা-জুই আনি বাটটো দেখুৱা।



## ক+ ু = কু

কুত = চিঞৰা = আঃনী কঃৰ্গ্নীদীম্ কুত = ঘাটৈক মাতা।
কুয় = নিচিঞৰিবা = বাৰ্গ্কী কুপীনাম্দীম্ ন কুয় = বাৰিকৈ চিঞৰিলেও তুমি নিচিঞৰিবা।
কুকৃত = চিঞৰি চা = কঃৰ্গ্নী গ্তমা, লীকাদা কুকৃত = ঘাটৈ নাহিল, এবাৰ আকৌ চিঞৰি চা।
কুকায় = চিঞৰিছিলানে = বাৰ্গা ন কীবাঙীম্ কুকায়্ ?= বাৰিক, তুমি ৰাইজক মাতিছিলানে?
কুকা = মাতিছিলো = আঁ, কীবাঙীম্ লীক কুকা = হয়, ৰাইজক এবাৰ মাতিছিলো।
কুয়াব্ = কোৰ = ন কুয়াব্ তাগ্দন্ ? = তুমি কোৰ মাৰানে? আঁ, তাগ্দ = হয়, কোৰ মাৰোঁ।

## ত+ ু = তু

তুত = শুৱিয়ালে = তাঃতা, বৃ ওম্ তুত = ককা, সি মোক শুৱিয়ালে?
তুপামা = শুৱিয়াব নাপায় = কউৱা, আজনীম্ তুপামা = হেৰা লৰা, লগৰীয়াক শুৱিয়াব নাপায়।
তুয়চুদাগ্ = ভৰিৰে জোকোৱা = তাঃতা, বৃ তুয়চুদাগ ? = আতা, সি ভৰিৰে জোকাইছে / শুৱিয়াইছে?
তুময় = গুৱিয়াবলৈ নিদিবা = গাঃমা, বৃম্ তুময় = গাম, তাক গুৱিয়াবলৈ নিদিবা।
তুপঃত = আগত গুৱিয়ালে = গাঃমা, কাঃতকা, বৃওম্ তুপঃত ? গাম, চাচোন সিয়ে মোক আগতে গুৱিয়ালে।
তুনীনী = গুৱিওৱাজন = গাঃমা তুপঃনীদী চীঃকন্ কাঃতকায়্ = গাম, চোৱাচোন কোনে গুৱিয়ায়।

## ন+ ু = নু

নুলু = তোমালোক = নুলু অকল গ্পী ? =তোমালোক কলৈ যাবা?
নুলুক্= তোমালোকৰ=নুলুক্ মীগাপী ঙুলু কীবাপী গ্পী = তোমালোকৰ কাৰনে আমি সভালৈ যাম।
নুমা = সিদ্ধ নোহোৱা = অওটী নুমা = খৰিকা দিয়া মাছটো সিজা নাই।
নুমত = সিদ্ধ হবলৈ দিয়া = লীকদা বাঃলা নুমত = আকৌ এবাৰ জুইত সিদ্ধকৈ পোৰা।
নুমৃল = সিজিলে = অওদী নুমৃল আয়দাগ্ = মাছটো সিজিলে ভাল।
নুলুম = তোমালোকক = নুলুম্ কীবাবী গক্কান্ ? = তোমালোকক সৌ ৰাইজে মাতিছিলেনে?

## ল + ু = লু

লুত = কোৱা = ন বুম্ গগ্দাপ নীম্লা লুত = তুমি তাক মাতিছে বুলি কোৱা।
লুপী = কম = আঁ, ঙ বুম লুপী = হয়, মই তাক (মাতিছে বুলি) কম।
লুকাঃতন্ = মাত লগালানে = ন কীবাং কতুম্ দীম্ লুকাঃতন্ ? = তুমি সভাপ্ৰতিক মাত লগালানে ?
লুকাঃত = মাত দিলো = আঁ, কীবাচক্ আবুদীম্ লুকাঃত = হয়, সভাপতিক মাত দিলো।
লুকুত = কৈচোৱা = ঙলুককলপী গ্নাম্ক বুম্ লুকুত = আমাৰ তালৈ যোৱাৰ কথা এটা কৈ চোৱা।
লুকুপী = কৈ চাম = কাঃচ, ঙ বুম্ লুকুপী = ৰবা, মই তেওঁক কৈ চাম।

## গ + ু = গু

গুতন্ = জুইৰ তাপ পালে = কাপী নম্ উমম্মী গুতন্ ? = তোমাক কেনেকৈ জুইৰ তাপে পালে ?
গুমত = তাপ পোৱালে = বু ঙম্ গুমত = সিয়ে মোক জুইৰ তাপ পোৱালে।
গুময়-তাপ পাবলৈ নিদিবা-ন বুম্ লীকদা উম্ গুময়-তুমি তাক আকৌ এবাৰ জুইৰ তাপ নোপোৱাবা।
গুমমা = তাপ নোপোৱাওঁ = আঁ, লীকদা গুমগেমাং = হয়, দুনাই তাপ নোপোৱাওঁ।
গুদাং = গৰমনে = অক অচ্ঙী আবাক গুদাং = কি খৰি বেছি গৰম ?
গুদাগ্ = গৰম = আঁ, আল্ অচ্ঙী আবাক গুদাগ = হয়, শাল খৰি বেছিকৈ গৰম।

## প + ু = পু

পুকান্ = ছিঙিছিলানে = ন আপ্পুন্ পুকান্ ? = তুমি ফুল ছিঙিছিলানে ?
পুমা = নাইছিঙা = মা, ঙ আপ্পুন্ পুমা = নাই, মই ফুল ছিঙা নাই।
পুয়- নিছিঙিবা = আয়দাগ, আঁম্ মূল ন আপ্পুন্ পুয় = ভাল বাৰু, তেনেহলে তুমি ফুল নিছিঙিবা।
পুকুতুন্ = ছিঙি চালানে = ন মূৰচ্ পুকুতুন্ ? = তুমি জলকীয়া ছিঙি চালানে ?
পুকমাং = ছিঙি পোৱা নাই = মা, মূৰচ্ পুকমাং = নাই জলকীয়া ছিঙি পোৱা নাই।
পুয় / পুগ্য় = নিছিঙিবা = মূৰছ পুমূল / গুগ্মূল আলাগী দুগদ, পুয় / পুগ্য় = জলকীয়া ছিঙিলে হাত জ্বলে, নিছিঙিবা।



## য় + ু = য়ু

য়ুতন = পুতিলানে = ইকি চিমাদীম্ য়ুতন্ ? = কুকুৰৰ শটো পুতিলানে ?
য়ুত = পুতিলো = আঁ, য়ুত = হয়, পুতিলো।
য়ুয় = নুপুতিবা = চিমাদ্নী ইকি চিমাঙীম্ অকুম্ আনূন্ল য়ুয়্ = বলিয়া কুকুৰৰ শ ঘৰৰ ওচৰত নুপুতিবা।
য়ুপামাং = পুতিব নাপায় = অকুম্ আনূন্ল চিমাঙীম্ য়ুপামাং=ঘৰৰ ওচৰত মৰা শ পুতিব নাপায়।
য়ুদ = পোতে = চিমাঙীম্ অকুম্ মদীপী য়ুদ = মৰাশ ঘৰৰ দূৰত পোতে।
য়ুমা = নোপোতে=চাঁঃকচিন্ অকুম্ আনূন্ল চিমাঙীম্য়ুমা=কোনেও ঘৰৰ ওচৰত মৰাশ নোপোতে।

## ম + ু = মু

মুদাগ্ = মুৰ কামোৰিছে = বুক্কী তুপ্ক মুদাগ্ = তেওঁৰ মুৰ কামোৰিছে।
মুমান্ = কামোৰণি নোহোৱা = নক্কী মিত্তুপ মুমান্ ? = তোমাৰ মুৰ কামোৰা নাইনে ?
মুমাং = নাকামোৰা = মা, ঙক্কী মিত্তুপ্ মুমাং = নাই, মোৰ মুৰ কামোৰা নাই।
মুকুমান্ =কামোৰি পোৱা নাইনে=নক্কী তুপ্ক মুকুমা ?=তোমাৰ মুৰ কামোৰি পোৱা নাইনে।
মুকুতাগ্ = কামুৰি পোৱা = আমৌ, মুকুতাগ্ = হয়, মুৰ কামোৰি পাইছে।
মুমামূল = নাকামোৰিলে = তুপ্ক মুমামূল আয়দাগ্ = মূৰ নাকামোৰিলেই ভাল।

## দ + ু = দু

দুকুত = খান্দি চা = য়াঃয়া, মাঃয়চীম্ দুকুত = আইতা, কাঠ আলুটো খান্দি চা।
দুকুপী = খান্দি চাম = আঁ, কউৱা ঙ চীম্ দুকুপী = হয় অবা, মই এইটো খান্দি চাম।
দুত = খান্দ = কউৱা, ন আঁলাম্ দুত = হেৰা লৰা, তুমি সেইটো খান্দা ?
দুপী = খান্দিম = আঁ, ঙ চীম্ দুপী = হয়, এইটো মই খান্দিম।
দুপামা=খান্দিব নাপায়=মাঃয়ঙীন্ পুকিন্ মামূল্ দুপামা=কাঠ আলু খান্দিব নাজানিলে খান্দিব নাপায়।
দুমত=খান্দিবলৈ দে=য়াঃয়াচী আমচীম্ বুম্ দুমত=আইতা, এই খোপা কাঠ আলু তাক খান্দিবলৈ দে।

## উঁ + ু = উঁু

ঙুলু = আমি = তাঃতা, ঙুলু কীবাচপী গ্তাগ্ = আতা, আমি সভালৈ আছিছো।
ঙুলুক্ = আমাৰ = ঙুলুক্ দঃলুচপী গ্কৃতাং = আমাৰ গাঁৱলৈ আগতে আহি পাইছনে ?
ঙুলুনা = আমিয়ে = বুলু গ্কৃতাগ্, ঙুলুনা গ্কৃমান্ = সিহঁত আহি পাইছে, আমিহে আহি পোৱা নাই।
ঙুলুম্ = আমাক = তাঃতা, ঙুলুম্, ন কাং কিন্দুন ? = আতা আমাক তুমি চিনি পাইছানে ?
ঙুলুচিন্ = আমিও = অী, কাং কিন্দাগ্, ঙুলুচিন তলগ ংকা=হয়, চিনি পাইছো, আমিও তাৰেই।
ঙুলুক্কী = আমাৰ = নলুক্দঃলুতী ঙুলুক্কী অীবাঙী কাদাগ্ = তোমালোকৰ গাঁৱত আমাৰ পৰিয়াল আছে।

## জ + ু = জু

জুনী = তিতা = জুনী বীদু-গাচব্ গীয় = তিতা সাজ-পোছাক নিপিন্ধিবা।
জুয় = নিতিতিবা = পদলঃ জুয় = বৰষুণত নিতিতিবা।
জুমত = তিয়ালে = বুঃনা কিতাপচীম্ জুমত = সিয়ে কিতাপখন তিয়ালে।
জুময় = নিতিতাবা = চী বইচীম্ জুময় = এই বহীখন নিতিতিবা।
জুকান্ = তিতিলেনে = পদলঃ বু জুকান্ ? = বৰষুণত সি তিতিলেনে ?
জুমা = তিতা নাই = মা চাতি কালা বু জুতমা = নাই, ছাতি থকাৰ কাৰণে সি তিতা নাই।

## চ + ু = চু

চুত = ধোৱা = চ ন আলগ্ চুত = ইয়াত তুমি হাত ধোৱা।
চুয় = নুধুবা = তাল ন আলগ্ চুয় = তুমি তাত হাত নুধুবা।
চুপয় = নুধুলাহেঁতন = ন আলাগ্ চুপয় = তুমি হাত নুধুলাহেঁতন।
চুমত = ধুবলৈ দিয়া = বুল্ মামুগ্ চুমত = তাক মুখ ধুবলৈ দিয়া।
চুময় = ধুবলৈ নিদিবা = অল বুম্ মামুগ্ চুময় = তাত তাক মুখ ধুবলৈ নিদিবা।
চুকা = ধুলে = বু অল আলাগ্ চুকা = সি তাত হাত ধুলে।

# পনাম-১২ / দ্বাদশ পাঠ

[ আজৃগ্ কাংকিনীলাং আগম্ আদনামী / চিনৰ চিনাকি আৰু বাক্যত প্ৰয়োগ ]

ব + ং = বং  ৰ + ং = ৰং  ক + ং = কং  ত + ং = তং  অ + ং = অং
আ + ং = আং  অৃ + ং = অৃং  অী + ং = অীং  ন + ং = নং  ল + ং = লং
গ + ং = গং  প + ং = পং  য় + ং = য়ং  ম + ং = মং  দ + ং = দং
উঁ + ং = উঁং  ঙ + ং = ঙং  জ + ং = জং  চ + ং = চং  ই + ং = ইং
এ + ং = এং  ঞ + ং = ঞং

## ব + ং = বং

বংগুদ = বুঢ়াৰ নাম = তাঃত বংগ্দা, ঙল্ নম্ লুপাচুদুং = আতা, আমি আপোনাক প্ৰণাম জনাইছো।
বংকুৱাল = মিচিঙৰ এটা ফৈদ = নল্ বংকুৱাল্বক্কীই গুদুন্ ?=তোমালোকে বংকুৱালৰ পৰা আহিছা নেকি ?

বাংক=ভেকুৰী = অী, নক্কচক্বাংক পৃকল পুকল্ গ্দুং=হয়, আপোনাৰ ইয়াত ভেকুৰী ছিঙিবলৈ আহিছো।

বাংকিন্ = সাঁতুৰিব জনা=বাংক আঃনী কাংকতী দুংন বাংকিন্দন্ ?= নৈৰ সিপাৰত ভেকুৰী আছে, তুমি সাতুৰিব জানানে ?

বাংকং = সাতুৰি পাৰ হোৱা=অী, চী আঃনীচীম্ বাংকলা বাংক পুত=হয় জানো, এই নৈখন সাতুৰি পাৰ হৈ ভেকুৰ ছিঙা।

বাংকাং=সাতুৰি যোৱা = অীম্মৃল্ ন বাংকাং চা=তেনেহলে তুমি সাঁতুৰি যোৱা।

## ৰ + ং = ৰং

মুৰং=মিচিঙৰ ৰাজহুৱা ঘৰ=কাঃকা, চৌ মুৰং অকুম্ক=মামা, এইটো এটা ৰাজহুৱা ঘৰ।
ৰংঙাম্=নিজান=অকুমচৌ ৰংঙাম্ ৰংঙা্মপৌ দুং=ঘৰটো নিজান-নিজান হৈ আছে।
ৰাংকপ্=ডুবা কাছ=কাঃকা, ঙলু চ ৰাংকপ্ বাংলা দকা=মামা, আমি ডুবা কাছ ইয়াত পুৰি খাইছিলো।
ৰংকা=পেট ছাফা কৰা=ঐদৗম্ বৃঃনা আকি ৰংকা=কাছটোৰ পেট সিয়ে বাছিছিল।
ৰংকিন্=পেট বাছিব জনা=নঃকা কৌচুং আকিৰংকিন্দন্ ?=তুমি একা কাছৰ পেট বাছিব জানানে ?
ৰংকিন্মা=পেট বাছিব নাজানো=কাঃকা, ঙ কৌচুং আকি ৰংকিন্মা=মামা, কাছৰ পেট মই বাছিব নাজানো।

## ক + ং = কং

কংক=নাৱেৰে নৈ পাৰ হোৱা=ন আঃনৌচৗম্ কংকপত=তুমি নৈখন পাৰ হৈ লোৱা।
কাংক=সিপাৰলৈ দেখা=ঐনৌ কাংকঙৌনৌ বুলুক দঃলুঙৌ দুং=সিপাৰে দেখাখিনিত সিহঁতৰ গাওঁ আছে।
কংকং=পাৰ হৈ পোৱা=ন আঃনৌচৗম্ কংকং কৃতাং ?=তুমি নৈখন পাৰ হৈ পাইছানে ?
কংকা=পাৰ হৈছো=ঐ, লৌক অন্লুং কি কংকং-কৃতাগ্=হয়, এবাৰ নাৱেৰে পাৰ হৈ পাইছো।
কংকংলায়=পাৰ হওঁ=কায়, ঙন্ আঃনৌ কংকংলায়=আহা, আমি নৈ পাৰ হওঁ।
কংকপয় = পাৰ নহবা = কাঃচ, অচাৰ চাৰ দুং কংকপয়=ববা, (ধুমুহা) বতাহ বলিছে পাৰ নহবা।

## ত + ং = তং

তংক=জৰা ঠাই=মৃম্বৃবা, চৌ পৌতু তংক=হেবা গাভক, এইখিতি সৰিয়হ জৰা ঠাই।
তংকা=জাৰিছিলো=কাঃকা, মৌল তনমৃন্ পৌতু তংকা=মামা, কালি সৌ তাত সৰিয়হ জাৰিছিলো।
তংকৃত=জাৰি চা=মৃম্বৃবা, ডিল চগ্গৃং তংকৃত=হেবা গাভক, আজি ইয়াতে জাৰি চা।
তংকৃপৌ=জাৰি চাম=আয়দাগ্, চগ্গৃং তংকৃপৌ= ভাল বাৰু, ইয়াতে জাৰি চাম।
তংকান্=জাৰি দেখুৱা=কাঃকা, লৌক তংকান্পঃত ?=হেবা মামা, এবাৰ জাৰি দেখুওৱা ?
তংকান্পৌ = জাৰি দেখুৱাম=কাঃত, ঙ নুলুম্ লৌক তংকানপৌ=চোৱা, মই তোমালোকক এবাৰ জাৰি দেখুৱাম।



## অ + ং = অং

অংঙ=মাছ=নল্ অকলক্ অংঙম্ লাঃদন্ ? = তোমালোকে কৰ পৰা মাছ ধৰা ?
অংকাগ্=পানী শুকাই শেষ হোৱা=পাংতাংঅংকাগ্মৃল পাঃতাঙলক্ লাঃদ=বিল ( পানী ) শুকালে, বিলৰ পৰাই ধৰো।
অংকুপৌ=শুকাবগৈ =ঐদৃল পাঃতাং অংকুপৌ ?=কেতিয়া বিল (পানী) শুকাব ?
অংকুপৌ=শুকাবগৈ=চুগ্গৃং পাঃতাং অংকুপা = এতিয়াই বিল শুকাব ?
অংকা=শুকাইছিল= মৌন্য়িং লম্দান্লা অংকা=যোৱা বছৰ সোনকালে শুকাইছিল।
অংকুমাং=নুশুকায়=লৌক-লৌক পাঃতাঙৌগম্ ঃমলা অংকুমাং=এবাৰ কেতিয়াবা সোনকালে নুশুকায়।

## আ + ং = আং

আংঙ=পাচ=তাঃতা, ঙক্কৌ বৃৰ্ৰ আংঙক=ককা, মোৰ ভাই পাচজন।
গৃআংকা=সোমাই আহাচোন=আয়দাগ্, ন চঃপৌ গৃআংকা = ভাল বাৰু তুমি সোমাই আহাচোন।
আংকাং = সোমালে=চৌঃকবৃ চিপাইপৌ আংকাং ঐয়ৃত ?=কোনজন চিপাহীত সোমালে বুলি কলা ?
আংকৃমতাগ্=সোমাবলৈ দিছো=তাঃতা, বৃআদৗম্গম্ আঃকৃমতাগ্=আতা, মাজুজনকো সোমাবলৈ দিছো।
আংকৃমত=সোমাবলৈ দে=আয়দাগ্, চিপাইপৌ অংকৃমত=ভাল হৈছে, চিপাহীত সোমাবলৈ দে।
আংগং-আংগং=সোমাই সোমাই=তাঃতা. আজ্জনৌনৌগ্ম পঙাব্মাপৌ আংগং-আংগলা দুং=ককা, সৰুটোৱেও পঢ়া শেষ নকৰাকৈ অ'ত ত'ত চাকৰিত সোমাইছে।

## অৃ + ং = অৃং

অৃংক=কি=ন মিবুদৗম্ অৃংকম্ তাদ্কান্ ?=তুমি দেওধাইক কি সুধিছিলা ?
অৃংকৃতকা=কাহিনীটো কৈ চোৱাচোন=তাঃত মিব্বা, ঙলুক্ দলে গুমৃনৗম্ অৃংকৃতকা= ককা দেওধাই, আমাৰ গোত্ৰৰ কথা কোৱাচোন।
অৃংকৃপৌ=কৈ চাম=ঐ, ঙ নলুক্ চঃৰ গুমৃন্দৗম্ অৃংকাপৌ=হয়, মই তোমালোকৰ সকলো গোত্ৰৰ কথা কৈ চাম।

অ্ংগাব্পাই=সঠিককৈ কব পাৰিবানে=আবুমিব্বা, মিবু দাগ্মাপী অ্ংগাব্পাই ?=দেউতা, দেওধাই দেও ন্ঠাকৈ সঠিককৈ কব পাৰিবনে ?

অ্ংগাব্মা=সঠিককৈ কব পৰা নহয় (নোৱাৰে)।

=মিবু পাঃক্কগ্চাঃমামূল্ আবপী অ্ংগাব্লাঃমাং = দেওধাইক দেও নলভিলে সঠিককৈ কব নোৱাৰে।

অ্ংকুপী=কম গৈ=আঁম্মূল, মিব্ দাগ্লা অ্ংকুপী=তেনেহলে, দেও উঠিয়ে কমগৈ।

## আঁ + ং - আঁং

আঁংক্দন্ - হাবি ফালি গৈ পাইছানে ?

- বাবুঙা, ন য়ুম্ৰাং আঁংক্দন্ ? = হেৰা বাবু, তুমি হাবি ফালি গৈ পাইছেনে ?

আঁংক্মাং= হাবি ফালি গৈ পোৱা নাই

- মা কাঃকা, য়ুম্ৰাং আঁংক্মাং = নাই মামা, হাবিত বাট উলিয়াই গৈ পোৱা নাই।

আঁংক্তাং - কাঠনিত গৈ পাইছানে ?

= কাৱ্পুম্নকা, চ্লুং আঁংক্তাং ?=হেৰা কাৰ্পুম, তুমি একা কাঠনিত গৈ পাইছানে ?

আঁংকা=হাবি ফালি গৈছিলো

= আঁ কাঃকা, লীক জনাইত চ্লুং আঁংকা=হয় মামা, এবাৰ জনাইত হাবি ফালি কাঠনিত গৈছিলো।

আঁংক্পী = হাবি ফালি গৈ চাবলৈ

= নল্ য়ুম্ৰাং আঁংক্পীয় = তোমালোকে হাবি ফালি গৈ চাবানে ?

আঁংক্লাং = হাবি ফালি গৈ চাবা

= নল্ তুঃব্গ্মান্ কউৱী, য়ুম্ৰাং আঁংকলাং = তোমালোক কামত নহা লৰা (অকামিলা) হাবি ফালি গৈ চাবা।

## ন + ং - নং

নংকান্ - মাতিছিলানে

= কউৱা, ন ইকি নংকান্ ? = হেৰা লৰা, তুমি কুকুৰ মাতিছিলানে ?

নংকা - মাতিছিলো



- আঁ বাঃবইয়া, কিঃবমী নংকা - হয় দাইটি, মন্তা কুকুৰটো মাতিছিলো।

নংকিন্দন্ - মাতিব জানানে

= আঁই কউৱা, নঃকা ইকি নংকিনদন্ ? = হেৰা লৰা, তুমি একা কুকুৰ মাতিব জানানে ?

নংকিন্দ=মাতিব জানো

= আঁ বাঃবা, ঙ ইকি নংকিন্দ = হয় দেউতা, মই কুকুৰ মাতিব জানো।

নংক্কা - মাতি চা

= কউৱা, নঃইকিক্দ্দীম্ নংক্কা - হেৰা লৰা, কুকুৰবোৰ মাতি চা।

নংক্পী = মাতি চাম

= আঁ, ঙ ইকিয়াম্ নংক্পী = হয়, মই কুকুৰ মাতি চাম।

## ল + ং - লং

লংক - এদিন / সিদিনা

= ন লংক অকুম্ মকান্ ? = তুমি এদিন ঘৰ সাজিলানে ?

লংকংক - এদিনাহে

= আঁ, ঙ লংকংক অকুম মকা - হয় এদিনহে মই ঘৰ সাজিলো।

লংকাং - ছদিন

= ন লঙ-লংকাংক আতাৰী মপঃত = তুমি অকলে পাচ-ছয় দিন কৰাচোন।

লংঙাম্ - দিনত

= গাঃমা, লীক লংঙাম্ অকুম্ মবপঃত=হেৰা গাম, এবাৰ দিনত তুমি ঘৰ সজাত সহায় কৰাচোন।

লংকং-লংকংক - এদিন-এদিনাহে

= আঁ, ঙঃগম্ লংকং-লংকংক মবলাঃপী- হয়, ময়ো এদিন সহায় কৰিব পাৰিম।

লংক-লংক - এদিন-এদিন

= কায়, ঙল্ আপ্পুঙী লংক-লংক মবলায় - আহা, সকলোৱে আমি এদিন-এদিন সহায় কৰো।

## গ + ং - গং

গংক্তাং - খেদি পাইছানে

= মামালা, ন গঃৰীম্ গংক্তাং ? - মামাল, তুমি গৰু খেদি পাইছানে ?

গংক্‌তাগ্‌ = খেদি পাইছো

= আঁ চাঃবা, গঃৰী ঙ গংকৃতাগ = হয় চাহাব, মই গৰু খেদি পাইছো।

গংক্‌ত = খেদি চা

= আঁম্‌মৃল আয়দাগ্‌, চৗ গঃৰুচৗম্‌ গংক্‌ত = তেনেহলে ভাল, এই গৰুটোক খেদি চা।

গংগঃ = অলৈ-তলৈ খেদি ফুৰা

= মামালা, লাম্‌তৗচৗম্‌ কাংগাব্‌ত গংগঃলা দুঃমাপৗ = মামাল, বাটটো চিনি লোৱা, অলৈ-তলৈ খেদি নুফুৰিবা।

গংগুমা = খেদিবলৈ অসুবিধা

= চৗ লাম্‌বৗচৗ আয়মাং, গঃৰুচৗম্‌ গংগুমা = এই বাটটো সুবিধাজনক নহয়, গৰুটোক খেদিবলৈ অসুবিধা।

গংকাঃত = খেদি চা

= আঁম্‌দাগ্‌গম্‌ গঃৰুচৗম্‌ ন গংকাঃত = হলেও তই গৰুটোক খেদি চা।

## গ + ং = গং

পংগ = চুৰি কৰি ফুৰা

= গুঃমৃনা, বৗনৗচন্‌ পংগনৗ তানিদৗন্‌ ? = হেৰা গুমৃন্‌ সৌ মানুহজন দেখোন চোৰ ?

পংকা = চোৰ কৰিছিল

= আৰপৗ, লৗক বৃ মুব্‌কঙৗম্‌ পংকা = সচাকৈ এবাৰ সি টকা চোৰ কৰিছিল।

পংকৃতাগ্‌ = চোৰ কৰি পাইছে

= তাঃতা, বৃ আব্‌গ্‌লক্‌ আঃমৗম্‌ পংকৃতাগ্‌ = ককা, সি পথাৰৰ ধানো চোৰ কৰি পাইছে।

পংগনৗ = চোৰ কৰি ফুৰা

= আৰপৗয়্‌ বৃ পংগনৗ আমিকন্‌ ? = সচাকৈয়ে সি চোৰ কৰি ফুৰা লোক নেকি ?

পংগনৗম্‌ = চোৰ কৰি ফুৰাজনক

= কঃকৃদ্‌ঙা কাপৗ পংগনৗম্‌ চঃগাব্‌মান্‌ নুলু ? = লৰাহঁত, কিয় চোৰ কৰি ফুৰা লোকক তোমালোকে নধৰা ?

পংগনৗক = চোৰ কৰি ফুৰা এজনক

= লৗক তাঃতা, পংগনৗক চঃগাব্‌লা আয়পৗ দৗম্‌তাগ্‌ = এবাৰ ককা, চোৰ এজনক ধৰি ভালদৰে পিতিছো।



## য় + ং = য়ং

তায়ুং = মিচিঙৰ উপাধি

= তায়ুং মৃজৃঙা, কাপৗ ইদুন্‌ ? = তায়ুং বুঢ়া, কেনে আছা ?

আয়াং = মৰম

= আঁ আইদুং, আয়াংকা ন্‌ম্‌ কউৱা, ন চৗঃৰাকুন্‌ ? = হয় ভাল, হেৰা মৰম লগা ডেকা, তুমি কোন ?

মায়ং = কাঠ আলু

= ঙ তাঃ তা, মায়ং দঃলুতক্‌ মন্‌বৰ্‌বৃকুনা=আতা, মই মায়ং গাঁৱৰ মনবৰ আকউ।

য়ং = পোন

=আয়দাগ্‌ আঁম্‌মৃল, ন য়ং আঁম্‌নৗ অ্‌আকতৗঃপত=ভাল বাৰু,তেনেহলে তুমি পোন চাই বাঁহ এডাল কাটাচোন।

য়ংকা = চাঁচা

= ন অ্‌আদৗম্‌ আঁপুক্‌পৗ য়ংকাংকৃত = তুমি বাঁহটোৰ পৰা কাড় চাঁচাছোন।

য়ংম = বৰ বিহ

= অদঙ চুম্‌ম আপ্‌নাপৗ য়ংমম্‌ মল্‌গ্‌পৗ = তাত মই বাঘ মাৰিবলৈ (কাড়ত) বৰবিহ লগাই দিম।

## ম + ং = মং

মংকু = পুৰণি ভেটি

= কাঃকা, তৗ মংকু আমঃতৗ চৗক্‌কান্‌ ? = মামা, সৌ পুৰণি ভেটিটো কাৰ আছিল ?

মংকুতৗ = সৌ পুৰণি ভেটিটো

= কউৱা, মংকুতৗ ঙলুক্‌ আমঙায় = সৌ পুৰণি ভেটিটো আমাৰ মাটি আছিল লৰা।

মাংগ = বগাই থকা

= কাঃকা, তৗলৗ মাঃয়ঙৗ মাংগলা দুং = মামা, তাত কাঠ আলু বগাই আছে।

আমং = মাটি

= আঁ, আয়নৗ আমংকৃদৃদ মাঃয়ং মাঃদ = হয়, ভাল মাটিত কাঠ আলু বগায়

মংক = খেতি কৰা ঠাই

= কাঃকা, ঙ আনু আব্‌গ্‌ মংক্‌ত মাঃয়ং মাঃমতাগ = মামা, মই নতুন খেতি কৰা ঠাইত কাঠ আলু বগাবলৈ দিছো।

মাঃমাং = বগোৱা নাই

= আম্ দাগ্ গম্ তাঁনীম্ পী মাঃমাং = হলেও সৌ তাৰ নিচিনাকৈ বগোৱা নাই।

## দ + ং = দং

দংক = শোৱা ঠাই

দংকাং = শুই চোৱা

দংগং = ওচৰ-চুবুৰীয়া

দংগ-দংগ=অ'ত-ত'ত শোৱা

দংকাব্ = বৰষুণৰ পানীয়ে ছাঁকা কৰা।

পদং = বৰষুণ

অকলন্ নক্ দংকনী ? = কোনখিনি তোমাৰ শোৱা ঠাই ?

আঁনীনা, ন দংকাংকৃতকাই = সৌটো, তুমি শুই চোৱাচোন।

নলুগ্ কী দংগং কামান ? = তোমালোকৰ ওচৰ চুবুৰীয়া নাই নেকি ?

আঁ, দুং, অনবুলগম্ দংগ-দংগল্ ওলু দঃদ= হয় আছে, সেইবোৰ ঘৰতো আমি অ'ত-ত'ত শোও।

বৃঃচন্ পদং অকাদ্ কল দংকান ?=সি চোন বৰষুণ পৰা ঠাইত শোলে ?

আইৰুপী আইদাগ্, পদঙীম্ দংকাৰমত বৃম্-খুব ভাল হৈছে, বৰষুণত ধুৱাই ছাঁকা কৰিবলৈ দিয়া তাক।

## উ + ং = উং

উংকল = জাবৰ বাছিবলৈ

উংকলপী = জাবৰ বাছিবলৈ

উংকাঃপী = জাবৰ বাছিবলৈ

উংকৃতাগ্ গান্ = জাবৰ বাছি পাইছিলানে

উংক্ মাংঙায় = জাবৰ বাছি পোৱা নাছিলো

উংকৃদুং = জাবৰ বাছি পাইছো

উংকুম্-উংকুম্ চুলা=জাবৰ বাছি গোটাই আনি

উংগ-উংগল = অ'ৰ-ত'ৰ জাবৰ বছা

উংগনাম্ মীম্ = উকি দি ফুৰা

উংগমাং = উকি দি ফুৰা

উংগদঃ = উকি দি ফুৰে

মৃম্ বৃৰা, লঃদীম্ ৰঃউঙীম্ অকল গৃদন্ ? কাইয়া, পীতু ৰৃগ্ চীং আৰ্গ্ ল য়ুম্ ৰাং উংকল গৃদ। চীক-চীক য়ুম্ ৰাং উংকলপী গৃদন্ ? ওলু দঃল্ ং মৃম্ বৃৰ্ আপ্ পুঙীয় য়ুমৰাং উদুম্-উকম্ চুল উংকাঃপী গৃদ। মৃম্ বৃৰা, ন আঁদৃলই য়ুম্ ৰাং উংকৃতাগ্ গান্ ? কাইয়া, পঃপী উংকুমাংঙায়। চুঃগ্ গং আজন্ লীদুল উংকৃদুং। আঁনমূল্ আইদাগ। মৃম্ বৃৰা য়ুম্ ৰাং উংকুম্ চুলা ৰম্ লৃগ্ লাং। কাইয়া, আঁনীমৃঃপী উংগং উংখল্ উংকুম্ চুলা ৰম্ লৃগ্ দ। মৃম্ বৃৰা, দুম্ চুঙীম্ তল ৰৃগ্ চুদন ? মা, কাইয়া, দুমচুঙী য়ুম্ ৰা আৰাঃত চুম্ গঃ-চুম্ গঃল-চুম্ লা উংগঃ-নাম্ মীম্ লঃদীম্ তাদ্ পাঃদাগ্। আঁই মৃম্ বৃৰা, দুমচুঙী কাব্ গঃদঃম্ ন্, উংগমাং। মা কাইয়া, দুম্ চুঙী উঃদৃকল্ উংগদঃ, কাব্ দৃকল কাব্ গদং।

হেৰা গাভৰু, সদায় পুৱাৰ ভাগত কলৈ যোৱা ? ককাইদেউ, সৰিয়হৰ ওপৰঞ্চি খেতিৰ জাবৰ বাছিবলৈ যাওঁ। কোনে কোনে জাবৰ বাছিবলৈ যায় ? আমি গাৱৰ গাভৰু আটাইবোৰেই জাবৰ বছাত ইজনীয়ে সিজনীক সহায় কৰিবলৈ যাওঁ। হেৰা গাভৰু, তুমি কেতিয়াবা জাবৰ বাছি পাইছিলানে ? ককাইদেউ, আগতে জাবৰ বাছি পোৱা নাছিলো। এতিয়াহে লগৰীয়াৰ লগত জাবৰ বাছি পাইছো। তেনেহলে ভাল। হেৰা গাভৰু, জাবৰবোৰ গোটাই গোটাই জুই জুলাই দিবা। হেৰা গাভৰু, তাত হৰিণা লগ পোৱানে ? নাই ককাইদেউ, হৰিণাই হাবিৰ মাজে মাজে ডেও দি ফুৰি উকি দিয়া সদায় শুনিবলৈ পাওঁ। হয় গাভৰু, হৰিণাই মাতেহে উকি নিদিয়ে। নহয় কাকাইদেউ, উকি দিয়াৰ সময়ত উকি দিয়ে, কন্দাৰ সময়ত কান্দে।

## জ + ং = জং

জংকান্ = কঢ়িয়াইছিলা

= চীঃক-চীঃক অ্ আ জংকান্ ?=কোনে কোনে বাহ কঢ়িয়াইছিলা ?

জংকাপ্ = বাস্তাবন্ধ কৰা

= বুলু লাম্ তী জংকাপ্ মাপী অ্ আজংকা=সিহতে বাট বন্ধ কৰিবৰ কাৰণে বাহ কঢ়িয়াইছিল।

জংকাপ্ তন্ = বন্ধ কৰিলানে

=আঁমমৃন নুলু লাম্ বী জংকাপ্ তন্ = তেনেহলে তোমালোকে বাট বন্ধ কৰিলানে ?

জংগ-জংগলা = অ'ৰ ত'ৰ পৰা অনা

=আঁ, অলগ-অলগ অ্ আ জংগ-জংগলা লাঃলা জং-জংকাপ্ ত=হয়, অ'ৰ ত'ৰ বাহ কঢ়িয়াই আনি বাট বন্ধ কৰিলো।

জংকৃতন্ =কঢ়িয়াই চালানে

= ন আঁম্ মৃল অ্ আ জংকৃতন্ ?=তেনেহলে তুমি বাহ কঢ়িয়াই চালা নহয় ?

জংকৃত = কঢ়িয়াই চালো

= আঁ, ঙ অ্ আ জংকৃত = হয়; মই বাহ কঢ়িয়াই চালো।

## চ + ং = চং

চংকান্ = নাচিছিলানে

চংকা = নাচিছিলো

চংব্কান্ = নাচি চাই ছিলানে
চংকৃতাং – নাচি পাইছানে
চংকাল্মান্ = নাচি দেখুৱা
চংগ চংগল্ = এনেই অ'ত-ত'ত নচা
চংগাব্ লামা = সঠিককৈ নাচিব পৰা হোৱা নাই
চংকৃমাং = নাচি পোৱা নাই
চংকান্কা = নাচি দেখুৱাইছিল

মৃম্বৃৰা, ন পঃৰাগ্দ চংকান্ ? আঁ, তাঃতা, চংকা। আঁম্মৃল্ আইদাগ্। আলিয়াই লৃগাংদকা চংকৃকান্ ? মা, তাঃতা, ঙ ল্গাং চঃনানদীম্ চংগাব্লামামা চঃতমাং। বৃকা লৃগাং চঃনামীম্ চংকৃতাং ? মা, তাঃতা বৃগম্ চংকৃমাং। বুল্ নলুম্ ল্গাং চঃনামীম্ চংকান্মান্ ? মা, তাঃতা, বুল্ চংকান্কা, আঁম্দাগ্ম্ চংগ-চংগল্ চঃনাম্দীম্পী ল্গাং চঃনাম্দী ইমাং।

হেৰা গাভৰু, তুমি পঃৰাগ উৎসৱত নাচিছিলানে ? হয় ককা, নাচিছিলো। তেনেহলে ভাল। কৃষি সিচা উৎসৱত নাচিছিলানে ? নাই ককা, মই ল্গাঙৰ নাচটো সঠিকভাবে নাচিব নোৱাৰি নচা নাছিলো। তাই একা. ল্গাং ( কৃষি নাচ ) নাচ নাচি পাইছেনে ? নাই, ককা, তায়ো নাচি পোৱা নাই। সিহঁতে তোমালোকক কৃষি নাচৰ মুদ্ৰাবোৰ নাচি দেখুৱা নাইনে। নাই আতা, সিহঁতে নাচি দেখুৱাইছিল, হলেও এনেই অ'ত ত'ত নাচি ফুৰা নাচৰ দৰে ল্গাং নাচৰ মুদ্ৰা নহয়।

## ঈ + ং = ঈং

ইংকাদ্পীকী = পিক্ লাগিব চাবা
ইংকান্ = কোনেকৈ তামোলৰ পিক্ উঠিল
ইংকাদ্তন্ = পিক্ লাগিলে
ইংকাদ্দৰুং = পিক্ লাগেই
ইংকাদ্মমাং = পিক্ লাগিবলৈ নিদিও
ইংকাং = পিক্ উঠিল
ইংগ-ইংগদঃপী = পিক্ বিয়পি যোৱাকৈ
ইংকাদ্নাম্দ = পিক্ লগা অংশত

আঁই য়াঃয়া, আঁদীম্ ইংকাদপীকী ? মা, কঃনীঙা, ইংকাদ্মমাং। য়াঃয়া, অক্কম্ দঃলা আঁদীম্পী ইংকান্ ? আঁই কঃনীঙা, গুয়া-পান, চাদা-চুনীম দঃলুচুলা দঃলা চীমপী ইংকাং। য়াঃয়া, নৰু ইঃনাম্দীম্ কাঃবদাগ্। য়াঃয়া; চাং ঙঃগম্ দঃকুপী। চী, কঃনীঙা, দঃলুচুলা দঃল্গ্ত। আৰপী য়াঃয়া ইংকাং। কঃনীঙা, আঁদীনা গাচৰীম্ ইংকাদতন্। য়াঃয়া, চুঃ কাপী ইকুপী ? আঁদীম্পী ইংগ-ইংগদঃপী গুয়া দঃমৃল্ ইংকাদ্দৰুং। চুক্কী-লগ্কী ইঃনপী দঃমাবং য়াঃয়া। আঁই কঃনীঙা, ইংকাদ্নাম্দ চুন্কঃ ইল্গ্ত, নৃমৃল গৃঃপাগ্পী।

হেৰা আইতা, সেইটোত পিক্ লাগিব চাবা। নাই গাভৰু, পিক লাগিবলৈ নিদিও। আইতা, কি খাওঁতে এনেকৈ পিক্ উঠিল ? হেৰা ছোৱালী, তামোল পাণ, চাধা-চূণ মিহলাই খোৱাত এনেকৈ পিক্ উঠিল। আইতা, তোমাক পিক্ উঠা দেখি ভাল লাগিছে। আইতা, দিয়াছোন ময়ো খাই চাওঁ। এইয়া লোৱা ছোৱালী, মিহলাই খোৱা। সচাকৈ আইতা পিক্ উঠিল। হেৰা ছোৱালী, সেয়া কাপোৰত পিক্ লাগিল। আইতা, এতিয়া কি কৰোঁ (কি কৰা যায়)। এইদৰে পিক্ বিয়পি যোৱাকৈ তামোল খালে পিক্ লাগিবই। এতিয়াৰ পৰা আৰু পিক্ উঠাকৈ নাখাওঁ আইতা। হেৰা ছোৱালী, পিক্ লগা অংশত চূণ লগাই দিয়া, ধুলে উঠি যাব।



## এ + ং = এং

এংগ-এংগলা = য'তে ত'তে গুটি লগা
এংকাম্পী = গুটি লগাদি
এংকুৰা = একা-চেকা / আকোৰ গোজ
এংগাব্দপী = গুটি লাগি থাকিবৰ কাৰণে
এংকৃদাগ্কী = লগাকৈ গুটি লাগে
এংকক = গুটি লাগিবৰ কাৰণে

মন্তুমা, তীলীচন তাপ্পী এংগ-এংগলাঞঃদুন্ ? আঁ তাঃতা, ইমঃমালা কাৰীক ৰীল্গ্ লাঃমাদা। ন তাপা এংগাব্দপী কাৰীক ৰীল্গ্ত। কাঃলাংকা দৃগ্ন্ তাপা এংকাম্পী এঃ-য়ীপী। তাঃতা, দৃয়চক্ তাপ্পী আমঃলগ্ এঃনী দৃগৃন্ তাপা এংকাম্পী এঃদলাং ? আঁ, বৃঃগম্ এঃয়ীমৃল্ এংকৃদাগ্কী। গামবৃ এংকুৰান্ কঃক। আঁদ্দৃগ্ লুঃলাগম্ কাৰীক ৰীমলাঃ তমাং। বীলীনা বৃক্ বাৰ্কাং আপা আমৃদী য়াঃপাগ্কান্। বাৰ্কাং তাপ্পী দঃপদাগ্। ন তাপা এংকক কাৰী ৰীল্গতক্ ।

—x—

হেৰা মন্তুম, সৌ পূবফালে ৰঙা লাউ য'তে ত'তে লাগিছে দেখোন ? হয় ককা দেউতা, আজৰি পোৱা নাই কাৰণে হেদালি (চাং) দিব পৰা নাই। তুমি লাউ লাগিবৰ কাৰণে চাং সাজি দিয়া। দেখিবা জাৰকালি লগা লাউৰ দৰে লাগিব। ককাদেউতা, বাৰিষাকালৰ লাউ জাৰকালিৰ মাটিত লগা লাউৰ দৰে লাগেনে ? হয়, ইও লাগিলে লগাদি লাগে (বহুত লাগে)। গাম এজন একা চেকা লবা। ইমান কৈয়ো লাউৰ কাৰণে চাং সজাব নোৱাৰিলো। সৌৱা পশ্চিম ফালে চোৱা তাৰ বাৰিষাৰ ৰঙা লাউৰ গছ গেলি গ'ল। বাৰিষাৰ ৰঙালাউ খাবলৈ ভাল। তুমি ৰঙা লাউ লগাৰ কাৰণে হেদালি বনাই দিয়াছোন।

ঞ্জ + ং = ঞ্জং

| | |
|---|---|
| মাঞ্রং = কাঠ আলু | মাঞ্রং আৰুং = কাঠ আলুৰ গাত |
| ৰুঞ্রংক = গঁাত দুটাহে | মাঞ্রং কৃদ্‌বীম্ = কাঠ আলুবোৰ |
| মাঞ্রং-আম্‌বী = কাঠ আলু পশ্চিম ফালৰ | মাঞ্রং ঔক্‌কী = কাঠ আলুৰ কিছুমান |
| দৃৰ্‌ঞ্রংক = দুটাহে চেপা | চঃঞ্রংক = দুডাল বাহহে |

ঔই ম্‌ম্‌বৃৰা, মাঞ্রং দুকৃতাং ? মা য়াঃয়া, দুকৃমাং। ন চী মাঞ্রং আৰুং ৰুংক-ৰুঞ্রংক দুকৃকা। চাঃ য়াঃয়া, দুকৃপী। বৃ বী মাঞ্রংকৃদ্‌বীম্ দুলাপীন্ ? ঔ য়াঃয়া, দুলাপী। য়াঃয়া, অপ্‌পৃং মাঞ্রং আম্‌বী আঅ্‌দাং? ঔ, মাঞ্রংঔক্‌কী আঅ্‌দাগ্, মাঞ্রংঔক্‌কী আঅ্‌মাং। আই য়াঃয়া, পাঃঞ্রাং ম্‌জৃদী অকুমতী দুন্ ? ঔ, পাঃঞ্রাং ম্‌জৃৰ্ অ্‌দৃৰ্ মলা দুং। বৃম্ ঙ দৃৰ্‌দাং অ্‌দৃৰ্ দৃৰ্‌ঞ্রংক ব্‌ন্‌পঃত ঔম্‌লা ন্‌তাগায়্। অদ্‌গ লীগাপী অ্‌আ চঃঞ্রংক কীঃমলা বৃক্‌কত জলৃগ মতাগায়্।

হেৰা গাভৰু, কাঠ আলু খান্দি পাইছানে ? নাই আইতা, খান্দি পোৱা নাই। তুমি কাঠ আলুৰ এই গাত দুটাহে খান্দি চোৱাছোন ? হয় আইতা, খান্দি চাম। তাই সৌ পশ্চিমৰ আলুবোৰ খান্দিব পাৰিবনে। হয় আইতা, খান্দিব পাৰিব। আইতা, আটাইবোৰ কাঠ আলু গছৰে আলু হৈছেনে ? হয়, আলু গছৰ কিছুমানৰ আলু হৈছে, কিছুমানৰ হোৱা নাই। অ' আইতা, পাঃঞ্রাং বুঢ়া ঘৰত আছেনে? হয়, পাঃঞ্রাং বুঢ়াই চেপা বনাই আছে। মই তেওঁক ডাঙৰ চেপা দুটাহে বান্ধি লবলৈ কৈছিলো। তাৰ কাৰণে বাঁহ দুডাল কাটিবলৈ দি তেওঁৰ তাত কঢ়িয়াই থোৱাইছিলো।

—×—

# পনাম ১৩ ত্রয়োদশ পাঠ

(আজৃগ্ কাংকিনীলাং আগম্ আদ্‌নামী / চিনৰ চিনাকি আৰু বাক্যত প্রয়োগ)

ব + ি = বি  ৰ + ি = ৰি  ক + ি = কি  ত + ি = তি  ন + ি = নি

ল + ি = লি  গ + ি = গি  গ + ি = গি  য় + ি = য়ি  ম + ি = মি

দ + ি = দি  ঙ + ি + ঙি  জ + ি = জি  চ + ি = চি  ঞ্জ + ি = ঞ্জি

ব + ি = বি

বিতাং = দিছে / দিছানে

= গাম-মৃজৃবী পঃৰাগ্-লীগাপী ঔদ্‌দৃকঃ আমীল্ বিতাং ? = গাওঁবুঢ়াই পঃৰাগ্ উৎসৱৰ কাৰণে কিমান টকা দিছে ?

বিতাগ্ = দিছে

=গাম্‌বী পঃৰাগ্ লীগাপী মূৰ্‌কং লৃংক বিতাগ=গাওঁবুঢ়াই পৰাগ্ উৎসৱৰ কাৰণে টকা এশ দিছে।

বিপী = দিব / দিবনে

= আতুলা-মৃঞৃবী ঔদৃক আমীল্ বিপী ঔম্‌দাং ?=সাতোলা বুঢ়াই কিমান টকা দিম বুলিছে।

বিমাং = দিয়া নাই

= চিল বিমাং, য়াম্‌প অ্‌য়িং আংঙক বিপী ঔম্‌দাগ্ = আজি দিয়া নাই, কালিলৈ পঞ্চাশ টকা দিম বুলিছে।

বিদন্ = কিমান দিয়ে / আগে-পিছে দিয়ে

= চিতী-কানী মিৰীম্-ঔৰাতী কা ঔদৃক পঃৰাগ্ লীগাপী আমীল্ বিদন্ ?

= হাতীগিৰীয়া ধনীঘৰে পঃবাগৰ কাৰণে আগে-পিছে কিমান টকা দিয়ে।

বিকৃতাগ্ = দি পাইছে / দিছে

= মিৰীম্-ঔৰাতী গাম্-কৃদ্‌দংক বিকৃতাগ্, বিবাদমাং=ধনীঘৰে গাওঁবুঢ়াৰ সমানে দিছে বেছি নহয়।

## ৰ + ি = ৰি

ৰিংগ = আন্ধাৰত খেপিয়াই চোৱা

=অৗই তানি নৗঃঙা, কঃদৗম্ ৰিংগলা কাঃত ? =হেৰা মানুহজনী, কেচুৱাটো খেপিয়াই চা-চোন ?

ৰিবি = এবিধ মিচিঙৰ ৰং-বিৰঙৰ কাপোৰ

=অৗ, ৰিংকালা ৰিবি গাচৰ্ক উঃলৃগ্ বিতাগ্ =হয়, খেপিয়াই চাই ৰিবি কাপোৰখন গাত দিছো ।

ৰিঃমান্ = মাইকী কুকুৰাৰ মাত

= নৗবৃৰ্ পৰগ্ বৗ মাৰি ৰিঃমান্ ? = মাইকী কুকুৰাজনীয়ে কণী পৰাৰ মাত দিয়া নাই ?

ৰিঃমাং = মাইকী কুকুৰাই কণী পৰাৰ মাত দিয়া নাই

= মা, নৗবৃৰ্ বৃ ৰিঃমাং, ৰগ্ নৗবৃ ৰিঃদুং=নাই, চেউৰীজনীয়ে মতা মাই, গাইজনীহে মাতিছে।

ৰিয়িত = হাত ফুৰুৱা / আশীৰ্বাদ দিয়া

= মৃজৃঙা ! আয়দৗ কঃদৗম্ ৰিয়িত্ বিতন্ ? = আতা ! আইতাকে নাতি লৰাটোক আশীৰ্বাদ দিলেনে ?

ৰিয়িত্কা = আশীৰ্বাদ দিলে / হাত ফুৰালে

= অৗ, আইয়ৃপৗ কঃদৗম্ ৰিয়িদ্ বিকা = হয়, ভালকৈ লৰাটোক আশীৰ্বাদ দিছিল ।

## ক + ি = কি

কিঃপাৰ্ = উৰাল

= মৃম্বৃৰা, কাপৗ কিপাৰ্ত ইগিয়ৗ আলাগৗম্ অ্তুপ্তন্ ? = হেৰা গাভৰু, কেনেকৈ ঢেকীত ঢেঁকী-থোৰাই হাত খুন্দিলে ?

কিঃপাৰ্ল = উৰালত

= তাঃতা, বৃঃমা কিপাৰ্ল ইগি অ্কিন্মালা আলাগ্ অ্তুপ্ত = আতা, তাই উৰালত উৰালমাৰীৰে খুন্দি নোপোৱা কাৰণে হাত খুন্দিলে ।

কিমান্ = বিষোৱা নাইনে

= মৃম্বৃৰা, অ্তুপ্নাম্ আলাগ্দৗ কিমান্ ? = হেৰা, গাভৰু আঘাত পোৱা হাতখন বিষোৱা নাইনে ?

কিদাগ্ = বিষাইছে

= অৗ তাঃতা, আচুদ্-আচুদ্ক কিদাগ্ = হয়, ককা অলপ অলপ বিষাইছে ।



কিঃলৃং = কলহ

= মৃম্বৃৰা, কাপৗ চু কিঃলৃং চঃচাংকুপৗ ? = হেৰা গাভৰু, কেনেকৈ এতিয়া কলহ (হাতেৰে) তুলিবা ?

কিকৃন্-কিমৃন্ = বিষাই-বিষাই থকা

= কাপৗ ইকুপৗ তাঃতা, কিকৃন্-কিমৃন্পৗয়্ আচি গৗপৗ = ককা কি কৰিবা, বিষাই বিষাই থকাকৈয়ে পানী তুলিম ।

## ত + ি = তি

তিকিৰা = এখন বালি চাপৰি

= অৗই কঃউৱা, ন তিকিৰা চাপৰিবপৗ গৃকৃতাং ?=হেৰা লৰা, তুমি তিকিৰা চাপৰিলৈ গৈছানে ।

তিঃনৗ = মিঠা

= অৗ কাঃকা গৃকৃতাগ্, বলগ্ তিঃনৗ বগৰিয়ৗম্চিন্ দকৃতাগ্ = হয় মামা, গৈছো, তাৰ মিঠা বগৰীও খাই পাইছো ।

তিংকৃদাগ্ = খুব মিঠা / অতীব মিঠা

= আৰপৗ কঃউৱা, তিকিৰা চাপৰিবগ্ বগৰিয়ৗ তিংকৃদাগ্=সচাকৈয়ে লৰা, তিকিৰা চাপৰিৰ বগৰী অতি মিঠা ।

তিঃমাং = মিঠা নহয়

= কাঃকা, মিন্মান্ বগৰি কৃদৃদৗ তিঃমাং = মামা, কেচা বগৰীবোৰ মিঠা নহয় ।

তিঃদাগ্ = মিঠা

= মা কঃউৱা, মিন্নৗ বগৰিয়ৗই বলক্কৗ তিঃদাগ্ = নাই লৰা, পকা বগৰীয়েই মিঠা !

তিংগাঃলক্ = মিঠা হোৱা কাৰণে

= অৗ কাঃকা, বলগ্ বগৰিয়ৗ তিংগাঃলক্ তিকিৰা চাপৰিয়ৗ অৗম্তাক্ = হয় মামা, তাৰ বগৰী মিঠা কাৰণে তিকিৰা চাপৰি নাম দিছে ।

## ন + ি = নি

নিঃত = নিচুকা

= অৗই কঃনৗঙা, কঃদৗম্ কাব্ময়, নিঃত = হেৰা ছোৱালী, কেঁচুৱাটো কান্দিবলৈ নিদিবা, নিচুকা ।

নিংগ=নিচুকাই ফুৰা

= বাইয়া, নিংগদুংগম্ কাবৃনাঃমীম্ মীমাং = বাইদেউ, নিচুকাই ফুৰিছো যদিও কন্দা এৰা নাই।

নিঃতম্ = গীত / নাম

= আঁই কঃনীঙা, কঃনিঃনাম্ নিঃতম্ক মলা নিঃতপীন্ = হেৰা ছোৱালী, নিচুকনি গীত গাই-গাই নিচুকাছোন।

নিংকৃত = নিচুকাই চা

= বাইয়া, ন কঃনিঃনাম্ নিঃতম্ক অ্ঃলা নিংকৃত = বাইদেউ, তুমিয়ে নিচুকনি গীত গাই-গাই নিচুকাই চা।

নিংকিন্মাং = নিচুকাব নাজানো।

= চাং চঃপী-বি, ন কঃউৰীম্ নিংকিন্মাং =চাওঁ মোক দিয়া, তুমি কেঁচুৱা নিচুকাব নাজানা।

নিঃলাং = নিচুকাবা

= কাপী চু কাবৃতকুমান্ কঃনীঙা, চীমপী নিঃতম্-মলা নিঃলাং দীই। = কেনেকৈ এতিয়া নকন্দা হ'ল, ছোৱালী এনেকৈ নিচুকনি গীত গাই নিচুকাবা দেই।

## ল + ি = লি

লিৰ-আলি=এবিধ কাঠ আলু

= মামালা, অককম্ লিৰ-আলি আঁম্লা লুঃদন্ ? = হেৰা মামাল, কিহক লিৰ-আলি বুলি কয় ?

আলি = কাঠ আলু

= কাইয়া, কিন্দাগ্, আঙুন্ আলিয়ীম্ লিৰ-আলি আঁম্লা লুঃদ = ককাইদেউ জানো, অন্য এবিধ কাঠ আলুক লিৰ-আলি (কাঠ) বুলি কয়।

লিবাং = বহ'ত গছ / চালি গছ

= মামালা, লিবাং আচ্গ ইঃৰপী দঃকৃতাং ? আঁ দকৃতাগ্। = মামাল, তুমি বহ'ত গছৰ ছাল পিক্ উঠাকৈ খাই পাইছানে ? হয় পাইছো।

লিংগং = ঘূৰি-ফুৰা

= মামালা, লিংগং-লিংগলা দুমাপী চঃপী গৃত = হেৰা মামাল, ঘূৰি-ফুৰি থাকিব নালাগে, ইয়ালৈ আহা।



লিচ্গ্ = ভঙা কেৰাহি বা কলহৰ চটা

= চী কিঃৰা আলী কীঅ্গ চ লিচ্গ চীম্ তৃগ্ত = এইটো জাকিৰ ঠেঙৰ তলত ভঙা কেৰাহি চটা লগা।

লিংকলা = গপ্কৈ পাৰ হৈ যোৱা

= মামালা, অদক্কী লৃগীম্পী চীম্ লিংকলা বীলীম্চিন্ তৃলৃগ্ত। = হেৰা মামাল, তাৰ পাছত গপ্কৈ এইটো পাৰ হৈ মৌ কিটাটো তলত লগোৱা।

## গ + ি = গি

গিংকাং = গাওঁ উঠি গ'ল / যোৱা

= আতাই মামালা, অক পঃলদ বুলু গিংকাং আঁম্ত ? = হেৰা বন্ধু মামাল, সিহঁত কোন মাহত উঠি গ'ল বুলি কলা ?

গিন্মুৰ্ = ফাগুণ মাহ

= আঁ আতায়া, কন্মিংকী গিন্মুৰ্ পঃলদঃনা বুলু দৃকাৰিতপী গিংকান্ = হয় বন্ধু, যোৱা বছৰৰ আগৰ বছৰৰ ফাগুন মাহত সিহঁত (পুৰত থকা) দিকাৰিলৈ উঠি গ'ল।

গিংগং = অ'ত-ত'ত ঘৰ সাজি থকা

= আঁম্লাইকী, বুলু দৃকাৰিতীম্ আচিন্ মীঃবমালা গিংগিং-গিংগলা দুঃঙী ? = হয়নে, দিকাৰিত ভাল নালাগি সিহত অ'ত ত'ত ঘৰ-সাজি আছে।

গিঃলাদ্ = উলটি উঠি অহা

= আঁ তাদদুং, বুলু গিঃলাদ্ কুপী আঁম্লা মীদাগ্কু = হয় শুনিছো, সিহঁত আকৌ উলটি উঠি অহাৰ কথা চিন্তা কৰিছে।

গিঃনাম্পী = যোৱাকৈ যোৱা / একেবাৰে উঠি যোৱা

= আতাঁয়া, গিঃনাম্পী গিঃপামাং পাম্পী দপঙ পাঃদ = বন্ধু, একেবাৰে উঠি যাব নাপায়, আগতে পাম খাই লব পায়।

গিঃমুৰ্কাং = ভুলতে উঠি যোৱা

= আতায়া কাপী ইকুপী, বুলু আৰপী গিঃলা গিঃমুৰ্কাং = বন্ধু এতিয়া কি কৰিবা, সিহঁত সচাঁকৈয়ে উঠি গৈ ভুল কৰিলে।

## গ + ি = গি

পিতন্ = চৰিয়ালা / চৰিয়ালে

= পাপাল্-ন কাপিলা পিপিলিম্ পিতন্ ? = হেৰা পাপাল, তুমি কিয় পিপিলিক চৰিয়ালা ?

পিন্দাগ্ = চিকুটিছে

= বৃ কীঃঅৃগ্-কীঃঅৃগ্ কিঙম্ পিন্দাগ্ = তাই তলে-তলে মোক চিকুটিছে।

পিপামাং = চৰিয়াব নাপায়

=পাপালা, আঁম্দাগ্ গম্ আঁদীমপী পিপামাং=হেৰা পাপাল, হলেও এনেকৈ চৰিয়াব নাপায় ?

পিন্চাঃত = চিকুটি তোলা

= পিপিলি কঃনীঙা চঃপী গৃত, চী পিন্চীম্ পিন্চাঃত = পিপিলি ছোৱালী এইপিনে আহা, এই পিন্টো চিকুটমাৰি তোলা।

পিন্গাব্তন্ = চিকুটি ধৰিলানে

= কাপী, পিন্দীম্ পিন্গাব্তন্ ? = কিহে, পিন্টো চিকুটি ধৰিলানে ?

পিন্গাব্লাঃমাং = চিকুটি ধৰিব নোৱাৰো

= মা, পিন্চীম্ পিন্গাব্লাঃমাং = নাই, পিন্টোক চিকুটি ধৰিব নোৱাৰো।

## য় + ি = য়ি

য়িংগ = বতাহত উৰিফুৰা / ভাঁহি থকা

= য়াঃমেৰা, ৰীলী আঁচাৰ্পী য়িংগন্ কঃনীবী ন্ককীপী অকপ্ দুন্ ? = হেৰা লৰা, সৌ বতাহী ছোৱালীজনী সম্বন্ধত তোমাৰ কি হয় ?

য়িগ্নী = খুলশালী

= কাইয়া, বৃ ঙক্কীপী য়িগ্নীপী দুং = ককাইদেউ তাই মোৰ খুলশালী হয়।

য়িগঃ = খুলশালি

= চী কঃচীকা য়িগঃপীয়্ দুঃন্ ? = এইটো লৰা একা খুলশালি হয়নেকি ?

য়িগ্নীকী = খুলশালীৰ

= আঁ চাঃয়া, য়িগ্নীকী বৃব্ৰ বৃ ঙক্কীপী য়িগ্গ = হয় ককাইদেউ, খুলশালী জনীৰ ভাই সি, মোৰ খুলশালি।



য়িগ্তবন্ = গুটি উলিয়ালানে / মৰণা মাৰিলানে

= আই য়িগঃ-য়িগ্নী, নলুক্ পীতু য়িগ্তবন্ ? = হেৰা খুলশালি- খুলশালিনী, তোমা-লোকৰ সৰিয়হ মাৰিলেনে ?

য়িগ্দুং = গুটি উলিয়াইছে / মৰণা মাৰিছে

= আঁ মাগ্বা, ঙলুক্কীম্ পীতু য়িগ্দুং = হয় ভিনীদেউ, আমাৰ সৰিয়হৰ মৰণা মাৰিছে।

## ম + ি = মি

মিচিং = মিচিং, মিলি = মিচিঙৰ উপাধি, মিপুন্ = উপাধি, মিবু = দেওধাই, মিংমাং = এখন গাঁৱৰ নাম,মিৰীমী = ধনী, মিনম্ = আলহী, মিব = অতিথি, মিবৃ = জন্মজ দেওধাই, মিৰি = দেওধাইৰ কথা জনা ব্যক্তি / পুৰোহিত

চী মিচিং দঃলুংক। দঃলুচী মিলি, মিপুন্ অপুনী দুং। আপ্পৃঙী গিন্মুৰ্ পঃলচ মিবুকি পঃৰাগীম্ মপী ৰুঃচাদুং। দাগ্দুঃতী মিংমাং আঁম্নাম্ মিচিং দঃলুংক দুং। আঁদী দঃলুদী মিৰীম্ দঃলুংক। তলক্ মিনমীম্ গগ্তাক্। পঃৰাগ্দ বুলুম্ মিব-বপী আঁম্না ৰুংদুং। মিবৃ-মিবুকলা মিৰি মিবুকি পঃৰাগ্ ইয়ে।

এইখন এখন মিচিং গাওঁ। এইখন গাঁৱত মিলি, মিপুন্ উপাধিৰ লোক আছে। অহা ফাগুন মাহত দেওধাইৰে পৰাগ্ উৎসৱ উদ্যাপন কৰিবলৈ আলোচনা কৰিছে। উজনিৰফালে মিংমাং নামৰ এখন মিচিং গাওঁ আছে। সেইখন গাওঁ ধনী গাওঁ। তাৰ পৰা আলহী আমন্ত্ৰণ কৰিছে। পঃৰাগ্ উৎসৱত তেওঁলোকক অতিথি শুশ্ৰূষা কৰিব। মিবৃ-দেওধাই আৰু মিৰি-দেওধাইৰে পঃৰাগ্ উৎসৱ উদ্‌যাপন কৰিব

## দ + ি = দি

আদি = পাহাৰ / পৰ্বত, দিবং = দিবংনৈ, দিমউ = এখন গাওঁ, মঃদি = ভেটি, দিঃচাদুং = খুটা পুতিছে, দিঃদুম্-দিঃৰুম্চুলা = লগে-ভাগে খুটা পোতা, দিঃদুং = খুটা পুতিছে, দিঃলামান্ = খুটা পুতিব নোৱাৰা

তীনী আদি তলক্কী দিবং আঃনীদী বিত্তক্দুং। আঁদী আঃনী ৰুঃয়িদ দিমউ আঁম্নাম্ মিচিং দঃলুংক দুং। অদ মুবং অকুম্মপী মঃদি-দিঃচাদুং। বানী কীবাপী আপ্পৃঙী আঁদীম্ দিঃদুম্-দিঃৰুম্চুলা দিঃদুং। দিঃদুম্চুলামান্ ৰুদৃদী আমীল্ বিদুম্চুদুং।

সৌ পূবফালৰ পাহাৰৰ পৰা দিবং নৈখন বৈ আহিছে। এই নদীৰ পাৰত ডিমৌ নামৰ এখন মিচিং গাওঁ আছে। গাওঁখনত মুৰং ঘৰৰ আধাৰ শিলা স্থাপন কৰিছে। সদৌ ৰাইজে একেলগ হৈ খুটা পুতিছে। খুটা পোতাত সহায় কৰিব নোৱাৰাসকলে টকা দি সহায় কৰিছে।

## ঙ + ি = ঙি

ঙিন্ তি = মিঠা আলু, ঙিন্ চাদুং = অঙ্কুৰ ওলাইছে, ঙিন্ বুগ্ পী = প্ৰথম অঙ্কুৰ, ঙিন্ নী = প্ৰথম অংকুৰ ওলোৱা, ইন্ তুং = আগ ছিঙি দিয়া, ঙিন্ কিন্ মান্ = বাঢ়িব নজনা, ঙিন্ চান্ = অংকুৰ ওলাই অহা, ঙিন্ মঃমৃল = বাঢ়িবলৈ দিলে।

চী ঙিন্ তি আমৃংক ঙিন্ চাদুং। ঙিন্ বুগ্ পী ঙিননীদীম্ ইন্ তু পাঃমাং। লম্ দান্ লা ঙিন্ কিন্ মান্ ঙিনতিয়ীগম্ দুং। ঙিন্ চান্ কৃদৃদীদীম ইনতুম্মৃল লীদুপী চ্ংকিন্ কুমাং। আঅ্ দীম্ ঙিন্ মমৃল আয়দাগ্।

ইয়াত কাঠ আলু এজোপা গজিছে। নতুনকৈ ওলাই অহা কুঁহিটো ছিঙিব নাপায়। সোনকালে নবঢ়া কাঠ আলুও আছে। বাঢ়ি অহা কুঁহিবোৰ ছিঙি দিলে পাছলৈ বাঢ়িব নোৱাৰা হয়। স্বাভাৱিকভাৱে বাঢ়িবলৈ দিয়াই ভাল।

## চ + ি = চি

চিয়াং = চিয়াং নদী, চিতুম্ = ভালুক, চিবাং = মিচিঙৰ এটা ফৈদ / উপাধি, চিচি = চিচি নৈ, চিৰাম্ = উদ, চিকম্ = ব্যঙ্গ শব্দ / এবিধ প্ৰাণী, চিচুক্ দীম্ লাং-চিৰাম্ দীম = ভালুকটোক আৰু উদটোক, চিতুম্ দী = ভালুকটোৱে, চিৰাম্ দীচিন্ উদটোৱেও, চিকাং = মৰিলে, চিমাদীম্ -মৰাশটো

বাৰ্ কাদঃ চিয়াং আঃনীদী চিতুম্ আৱক বিদ্ বম্ তাগায়্। অীদীম্ চিবাং মৃজৃদী পাঃলা উতাগায়্। চিচি আঃনীতক্-চিৰাম্ কচিন্ লাঃলা অঃতাগায়্। অদগ লীগাপী বৃম্ চিকম্ মৃজৃং অীম্ লা আপ্ পৃঙী গগ্ দাগ্। চিকম্ মৃজৃবৃ আয়ৰুপী চিতুম্ দীমলাং চিৰাম্ দীম্ মীঃবদাগ্ গায়। লংকনীম্ চিতুম্ দী ৰুম্ য়াপী দুক্ কাংকু। বৃগ্ কিন্ মাপী চিৰাম্ দীচিন্ লংকনীম্ চিয়াং আঃনীল দুৰ্ বুদ্ লা দুক্ চুকাংকু। বৃ চু চিকাং অীম্ লা মীঃপীচিন্ চিমাদীম্ কাঃপাঃমালা মীঃদৃব্ লা চ্ গৃন্ লা দুংকু।



বাৰিষা চিয়াং নৈখনে ভালুকৰ পোৱালী এটা উটুৱাই আনিছিল। তাকে চিবাং বুঢ়াই পাই তুলিছিল। চিচি নৈৰ পৰা উদ্ এটাও আনি পুহিছিল। এই কাৰণে তেওঁক চিকম্-বুঢ়া বুলি সকলোৱে মাতিছিল। চিকম্-বুঢ়াই ভালুক আৰু উদ্ টোক বৰ ভাল পাইছিল। এদিনাখন ভালুকটোৱে জঙ্গললৈ পলাই গ'ল। তেওঁ নজনাকৈ উদ্ টোৱেও এদিনাখন চিয়াং নদীত বুৰ মাৰি পলাই গ'লগৈ। তেওঁ এতিয়া মৰিল বুলি ভাৱিবলৈকো মৰাশবোৰ নেদেখি বেজাৰত হা-হুমুনিয়াহ কাঢ়ি আছেগৈ।

## ক্ৰ + ি = ক্ৰি

দঃক্ৰি-পঃল = বেলি-জোন, আক্ৰাগ্ = কণী-ধান, মাঃক্ৰি = সপোন, আক্ৰি = লাজ, কন্ ক্ৰিং = যোৱা বছৰৰ আগৰ বছৰ, কন্ কীক্ৰিং = পৰহিৰ আগৰ বছৰ, দঃক্ৰি–চাংগা = পূব দিশত, দঃক্ৰি-লঙী = দেওবাৰ, আন্ ক্ৰি = দুই, পিঃক্ৰি = আঠ, আন্ ক্ৰি-পিঃক্ৰি = দুটা ৮ অৰ্থাৎ ১৬ দিন, দঃক্ৰি-অৰাং = পশ্চিম ফালে / বেলি পৰা, পেন্ ক্ৰাগ্ = বেৰ ফালি, য়াক্ৰি-কাঃকৃ = পেহী-মোমাই, পেক্ৰগ্ = হেঁতা, আক্ৰিঙী = লাজ লগা / লাগিছে, পাঃক্ৰাং = মিচিঙৰ উপাধি / জাত, কাঃক্ৰিং = দেখিবলৈ বেয়া / আপচু, মীঃক্ৰিং-কাঃক্ৰি = ভাৱিবলৈ বেয়া-দেখিবলৈ বেয়া / বেয়া হলেও।

মিচিঙী দঃক্ৰি-পঃল অম্ মাঃঙী অীম্ লা লুঃচু দাগ্। লেন্ দ আঃদলককীয় মিচিঙী আক্ৰাগ্ আবৃগীম্ মদ্ দায়। চিয়ুম্–চিৰ আক্ৰাগ্ আবৃগ্ মনাম্ দী মাঃক্ৰিপীয় বাদ্ কাংকুৰং। মীঃ-য়েমৃল আক্ৰিচুকান্ দাগ্। কন্ ক্ৰিং কন্ কীক্ৰিং লীক অকুম দঃক্ৰি-চাংগাঃত আক্ৰাগ্ আবৃগ্ মকা। মিন্ দাগ লীদুদ দঃক্ৰি–লঙীকনীম্ গাদ্ লা কুম্ চুং আবাদ মীতুঙায়। আন্ ক্ৰি-পিঃক্ৰি লঙী লীমুদঃ দপ্ চঃঙী দঃক্ৰি অৰাঃকী বাঃবেবীম্ পেন্ ক্ৰাগ্ গেলা লাঃপাকত। য়াক্ৰি-কাঃকৃবৃ আক্ৰাগ্ আনাপী মনাম্ পেক্ৰাগ্ দী অীপীয় দুঃপাক্ কাং। অীপৃন্ পাঃক্ৰাং য়াঃমেয়ী দুঃদঃদ কাপী দপচঙীম্ বম্ মতন্ ঙ–দান আক্ৰিঙী। কাঃক্ৰিং-কাঃচন্ দপ্ চং অীবাংক ৰীলী গিঙাদুং। বুমুগ্ গিঙানাম্ মী অৃয়িং-আনক্ৰিকলা পিঃক্ৰি দিঃতাগ্ ক ইদানবং। মীঃক্ৰিং-কাঃক্ৰিদাগ্ গম্ কাপী ইকুপী।

মিচিংসকলে সূৰ্য্য-চন্দ্ৰৰ সতি-সন্ততি বুলি নিজকে কয়। তাহানি মিচিংসকলে অহা দিনৰ পৰাই কণী ধানৰ খেতি কৰিছিল। আজি কালি কণী ধানৰ খেতি কৰাটো সপোন যেনহে লাগে। ভাবিলে লাজ লগা কথা। আগৰ দুবছৰমান ( যোৱা বছৰৰ আগৰ বছৰৰ তাৰ আগৰ বছৰ ) ঘৰৰ পূবফালে কণী ধানৰ খেতি কৰিছিল। পকাৰ পাছত এদিনাখন দেওবাৰে কাটি আনি ভঁড়ালত ভৰাই থৈছিল। ১৬ ( দুই আঠ ) দিনৰ পাচত চোৰে পশ্চিম ফালৰ বেৰখন ফালি লৈ গ'ল। পেহী-মামাই কণীধান ভাজিবলৈ বনোৱা হেঁতা ( বাহৰ ) খন এনেয়ে থাকিল। ইমানবোৰ পাক্ৰাং ডেকাসৰা থাকোতে কেনেকৈ চোৰক নিবলৈ দিলে, মই হ'লে লাজ পালো। দেখিবলৈ বেয়া ( আপচু ) চোৰ এঘৰ সৌ তাত থাকিবলৈ লৈছে। সিহঁত অহা ২৮ বছৰ (দহ বছৰ দুটা আৰু আঠ বছৰ) এটা হৈছে। বেয়া পালেও, দেখিবলৈ বেয়া হলেও কি কৰিবা।

# পনাম্-১৪ / চতুৰ্দ্দশ পাঠ

[ আজ্ৃগ্ কাংকিন / চিনৰ চিনাকি ]

## এ - ে

বে ৰে কে তে নে লে গে গে য়ে মে দে ঙে জে চে

### ব + ে - বে

বেৰ্কা = জাপ মাৰিছিল, বেৰ্কংকাং = গাৰ হৈ প'ল, বেৰ্কৃকা = জাপ মাৰি চাইছিল, বেৰ্ক-লাঃতমাং = পাৰ হব নোৱাৰিলে, বেৰ্পী-ঔম্লা = পাৰ হও বুলি, বেৰ্দদ = পাৰ হ'ব নোৱাৰিলে, বেৰ্পী-ঔম্লা = পাৰ হও বুলি, বেৰ্দদ = পাৰ হবলৈ জাপ মাৰোঁতে, বেৰ্তাপ্চুকাং =পাৰ হবলৈ জাপ মাৰোতে পৰি গ'ল, বেৰ্পৃমাঃপী = পাৰ নোপোৱাকৈ, বেৰ্বুত্-চুকাং = পানীত পৰি গ'ল, বেৰ্নী = জাপ মৰাজন।

য়াঃমে কঃকৃদৃদী জিলিকল বেৰ্কা-মুন্চুকা। গাঃমবৃ লৃগীম্পী জিলিদীম্ বেৰ্কংকাং পাপাল্বৃচিন্ বেৰ্কৃকা। বৃ বেৰ্ক-লাঃতমাং। মামান বৃচিন্ বেৰ্কপী ঔম্লা বেৰ্কা। বৃ বেৰ্দদ আঅৃদী বেৰ্তাপ্চুকাং। বাঃবুবৃচিন্ বেৰ্কপী ঔম্লা বেৰ্কৃকা। বৃ বেৰ্-পৃমাঃপী জিলিদই বেৰ্বুত্চুকাং। লীদুপাক্পী বেৰ্নী কাৰ্পুম্বৃঃদান্ লৃং ঔম্লা জিলিদীম্ বেৰ্কংকাং।

ডেকাবোৰে জুৰি এটাত জাপ মাৰি পাৰ হোৱা প্ৰতিযোগিতা পাতিছিল। গামে তৎক্ষণাত জুৰিটো পাৰ হ'ল। পাপালেও জাপ মাৰিছিল। সি পাৰ হব নোৱাৰিলে। মামালেও পাৰ হওঁ বুলি জাপ মাৰিছিল। সি জাপ মাৰোঁতে নিজে নিজে পৰি গ'ল। বাবুৱেও পাৰ হওঁ বুলি জাপ মাৰি চাইছিল। সি পাৰ নাপাই পানীতে পৰি গ'ল। শেষত জাপ মৰা কাৰ্পুমে হলে একে জাপেই জুৰিটো পাৰ হ'ল।



### ৰ + ে - ৰে

ৰেঃবকল্ = কামি বন্ধাত সহায় কৰা, ৰেঃনাপী = কামি বান্ধিবলৈ, ৰেঃপীনাম্ = কামি বান্ধিব লগা, ৰেংকিন্মাং = কামি বান্ধিব নাজানে, ৰেংকিন্দাগ্ = কামি বান্ধিব জানে, ৰেঃত = কামি বান্ধিলো / বান্ধ, ৰেঃমাং = কামি বন্ধা নাই, ৰেংকিন্নী-ৰেংকিন্মাঃনী = কামি বান্ধিব জনা--নজনা, ৰেংকৃত = কামি বান্ধিলে / বান্ধি চা, ৰেঃদুম্চুলা = কামি বন্ধাত সহায় কৰি ৰেঃবিকা = কামি বান্ধি দিছিলো।

জন-মৃজৃংকী অকুম্ত পিচ ৰেঃবকল্ ঙল্গৃকা। ঙল্ আকেদী পিচ ৰেঃনাপী জীয়িঙীম্ অৃকা। আকেদী দিবাঙীম্ পদ্লা ৰেঃপীঃনাম্ কামিপী গিত্কা। আক্কে পিচ্চম্ ৰেংকিন্মাং। আকেদী ৰেংকিন্দাগ্। ঙল্ য়াঃমে কৃদৃদী কীবাপী-বাঃলা পিচদীম ৰেঃত। চঃয়াৰ্পী মীনাম্দীম্ ৰেঃমাং। পিচ ৰেংকিন্নী-ৰেংকিন্মাঃনী আপ্পৃঙী ৰেংকৃত। জন-মৃজৃংকী অুকুম্দীম্ ঔদীম্পী ৰেঃদুম্চুলা ঙল্ ৰেঃলেন্বিত।

জন বুঢ়াৰ ঘৰত কামি বন্ধাত সহায় কৰিবলৈ আমি গৈছিলো। আমি কেইবাজনে কামি বন্ধাৰ কাৰণে বেতৰ তমাল্ তুলিছিলো। কিছুমানে আকৌ বাহ ফালি কামি চুচিছিলো। কিছুমানে আকৌ কামিকে বান্ধিব নাজানে। কিছুমানে কামি বান্ধিব জানে। আমি ডেকাবোৰে ৰাজহুৱাকৈ কামি বান্ধিলো। শোৱাৰ কাৰণে থোৱা ঠাইখিনিত কামি বন্ধা নাই। কামি বান্ধিব জনা, কামি বান্ধিব নজনা সকলোৱেই কামি বান্ধি চালো। জন বুঢ়াৰ ঘৰটো এনেকৈয়েই সকলোৰে সহায়-সহযোগত কামি বান্ধি আমি সম্পূৰ্ণ কৰি দিলো।

### ক + ে - কে

কেকন্ = সিপাৰ, কেগাপ্পী-ঔম্লা = কামোৰি ধৰিম বুলি, কেগাব্ত = কামোৰি ধৰিলে, কেগাব্লা = কামোৰি, কেকেত = কামোৰি মাৰিলে, কেগাব্দদ = কামোৰ মাৰি ধৰিলত, কেগাব্নাম্দীম্ = কামোৰাটোক, কেজগ্ কেৰগ্লা = অ'ত ত'ত কামোৰা, কেগাব্লা = কামোৰি কেগাব্নী = কামোৰাজন, কেপেনা-কেকুব্বা = ওলট-পালট কৰি চোৱা।

দঃলৃং কেকন্ কম্বাদ গঃৰী নেচিন দঃগলা দুংঙাই। ঔদী য়ুম্ৰাঃদ চুম্য়কনী গঃৰীম্ কেগাব্পী ঔম্লা ৰুচুলা দুংঙাই। গঃৰুকৃদ্দী চুম্য় আন্ন্দ গৃআদঃদ লৃঃগীম্পী আদৰ্ক কেগাব্ত। গঃৰুদীম্ আঃলৃদগ্ কেগাবলা কেকেত। চুম্য়দী ৰীগ্গাব্দঃদ গঃৰুদী

'অম্‌বা-অম্‌বা' আমৃলা বত্‌আপী কাব্‌কাং। চুম্‌য় কেগাব্‌নাম্‌দীম কাঃলা আকে গঃকদী কাব্‌তাগ্‌ বিঃতাগ্‌লা দুগ্‌পিতচ্‌লা দুগ্‌কাং। চুম্‌য়দী কেজগ্‌–কেবগ্‌লা লৃংগুদগ্‌ বৗগ্‌গাবলা ইয়্‌য়েম্‌ তৃঃপত। গঃকৃদৃদগ্‌ কাব্‌তাগ্‌ বিঃতাগ্‌লা দুগ্‌নামীম্‌ কাঃলা তানিয়ৗ চুম্‌য়দীম মীন্‌বম্‌কাং। চুম্‌য়দী তানিয়ৗম্‌ কাঃবেগ্‌লা পচকি কেপেলা-কেকুবা কাঃলা-কাঃলা য়ুম্‌রাদ দুগ্‌চুকাং।

গাঁৱৰ সিপাৰত থকা হাবিত গৰু চৰি আছিল। এই হাবিতে বাঘ এটাই গৰু খাবলৈ জোপ লৈ আছিল। গৰুবোৰ ওচৰলৈ আহিলত ঘপকৈ এটাক কামোৰ মাৰি ধৰিলে। গৰুটোক ডিঙিত কামোৰ মাৰি ধৰি মাৰি পেলালে। বাঘটোৱে কামুৰি ধৰিলত গৰুটোৱে 'অম্‌বা-অম্‌বা' বুলি ডাঙৰকৈ চিঞৰিলে। বাঘটোৱে কামোৰা দেখি অন্য গৰুবোৰে ভয়তে সিচৰিত হৈ দৌৰিলে। বাঘটোৱে ডিঙিৰ অ'ত ত'ত কামোৰ মাৰি তেজ পি খলে। গৰুবিলাকৰ চিঞৰ-বাখৰ, সিচৰিত হৈ দৌৰা দেখি মানুহে গৰু কামোৰা বাঘটোক খেদি গ'ল। বাঘটোৱে মানুহ দেখি ভয়তে উলটি চাই হাবিৰ মাজত সোমাই গ'ল।

## ত + ে = তে

তেদ্‌লায় = বহো, তেদ্‌ত = বহা, তেদ্‌পম্‌ত = বহাহঁত, তেদ্‌মৃল = বহিলে, তেদ্‌পাঃদ = বহিব পায়, তেদ্‌য় = নবহিবা, তেদ্‌কঃব = সৌ বহা স্থানত, তেদ্‌লৃগ্‌ত = বহি যোৱা, তেদ্‌চাঃলা = পূবলৈ মুখ কৰি, তেদতগ্‌লা = পশ্চিমলৈ মুখ কৰি, তেদ্‌তকা = বহক, তেদ্‌জেব্‌–তেদ্‌য়েব্‌লা = য'তে ত'তে বহা, তেদ্‌য়েমৃল = বহিলে, তেদ্‌গাঃলগ্‌ = বহাৰ কাৰণে।

কায়, কীবাং তাৰু-ৰুংক মুৰঃচ আইয়প তেদ্‌পম্‌লায়। ন লু য়াঃমে মৃম্‌বৃব কৃদ্‌দী তলপী তেদ্‌চাঃলা তেদ্‌ত। কঃকাংকৃদ্‌দীচিন্‌ চগ্‌গৃং তলপী তেদ্‌কাঃলা তেদ্‌মৃঃল আইয়েপী। ববাবৃ চ বলপী কাঃলা তেদ্‌মৃল্‌ আইয়েপী। বাব্‌গ্‌বৃচিন্‌ ববাকী ৰুঃয়িচ তেদ্‌পাঃদ। কউৱা, ন বুলুক্‌ লীঃদুচ তেদ্‌য়। বল নক্‌ কঃআজন্‌ তেদ্‌কব তেদ্‌ত। ববানিচিন্‌ তেদ্‌চাঃলা তেদ্‌লৃগ্‌কা। চীম্‌পী তেদ্‌চাঃলা-তেদ্‌তগ্‌লা কাঃমৃন্‌-চুদপী তেদ্‌মৃল আইয়ৗ। তাৰুং ৰুঃদম্‌ তেদ্‌জেব্‌-তেদ্‌য়েব্‌লা তেদ্‌মৃল্‌ তাৰুং ৰুংগুমাং। চীম্‌পী তেদ্‌গাঃলক্‌ চীঃকচিন্‌ মীঃয়িমুন্‌চুমাঃপীকা।

আহা, সভাৰ আলোচনাৰ মুৰং ঘৰত পৰি পাটিকৈ বহো। তোমালোক ডেকা-গাভৰুবোৰে পূবলৈ মুখ কৰি বহা। সৰু লৰা ছোৱালীবোৰেও ইয়াতে পূবলৈ মুখ কৰি বহিলে ভাল হ'ব। ববাই ইয়াত পশ্চিমৰফালে মুখ কৰি বহিলে ভাল হব। বাৰিকেও ববাৰ ওচৰতে বহিব পাৰে। হেৰা ল'ৰা তুমি তেওঁলোকৰ লগত নবহিবা। সৌ তাত তোমাৰ লগৰীয়াবোৰে বহা ঠাইত বহি যোৱা। ববানীয়েও পূবলৈ মুখ কৰি বহক। এইদৰে পূবমুখে-পশ্চিমমুখে মুখা মুখিকৈ বহিলে



ভাল হব। আলোচনা কৰোতে য'তে ত'তে পৰিপাটি নোহোৱাকৈ বহিলে সিদ্ধান্ত কৰাত অসুবিধা হয়। এইদৰে বহাৰ কাৰণে কোনেও কাকো বেয়া নেপাব।

## ন + ে = নে

নেচিন্‌ = ঘাহ বন, নেচাগ্‌ = কেঁচুৱা বন্ধা কাপোৰ, নেচাগীম্‌ = বোকোচা বন্ধা কাপোৰ (খনক) নেচাগ্‌কি = বোকোচা বন্ধা কাপোৰেৰে, নেচাগ্‌ক = বোকোচা বন্ধা কাপোৰখনক, নেপেদ্‌–নেয়েদ্‌ = চুটি চাপৰ / লেৰেলা-চেপেটা, নেচিন্‌কৃদ্‌দীম্‌ = ঘাহ বন বোৰ।

আই নীঃঙা, কাপী নেচিন্‌ পাব্‌তিদ্‌নাম্‌ কতিয়াবীম্‌ বুঙাব্‌তমান্‌? আী অনিয়া, বুঙাৱপী আমৃলা বুকৃদুংঙাই, কউৱী কাব্‌লা বুঙাব্‌লাঃতমাং। কাপী কঃদীম্‌ নীবৃঙীম্‌ বিতমান্‌? নীবৃঙীম্‌ বিকা, নেচাগীম বম্‌মাঃল বৃগাবলাঃতমা কপিলা নীবৃঙীম্‌ বগাব্‌মতমান? নীবৃঙী বকা, নেচাগ্‌কি বৃয়িদ্‌নাম্‌ কউৱী বকল দুঃমাং। আনী চু নেচাগ্‌ক লাংকল গৃদাগ্‌। তামি লীঃঙা লম্‌দান্‌লা কতিয়াবীম বুপাগ্‌ত। আী, কতিয়াবীচিন নেপেদ্‌–নেয়েদ্‌দাগ্‌। লম্‌লা বুলামাং। আম্‌দাগ্‌গম্‌ নেচিনকৃদ্‌দীম্‌ বাপাগ্‌লা বুকৃতকা।

হেৰা মানুহজনী (নিজৰ তিৰোতাক মাতে), কিয় ঘাঁহ বনে ছাটি ধৰা কঠিয়াদৰা তুলি নেপেলালা? হয় মানুহজন (নিজৰ স্বামীক কয়), তুলি শেষ কৰিম বুলিয়েই কঠিয়া তুলিছিলো, কেঁচুৱাই কন্দাৰ কাৰণে তুলি শেষ কৰিব নোৱাৰিলো। কিয় ল'ৰাটোক বোকোচা বন্ধা ছোৱালী জনীক দি নিদিলা? বোকোচা বন্ধা ছোৱালীজনীক দিছিলো, বোকোচা বন্ধা কাপোৰ ননাৰ কাৰণে বোকোচা বান্ধিব নোৱাৰিলে। কিয় কোলাত লবলৈ নিদিলা? ধাত্ৰী ছোৱালীজনীয়ে লৈছিল, বোকোচাত বন্ধা (অভ্যাস কৰা) কেঁচুৱা কোলাত নাথাকে। সৌ এতিয়া বোকোচা বন্ধা কাপোৰ আনিবলৈ গৈছে। হেৰা মানুহজনী, সোনকালে কঠিয়াবোৰ তুলি পেলোৱা। হয়, কঠিয়াটোও চুটি–চাপৰ, লেৰেলা চেপেটা। খৰকৈ তুলিব নোৱাৰো। হলেও ঘাঁহ-বনবোৰ আঁতৰাই তুলি লোৱা।

## ল + ে = লে

লেকেল = আগৰ দিনত, লেমাম্‌পাই = নোৱোৱাকৈয়ে, লেনাচিন = কওঁ, লেক্‌কীম্‌ = আগৰ দিনত, লেমাংগম্‌ = নোৱোৱালেও, লেন্‌চুন্‌ = নিজে নিজে গজা / হোৱা, লেন্‌কেদগ্‌ = প্ৰায়ে ওলায় লেকুপী = ৰোবগৈ লগা, লেকে-লক্‌কীম্‌পী = আগৰ দিনৰ দৰে, লেদুংকু = কইছেগৈ।

লেকেল য়ুম্ৰাং বজেক দুংগাই। তানিয়ী অ্চ্ংঙীম্ লেমাম্পীই পাব্নাম্ অ্চ্ঙীম্ পাঃদুঙায়। চিঃম-চিঃৰ অ্চ্ঙীম্ লেলাচিন্ লেতুৰ্-তুৰ্মাং। লেক্কীম্ আঃয়ে দঃনাম্ অ্চ্ং আমৃঙী য়ুম্ৰাল বিঃলা দুঃঙায়্। বীলীং, কেঃদি, চম্পী্বুলুম্ লেমাংগম্ দঃবেগ্দুঙায়। চিল-মীল লেলাচিন্ দঃবেগ্মাং। অদ আত্আী লেন্চুন্ য়ুমৰাং অ্চ্ঙীম্ পাপাক্ কীঃপাক্ দুংঙায়। য়ুম্ৰাং দুঃয়েম্ল চুম্য়চিতুমীবুল্ লেন্কেদাগ্। চু য়ুন্ম্ৰা-লীগাপীয়্ অ্চ্ঙীম্ লেকুপী ইদুংকু। লেকে লক্কীম্পী য়ুমৰাং কাকুথালা পদঙী বজেক অকৃমাং। অদগ্লীগাপী চিয়ুম্-চিৰ চ্ঃজনী অ্চ্ঙীম্ লেদুংকু।

আগেয়ে জঙ্গল বেছি আছিল। মানুহে গছ নোৰোৱাকৈয়ে জুই জ্লাব খৰি পাইছিল। আজি কালি গছ ৰুয়ো অন্ত নোপোৱা হৈছে। আগৰ দিনত গুটি খোৱা গছেৰে জঙ্গল ভৰি আছিল। কঠাল, আম, ঔটেঙা আদি নোৰোলেও খাবলৈ পাইছিল। আজি কালি ৰুয়ো খাবলৈ নাপায়। তেতিয়া নিজে ওলোৱা জঙ্গলৰ গছ-গছনি কাটি-কুটি গুচাইছিল। হাবি হৈ থাকিলে বাঘ ভালুক আদি ওলায়। এতিয়া জঙ্গলৰ কাৰণে গছ ৰুব লগা হৈছে। আগৰ দিনৰ দৰে হাবি জঙ্গল নথকাৰ কাৰণে বৰষুণ বেছিকৈ নহয়। তাৰ কাৰণে আজিকালি সোনকালে বঢ়া গছ ৰুব লগা হৈছে।

## গ + ে = গে

গেঃদুংকু = শুকাইছে, গেঃমাং = নুশুকায়, গেঃদ = শুকায়, গেংকুমাঃমৃল = নুশুকালে, গেংকাংকুকা = শুকাওঁক, গেনেমী = গেনেক, গেঃনাম্ = শুকুৱাব, গেনে = সেউজীয়া।

তাং-দুনাম্ বৃক্ তাৰীদী গেঃদুংকু। কুঃনীম্ দঃয়েমৃল্ তাৰৰী গেঃমাং। কুচেৰে নৃগ্মৃল্ লম্লা তাব্ৰী গেঃদ। বৃক্ তাৰীদী গেংকুমাঃমৃল্ আব্গী য়গ্য়েপী। লম্দান্লা গেংকাংকুকা আমলা মীঃবিদুং। বৃক্ নীং গেনেমী লুতাক্ কুঃনীম্ দময়কা আম্লা। আত্দীচিন্ তাৰী গেঃনাম্ লীগাপী কাঃলা-তাদ্লা দপী-তৃঃপী লাগিদাগ্।

তাৰ কাঁইতে বিন্ধা ঘাখিনি শুকাইছে। টেঙা খালে ঘা নুশুকায়। দৰব লগালে ঘা সোনকালে শুকায়। তাৰ ঘাখিনি নুশুকালে খেতি হেৰাব। সোনকালে শুকাওঁক বুলি ভাৱি দিছো। তাৰ ঘৈণী গেনেক্’ কৈছো যে তাই যেন টেঙা নুখুৱায়। নিজেও ঘা শুকুৱাৰ কাৰণে চাই-চিতি খোৱা-বোৱা কৰিব লাগে।



## গ + ে = গে

পেদ্কল = জেওৰা ববলৈ, পেঃৰেদী = মাটি মাহ, পেঃৰেদ্বীম্ = সৌ মাটি মাহবোৰক, পেদ্কাব্ মাঃপী = জেওৰাৰে বন্ধ নকৰাকৈ, পেদ্মাঃঙায়্ = জেওৰাৰে বন্ধ নকৰিছিল, পেদ্দাগ্ = জেওৰা দিয়ে, পেদ্লামাঃলা = জেওৰা দিব নোৱাৰি, পেতৃদাগ্ = শাও দি থাকে, পেদ্পী = জেওৰা দিবলৈ, পেমৃল = অভিশাপ দিলে, পেপামাং = অভিশাপ দিব নাপায়, পেদাগ্ = শাও শাপনি দিয়ে, পেদ = অভিশাপ দিয়ে।

চিল আব্গ্ব বাঃৰে পেদ্কল গৃকা। পেঃৰেদী মৃঃতাদুঃৰং। গঃৰীলাং-চাগলিয়ী পেঃ-ৰেদ্বীম দদাগ্। বাঃৰে পেদ্কাপ্মাঃপী চিম্-চিঃৰ আব্গ্ মলামাং। লেকেল বাঃৰে পেদ্মাঃঙায়্। গঃৰীম্ কীবাপী ৰুঃচুলা ৰাকি দুংঙায়্। চু বাঃৰেয়ীম্ পেদ্দাগ্ গঃৰীম্ ৰাকিমাং। তী মৃজৃতী বাঃৰে পেদ্লামাঃলা গঃৰু গঃনীম্ পেতৃদাগ্। বৃক্কী বাঃৰে পেদ্পী দিবাংকামাং। মৃজূং আম্মে পেমৃল আয়মাং। কাপী ইয়েন্, পেপামাংগাম্ মৃজৃতী পেদাগ্। আচিন্ দৃগ্নাম্কি বৃ পেদ।

আজি পথাৰলৈ জেওৰা ববলৈ (দিবলৈ) গৈছিলো। মাটিমাহ ডাঙৰ হৈছে। গৰু-ছাগলীয়ে মাহ খাইছে। জেওৰাৰে বন্ধ নকৰাকৈ আজি-কালি খেতি কৰিব নোৱাৰি। আগেয়ে জেওৰাৰে বন্ধ কৰা নাছিল। গৰু ৰাজহুৱাকৈ পাল পাতি ৰাখিছিল। এতিয়া জেওৰাৰে বন্ধ কৰে, গৰু মুকলিকৈ এৰি দিয়ে। সৌ বুঢ়াজনে জেওৰা দিব নোৱাৰি গৰখীয়াক শাও-শপনি দি থাকে। তেওঁৰ জেওৰা ববলৈ (দিবলৈ) বাহ নাই। বুঢ়ালোকে শাও দিলে ভাল নহয়। কি কৰিব, শাও দিব নাপায় যদিও শাও শপনি দিয়ে। মনৰ বেজাৰতে তেওঁ অভিশাপ দিয়ে।

## য় + ে = য়ে

য়েপেৰ্ = জিভা, য়েপেৰী = জিভাই, য়েংগাৰ কচুদং = বান্ধ খায়, য়েঃম্ন্চুপী = যুঁজিবৰ কঁকালে কঁকালে গৰা মাৰি যুজা, য়েপীম্ল = থাকিবলৈ হলে, য়েগ্তক্ = তেলীয়া মাংস য়েগ্দৃন্= মাংস, য়েপেৰ্ঙী = জিভাইহে, য়েংগাব্ = বান্ধ য়েঃপীম্ল = বান্ধিবলৈ হলে, য়েংগাব্য় = নাবান্ধিবা।

য়েপেৰ্ কাদাগ্ আীম্লাই য়াক্কাপাঃমাং। য়েপেৰী বেলাব্দাগ্ আীম্লাই লুতীৰ্-লুতীৰ্

লুপামাং। আঁদীম্ পিন্ আম্ মে য়েংগাব্ কচুদ। চাঃকই য়েঃম্ ন্ চুপী মীঃনীদী আদীম্ পিন্ আগমীম্ লুদ। আজন্ লীদুলঃ আয়পী য়েপীম্ ল আঁদীম্ পী লুঃপামাং। আজন্ জন্ম্ ন্ চুলা য়েগ্তাক্-য়েগ্দ্নীম্ ঙেন্ কাঃম্ ন্ চুলা দপাদঃ। য়েপেৰী আজনীম্ নমাঃদ। য়েপেৰ্ ঙী আজনীম্ নম্ লাদ্ দ। য়েংগাব্ কচুপীনাম্ আগম্ লুপাঃমা।

জিভা আছে বুলিয়েই চেলেকি চাব নাপায়। জিভাখন পিছল বুলিয়েই যিহকে তিহকে বলকিব নাপায় তেনেলোকে বান্ধ খাব লগা হয়। কোনোবা যুজিবৰ (ককালে ককালে গবা মাৰি) ইচ্ছা কৰা সকলে তেনে কথা কয়। লগৰীয়াৰ লগত মিলি জুলি থাকিবলৈ হলে তেনেকৈ কব নাপায়। বন্ধু-বান্ধৱৰ লগত বন্ধুত্বৰে ৰবঞ্চ মাংস, তেলীয়া মাংসহে ধেমালি কৰি খাব পায়। জিভাই বন্ধুক ওচৰ চপাই আনে। জিভাইহে বন্ধুকো আঁতৰাই পঠায়। বান্ধ খাব লগা কথা কব নাপায়।

## ম + ে = মে

মেন্ জেগী = ম'হ, জেগ্ তুম্-মেন্ জেগ্ কচিন্ = মতা ম'হ এটাও, জেগ্ নী-মেন্ জেগী = মাইকী ম'হ, মেন্ চুৰুঙীম্ = শিয়ালক, মেন্ চুৰুঙঃমা = শিয়ালেই নহয়, মেন্ দাৰিয়ীম্ চিন = শিয়াল জাতীয় জন্তুও, চিমেন্ নীম্ চিন্ = ফেকুৰাও, চিমেনী = ফেকুৰাই, মেন্ ক্ৰ–মেন্ ক্লা-মেন্ লা = মনৰ বলেৰে জোৰ দি দি।

ঙল্ গ্ কী মেন্ জেগী দুং। জেগ্তুম্ মেন্ জেগ্ কচিন্ কাদাগ্! জেগ্নী মেন্ জেগী আবাক কাদুং। মেন্ জেগ্ গংকল্ গৃদ্ দম্ মেন্ চুৰুঙীম্ ৰ্গ চুঃদাগ্। মেন্ চুৰুঙীম্ লা মেন্ দাৰি-য়ীম্ চিন ৰ্গ চুদ। আঁদৃলই লীক-লীক চিমেন্ নীম্ চিন্ ৰ্গ চুদ্। চিমেনী তায়ে য়েক্ কঃল য়েদ। চিতা তায়ে য়েনামীম্ কাঃলা আঁদীম্ য়েবাদ্ পী আঁম্ লা য়েক্ কঃল য়েতিদাগ্ আঁম্ লা লুদ।

আমাৰ ম'হ আছে। মতা ম'হ এটাও আছে। মাইকী ম'হ সৰহকৈ আছে। ম'হ খেদিবলৈ যাওতে শিয়াল লগ পাওঁ। শিয়ালেই নহয়, শিয়াল জাতীয় জন্তুও লগ পাওঁ। কেতিয়াবা কেতিয়াবা ফেকুৰাও লগ পাওঁ। ফেকুৰাই একে ঠাইতে হাগে। হাতীয়ে হগা দেখি তাতকৈ বেছি কৰি হাগিবৰ কাৰণে একে ঠাইতে মনৰ বলেৰে প্ৰতিযোগিতা কৰি জোৰ দি দি হাগে বুলি উপমা দিয়ে।



## দ + ে = দে

দেৰ্ গে = অমৰা, দেৰ্ গেয়েগম্ = অমৰা গুটিও, দেৰ্ গেয়ী = অমৰা গুটি, দেঃলুং=গাওঁ, দেঃতাগ্ = আঠা লগা মাটি, দেঃলুম্ কি = দলিৰে, দেঃলুমীম্ = দলি, দেঃগী = বহুত।

চী দেৰ্ গে আম্ ঙী বজেক কামাং। দেৰ্ গেয়েগম্ মিন্ য়েম্ ল্ দপদাগ্। দেৰ্ গেয়ী দপী কেঃদাগ্। তীলী দেঃলু-ৰুঃয়ি য়ুম্ ৰাঃতী আম্ মৃক্রিক্ দুং। বীলী দেঃতাগ্ দঃলুং লাম্ তী ৰুঃয়িবীগম্ আম্ ংক্ কাদুং। কঃকাঙী দেৰ্ গে আঃয়েম্ দেংলুম্ কি গীলেদ্ লা দদাগ্। আঁদীম্ পী দেঃলুমীম্ গীদদ বুলু গীতুব্ ম্ ন্ চুলা গেঃম্ ন্ চুদাগ্। দেৰ্ গেঃলক্ কী দেঃগী আগমী দুং।

ইয়াত অমৰা গছ বেছিকৈ নাই। অমৰা গুটি পকিলে খাবলৈ ভাল। অমৰা গুটি খাবলৈ কেঁহা। সৌ গাঁৱৰ দাতিৰ হাবিত এজোপা দুজোপা আছে। সৌ দেঃতাগ গাঁৱৰ বাটৰ কাষটো এজোপা আছে। লৰাবোৰে অমৰা গুটি দলিৰে দলিয়াই পাৰি খায়। তেনেকৈ দলি দলিয়াওঁতে সিহঁতৰ গাত লাগি কাজিয়াও লাগে। অমৰাক লৈ বহুত কাহিনী আছে।

## ঙ + ে = ঙে

ঙেকিন্ = ব' তুলিব জনা, ঙেবাব্ লা = ব' তুলি লৈ, ঙেবাবগেঃলা = ব' তুলি লৈ, ঙেজন্-কৃদ্ দী = ব' তুলিব জনা শিপিনীয়ে, ঙেঃলা = চকু ফুৰাই চোৱা, ঙেলা = ব' তুলি, ঙেগাব্ লা = ব' তুলি লৈ, ঙেম্ ল = ফুল তুলিলে, ঙেচানাম্ = ব' তোলা।

তাংঙে ঙেকিন্-মাঃমৃল অগে-গাচৰ চুম্কিন্মাং। তাংঙেল ঙেবাব্লা আপ্ পুনীম্ চুমদাগ্। চিম্-চিৰক্ কাপীই কাপীই ইনী বীদু গাচৰ্ ক্ দৃদীম্ তাংঙেল ঙেগাব্ গেঃলা চুম্ দাগ্। তাংঙে ঙেজন্-ক্ দৃদী লীক ঙেঃলা কাঃমৃলই কাংগাব্ দাগ্। লীদুপী মীঃমি-মীঃমিলা আঁদীম্ তাংঙেল ঙেলা চুম্ দকু। আঁম্ দাগ্ গম্ মিচিং মঃচানাম্ এগেদীম্ তাংঙেকি ঙেগাব্লা চুম্ লামাং। আপ্ পুন্ আপিৰ্ আপিৰ্ দক্ ৰঃঙী আঙুদাগ্। অদগ্ লীগাপী আপিৰ্ আপিৰ্ দীম ঙেলা চুম্ ৰেগ্দাগ্। অদগ্ লীগাংকি মঃচানাম্ এগেদীম্ ঙেচানাম্ এগ্গী আঁম্লা লুকান্দাগ্।

ব তুলিব নাজানিলে তাতো বব নাজানে। ব' তুলি লৈ তাত বয়। আজি কালিৰ ৰং-বিৰঙৰ কাপোৰ কানিবোৰ ব' তুলি লৈ তাত বয়। ব' তুলিব জনা শিপিনীয়ে এবাৰ চকুফুৰাই

চালেই ধৰিব পাৰে। পাছত তাকে ভাবি ভাবি ব' তুলি তাত বয়। তেনেকুৱা হলেও মিচিং গুটিফুল বছা মেখেলা ব' তুলি বব পৰা নাযায়। তাৰ প্ৰত্যেকটো গুটি ফুলৰে সুকীয়া সুকীয়া ৰং। তাৰ কাৰনে প্ৰত্যেকটো গুটি ফুল বাছি বাছি তাত বব লগা হয়। সেইবাবে গুটি ফুল বছা মেখেলাক ব' তোলা মেখেলাহে বুলি কব পাৰি।

## জ + ে = জে

জেব্ কিন্ মাং = খৰি ফালিব নাজানে, জেব্ কিন্ দ = খৰি ফালিব জানে, জেৰ্ পেত = জেৰ্ য়েতলা = কাঠ চিৰা চিৰকৈ ফলা, জেৰ্ মৃগ্ লা = খৰি সৰু সৰুকৈ ফলা, জেতমাং = শাক নিসিজে, জেদ্ দ = সিজে, জেৰ্ কিন্ দ = খৰি ফালিব জানে, জেদ্ মানী = নিসিজা / পানীকৃত নোহোৱা, জেদ্ কিন্ মাং = সিজিব নাজানে।

আপ্ পৃং আম্ মে অ্ চ্ ঙীম্ জেৰ্ কিন্ মাং। অ্ চ্ লক্ আঃচীম্ কাংকিন্ নীদী জেৰ্ কিন্ দ। জেৰ্ পেদ্ জেৰ্ য়েদ্ লা অ্ চ্ ং জেৰ্ নাম্ দীগম্ বদ্ তাম্ আগমী। জেৰ্ ম্ গ্ লা জেৰ্ নাম্ দী আজ্ জন্ আগমী। অ্ চ্ ং উম্ আইপী দৰ্ মাঃমৃল অয়িঙী জেদ্ মাং। অ্ চ্ ঙী আইয়েমৃল্ আপ্ পৃং অয়িঙী জেদ্ দ। অ্ চ্ ং জেৰ্ ত্ নীদী জেৰ্ কিন্ দ। জেদ্ মানী আম্ বৃন্ অয়িঙীম্ দৰ্ নী উম্ কি মঃমৃল জেদ্ দ। অীম্ দাগ্ গম্ জেদ্ কিন্ মানী দুং।

সকলো মানুহে খৰি ফালিব নাজানে। কাঠৰ আঁচ চিনি পোৱা জনেহে ফালিব জানে। কাঠ চিৰাচিৰকৈ ফলাটোও টান কথা। সৰু-সৰুকৈ খৰি ফলাটো সাধাৰণ কথা। খৰিৰ জুই ভালকৈ নজ্বলিলে শাক নিসিজে। খৰি ভাল হলে সকলো শাকেই সিজে। খৰি সদায় ফলাজনেহে ফালিব জানে। নিসিজা চাউল, শাক-পাচলি জ্বলা খৰিৰে সিজালে সিজে। তথাপিও সিজিব নজনা সামগ্ৰী আছে।

## চ + ে = চে

চেনাম্ দীচিন্ = ধুন-পেচ কৰাটোও, চেগ্ দক = কলা / ৰীতি, চেদ = ধুন পেচ কৰে, চেপী = ধুন পেচ কৰিম, চেলামাং = ধুন পেচ কৰিব নোৱাৰে, চেমাংগম্ = ধুন পেচ নকৰিলেও, চেকিন্ পীচিন্ = ধুন পেচ কৰিবও, চেব্ মাঃপী = চ্ুলি নকটাকৈ, চেমৃল = ধুন পেচ কৰিলে, চেদাগ্ = ধুন পেচ কৰে, চেমাং = ধুন পেচ নকৰে, চেব্ নাম্ = ডাড়ি চ্ুলি কটা, চেব্ মাঃপী = ডাড়ি চ্ুলি নকটাকৈ।



চেনাম্ দীচিন্ চেগদ্ ক। দুংক-দাগ্ কলাং আঅ্ কী গীগদ্ বম্ গদ্ লীগাপী চেদ। দঃপা তৃঃপামান্ আমিলক্ কঃকাঙী চেপী অীম্ লা মীঃদাগ্ গম্ চেলামাং। য়াঃমে মৃম্ বৃৰ্ দ চেমাংগম্ আজন্ লীদুল গ্ মৃন্ গুমাং। অদগ্ লীগাপী কাঃলা-তাদ্ লা চেকিন্ পীচিন্ লাগিদাগ্। নাম্ মুৰ্ দুমৃদ্ চেবমাঃপী চেম্ ল কাংগুমাং। অীদীম চেদাগ্ অীম্ লাচিন্ মীংগুমাং, চেমাং অীম্- লাচিন্ লুগুমাং। মীঃমি মীঃমিল্ মীঃয়ীমৃল চেনাম্ দীচিন্ চেগদ্ ক।

ধুন পেচ কৰাটোও এটা কলা। পৰিৱেশ আৰু নিজৰ বৈশিষ্ট্যক লৈ ধুন পেচ কৰে। অৱস্থা-হীন লোকৰ লৰা ছোৱালীয়ে ধুন পেচ কৰো বুলি ভাবিলেও কৰিব নোৱাৰে। ডেকা গাভৰুকালত ধুন পেচ নকৰিলেও লগৰীয়াৰ লগত ফুৰাত অসুবিধা। সেই কাৰণে ধুন পেচো কৰিব জানিব লাগে। ডাড়ি চ্ুলি নকটাকৈ ধুন পেচ কৰিলেও ভাল নেদেখি। সেইটোক ধুন পেচ কৰিছে বুলিও ভাবিব নোৱাৰি, ধুন পেচ নাই কৰা বুলিও কব নোৱাৰি। ভাৱি চালে ধুন পেচ কৰাটোও এটা কলা।

—×—

অ আ অৃ আঁ ই উঁ এ

ক গ ঙ চ জ ঞ

ত দ ন প ব ম

ব ল র য়

## ওপরাঙ্কি অধ্যায়

ক্নাম্ । গণনা

আক—১
আন্ক্রি—২
আউম্—৩
আপ্পি—৪
আংঙ—৫
আক্কীং—৬
ক্নৃদ্—৭
পিঃক্রি—৮
কনাং—৯
অৃয়িং—১০
অৃয়িং-কলাং আক—১১
অৃয়িং-কলাং আন্ক্রি—১২
অৃয়িং-কলাং আউম্—১৩
অৃয়িং-কলাং আপ্পি—১৪
অৃয়িং-কলাং আংঙ—১৫
অৃয়িং-কলাং আক্কীং—১৬
অৃয়িং-কলাং ক্নৃদ্—১৭
অৃয়িং-কলাং পিঃক্রি—১৮
অৃয়িং-কলাং কনাং—১৯
অৃয়িং-আন্ক্রি—২০
অৃয়িং আউম্—৩০
অৃয়িং আপ্পি—৪০
অৃয়িং আংঙ—৫০
অৃয়িং আক্কীং—৬০
অৃয়িং ক্নৃদ্—৭০
অৃয়িং পিঃক্রি—৮০
অৃয়িং কনাং—৯০
লৃংক—১০০
লৃঃয়িং—১০০০